জয় গুৰু শঙ্কৰ

# THE LITERARY WORKS OF ŚRĪMANTA ŚAṄKARADEVA AND MAHĀPURUṢA MĀDHAVADEVA

# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ সাহিত্যৰাজি

Uploaded by
The Literature Branch
of
Śrīmanta
Śaṅkaradeva
Saṅgha
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ
সাহিত্য শাখা সমিতিৰ
দ্বাৰা উপলব্ধ

[15th June/2012]


মহাপুৰুষ
শ্ৰীমন্ত শঙ্কৰদেৱৰ বাক্যামৃত
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ



# BARGĪT

## The Śaṅkarī Classical (BHAKTI) songs

## Composed by

## Mahāpuruṣa Śrīmanta Śaṅkaradeva

# বৰগীত

**মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত ভক্তিমূলক ধ্ৰুপদী গীত**



## শ্ৰীকৃষ্ণায় নমঃ

### ১।। ৰাগঃ।। আশোৱাৰী

ধ্ৰুং।। জয় জয় যাদৱ জল নিধিজাধৱ ধাতা

শ্ৰুতমাত্ৰাখিলত্ৰাতা।

স্মৰণে কৰয় সিদ্ধি দীন দয়ানিধি

ভুকুতি মুকুতি পদ-দাতা।।

পদ।।জগজন জীৱন অজন জনাৰ্দ্দন

দনুজ-দমন দুঃখহাৰী।

মহদানন্দ কন্দ পৰমানন্দ

নন্দ-নন্দন বনচাৰী।।

বিবিধ বিহাৰ বিশাৰদ শাৰদ

ইন্দু নিন্দি পৰকাশী।

শেষ শয়ন শিৱ কেশী বিনাশন

পীত বসন অৱিনাশী।।

জগতবন্ধু বিধু মাধৱ মধুৰিপু

মধুৰ মূৰুতি মূৰনাশী।

কেশৱ চৰণ সৰোৰুহ কিঙ্কৰ

শঙ্কৰ এহু অভিলাষী।।❍

**২।। ৰাগঃ।। মল্লাৰ**

ধ্রুং।। মধুৰ[১] মূৰুতি মুৰাৰুঃ

মন দেখো হৃদয়ে হামাৰু।

ৰূপে অনঙ্গ সঙ্গ তুলনাঃ

তনু কোটি সূৰুজ উঝিয়াৰু।।

পদ।। মকৰ কুণ্ডল গণ্ড মণ্ডিত খণ্ডিত

চাৰু ৰুচি স্মিত হাসা।

কনক কিৰীট জড়িত ৰতনা নৱ

নীৰুজ নয়ন বিকাশা।।

চতুৰ উজ্জ্বল কৰ কঙ্কন কেয়ূৰ

ভুজ মহ মোতিম হাৰু।

লীলা বিনোদী কম্বু কৌমুদী

চক্র কেৰি কঞ্জ ধাৰু।।

শ্যাম শৰীৰ ৰচিত পীত অম্বৰ

উৰে বনমালা লোলে।।

কৌস্তুভ শোভিত[২] কন্ঠ কটি কাঞ্চি

কিঙ্কিণী কনয়া দোলে।

অৰৱিন্দ নিন্দি পাৱ নৱ পল্লৱ

ৰতন নূপুৰ পৰকাশা।

ভকত পৰম ধন তাহে মজোক মন

শঙ্কৰ এহু[৩] অভিলাষা।।❍

---

পা. ১। মধুৰি, ২। শোভি, ৩। কহ

**৩।। ৰাগঃ।। আশোৱাৰী**

ধ্রুং। শুন শুন ৰে সুৰ বৈৰী প্ৰমাণা

নিশাচৰ নাশ নিদানা।

ৰাম নাম যম সমৰক সাজি[১]

সমদলে কয়লি পয়ানা।।

পদ।। ঠাট প্ৰকট পটু কোটি কোটি কপি

গিৰি গড়গড় পদঘাৱে।

বাৰিধি তীৰ তৰি[১] কৰে গুৰুতৰ গিৰি

ধৰি ধৰি সমৰক ধাৱে।।

হাট ঘাট বহু বাট বিয়াপি

চৌগড়ে বেঢ়লি লঙ্কা।

গুৰু ঘন ঘন ঘোষ ঘৰিষণ গৰ্জ্জন

শ্ৰৱণে জনময় শঙ্কা।।

ধীৰ বীৰ শূৰ[৩] শেখৰ ৰাঘৱ

ৰাৱণ তুৰা পৰি ঝাম্পে।

সুৰ নৰ কিন্নৰ ফণধৰ[৪] থৰথৰ[৫]

মহীধৰ তৰসি প্ৰকম্পে।।

অন্ধ মুগুধ দশ- স্কন্ধ[৬] পাপ বুধ

জানকীক শিৰত চড়াই

ৰঘুপতি পদ বৰ ধৰ ৰজনীচৰ

শঙ্কৰ কহতু[৭] উপায়।।❍

---

পা. ১। সাজিয়ে, ২। তৰিতৰি ৩। সুৰ ৪। ফণিধৰ ৫।
তৰতৰ ৬। দশ কন্ধ ৭। কহন্ত

## ৪।। ৰাগঃ।। ধনশ্ৰী

ধ্ৰুং-   নাৰায়ণ কাহে ভকতি কৰোঁ তেৰা।

মেৰি পামৰু মন   মাধৱ ঘনঘন[১]

ঘাতুক পাপ নছোড়া।।

পদ।। যত জীৱ জঙ্গম   কীট পতঙ্গম

অগ নগ জগ তেৰি কায়া।

সৱকহু মাৰি   পূৰত ওহি উদৰ

নাহি কৰতু[২] ভূত দায়া।।

ঈশ স্বৰূপে হৰি   সৱ ঘটে বৈঠহ

যৈচন গগন বিয়াপি।

নিন্দাবাদ পৈশুন্য   হিংসা হৰি

তেৰি কৰোহোঁ হামু পাপী।।

কাকু শঙ্কৰ কয়   কৰহু[৩] কৰুণা নাথ

যো নো ছাড়োহুঁ[৪] ৰাম বাণী।

সৱ অপৰাধক   বাধক তুৱা নাম

তাহে শৰণ লেহু জানি।।❍

---

পা. ১। ঘনেঘন ২। কৰত ৩। কৰু ৪। নছাৰোহোঁ, ছাৰোহোঁ, ছোঁৰহুঁ

## ৫।। ৰাগঃ।। আশোৱাৰী

ধ্ৰুং।। নাৰায়ণ চৰণে কৰোহোঁ গোহাৰি

বিষয় বিলাস পাশ ছান্দি ইন্দ্ৰিয় মোহি

ওহি লুটে বাটোৱাৰী।।

পদ।। নাসা গন্ধ মধুৰ ৰস ৰসনা

শ্ৰৱণে বিৱিধ ধ্বনি ধাই।

নয়না ৰূপ পৰশ ত্বচ্ছ চাহে

কাহে ভজোহোঁ পহু পাই।।

কাম ক্ৰোধ মদ মান মোহ মেৰি

ঐসৱ বৈৰী বিশাল।

শঙ্কৰ কহ পহু তুহু বিনে নাহি আৰ

সেৱক পাল গোপাল।।❍

## ৬।। ৰাগঃ।। ধনশ্ৰী

ধ্ৰুং।। শাৰঙ্গপাণি পাহে পামৰ মতি হামি।

নিৰয় নিৱাৰ আৱৰি নাহি হেৰহু

বিনে চৰণ তযু স্বামী।।

পদ।। জৰা মৰণ মেৰি নিকটহি আয়া

কায়া পৰত কতিবেৰি।[১]

কৰতহুঁ পাপ সমাপল আৱি

ভাৱি চৰণ না তেৰি।।

দেখহু ক্ষীণ দিনে দিনে দেহা

আধি ব্যাধি বিঘাত।[২]

অন্তকাল গতি মেৰি কমলাপতি[৩]

শঙ্কৰ কৰ প্ৰণিপাত।।❍

---

পা. ১।কায়া পৰ কেতিবেৰি, ২। বিঘাত ৩। মোৰ ৰময়াপতি

## ৭।। ৰাগঃ।। ধনশ্ৰী

ধ্ৰুং।। নাৰায়ণ লীলা জানব কোই।

সনক সনাতন চিন্তি চতুৰ মুহ

অধিকহি মোহিত হোই।।

পদ।। কোটি কোটি অণ্ড[১] আৱত যাৱত

ৰোম-ৰন্ধ্ৰ মহ যাৰা।

সোহি ভূমিভাৰ হৰসি শূৰ শূকৰ

নৰসিংহ[২] অৱতাৰা।।

যত দেখু কায়া        সুত বিত্ত জায়া

মায়াকেসে সৱ ধন্ধ।

হামু যত জীৱ        শিৱ তেৰি অংশা

কাহে ওহি মোহ বন্ধ।।

শঙ্কৰ কহ পহু        পয়ৰহি লাগোঁ

মাগো নাহি আন কামা।

ওহি কৃপা কৰু        ৰূপ হৃদয়ে ধৰু[৩]

ৰহুঁ মুহ ভৰি তেৰি নামা।।❍

---

পা. ১।কৌটি কৌটি অণ্ড ২। নৃসিংহ ৩। ৰহু

## ৮।। ৰাগঃ।। ধনশ্ৰী

ধ্রুং। বোলহু ৰাম নামেসে মুকুতি নিদানা।

ভৱ বৈতৰণী        তৰণী সুখ সৰণী[১]

নাহি নাহি নাম সমানা।।

পদ।। নাম পঞ্চানন        নাদে পলাৱত

পাপ দন্তী ভয়-ভীত।

বলিতে[২] এক শুনিতে শত নিতৰে
নাম ধৰম বিপৰীত।।
বচনে বুলিল ৰাম[৩] ধৰম অৰথ কাম
মুকুতি-সুখ সুখে পায়।
সৱকহু পৰম সুহৃদ হৰি নাম
ছুটে অন্তকেৰি দায়।।
নাৰদ-শুকমুনি ৰাম নাম বিনি
নাহি কহল গতি আৰ।
কৃষ্ণ কিঙ্কৰ কয় ছোড় মায়াময়
ৰাম পৰম তত্ব সাৰ।।❍

---

পা. ১।সুখ সৰণী তৰণী ২। বোলিতে ৩। বচনে বোল ৰাম

## ৯।। ৰাগঃ।। গৌৰী[১]

ধ্রুং- নাহি নাহি ৰময়া বিনে তাপ তাৰক কোই।।
পৰমানন্দঃ পদ মকৰন্দঃ সেৱহু মন মোই।।
পদ তীৰিথ বৰতঃ তপ জপঃ যাগ যোগ যুগুতি।
মন্ত্র পৰমঃ ধৰম কৰমঃ কৰতু নাহি মুকুতি।।

মাতু পিতুঃ[২৬] পতনী তনয়ঃ জনয় সৱ মৰণা।।

ছাড়হু ধান্ধাঃ মানস অন্ধাঃ ধৰতু হৰি চৰণা।।

কৃষ্ণ কিঙ্কৰঃ শঙ্কৰ কহঃ বিছুৰি বিষয় কামা।

ৰাম চৰণেঃ শৰণ লেহুঃ জপ গোৱিন্দৰ নামা।।❍

---

পা. ১। গেৰা ২। মাতাপিতা

## ১০।। ৰাগঃ।। গৌৰী

ধ্রুং– সোই সোইঃ ঠাকুৰ মোইঃ
যো হৰি পৰকাশা।
নাম স্মৰতঃ ৰূপ ধৰতঃ
তাকেৰি হামু দাসা।।

পদ– পণ্ডিতে পঢ়েঃ[২৭] শাস্ত্ৰ মাত্ৰঃ
সাৰ ভকতে লিজে[২]।
অন্তৰ জলঃ ফুটয় কমলঃ[৩]
মধু মধুকৰ পিজে।।
যাহে ভকতিঃ তাহে মুকুতিঃ
ভকতে এ তত্ত্ব জানা।
যৈছে বণিকঃ চিন্তামণিকঃ
জানিয়া গুণ বখানা।।

কৃষ্ণ কিঙ্কৰঃ শঙ্কৰ কহঃ

ভজ গোৱিন্দক পায়।

সোহি পণ্ডিতঃ সোহি মণ্ডিতঃ

যো হৰি গুণ গায়।।❍

---

পা. ১।পঢ়য় ২। লিয়ে ৩। চুটয় কমল ৪।

## ১১।। ৰাগঃ।। গৌৰী

ধ্রুং- কমললোচন[১] চিন্ত চিত্ত চেতন লাই।
বিনে হৰি ভকতি মুকুতি কতি পায়।।
পদ- নৰ ভয়ো ভাই ভাৰতে কতিভাগা।

নকহসি ৰাম মৰসি কতিলাগা।।

ছোড়ি ৰাম নাম অমিয়া উপযোগা।

যৈচে পুৰীষ শূকৰ কয়ো ভোগা।।

অথিৰ[২] জীৱন ধন যৌৱন জায়া।

ভকতি বিৰোধী বিষয় সৱ মায়া।।

কৃষ্ণ কিঙ্কৰ ওহি শঙ্কৰ ভাণা।

বিনে হৰি ভকতি তৰণী নাহি আনা।।❍

---

পা. ১। কমল নয়ন ২। অধীৰ

## ১২।। ৰাগঃ।। গৌৰী

ধ্রুং– কমনে ৰময়া মনঃ বিছুৰি[১] ৰহুঃ

বৃথা মোহে ভুলায়।

ৰাম চৰণঃ চিন্ত চিত্তঃ[২]

মৃত্যু তৰণ উপায়।।

পদ– সাফল জীৱনঃ যো জন্তুঃ

নিতু জল্পতু ৰামা।

কেশৱ না সেৱিঃ[৩] যো জীৱয়ঃ[৪]

বিট কীট উপামা।।

যাকেৰি চাকেৰিঃ কৰতহু গতিঃ

পাতকী পায়ী।

শঙ্কৰ কহঃ সোই হৰিকোঃ

ভকতি কতি নাকায়ী।।❍

---

পা. ১।বিছুৰহু ২। চিত্তকু, চিত্তক ৩। নাসেৱি ৪। জীৱই

## ১৩।। ৰাগঃ।। ধনশ্ৰী

ধ্ৰুং- ওঝা সোজা পন্থ নাহেৰি।

কোটি কৰম কয়[১] হৰিকো নাহি পায়

পৰল ভৱ বেৰি বেৰি।।

পদ- জপ-তপ-তীৰিথ কৰসি গয়া কাশী

বাসী বয়স গোৱাই।

জানি যোগ-যুগুতি মতি মোহিত

বিনে ভকতি গতি নাই।।

ৰাম নাম মহ নিখিল পুণ্য ৰহ

ওহি নিগম তত্ত্ববাণী।

কলিকো পৰম ধৰম হৰি নাম

পঢ়ি পুনু মৰম নাজানি।।

কৃষ্ণ কিঙ্কৰ কহ ক্ষণিক দেহ ৰহ

নৰতনু পুনুহু নাপাই।

কৰম গৰৱ সৱ দূৰ কৰি হৰি

চৰণ চিন্ত চিত্ত লাই।।❍

---

পা. ১। কায়ী

## ১৪।। ৰাগঃ।। সুহাই

ধ্রুং– ছিৰিৰামঃ মঞি অতি পাপী পামৰুঃ
তেৰি ভাৱনা নাই।
জনম চিন্তামণিঃ কাহে গয়োঃ[১]
যৈচে[২] কাচক লাই।।

পদ– দিৱসে বিষয়ে বিয়াকুলঃ
নিশি শয়নে গোৱাই।
মনে ধন খোজি বিয়াকুলঃ[৩]
তেৰি আৰতি নপাই।।
হৃদয় কমলে হৰি বৈঠহঃ
চিন্তো চৰণ না তেৰি।
কৰল গৰল যচ[৪] ভোজনঃ
হামো অমিয়া হেৰি।।
পৰম মুৰুখ হামো মাধৱঃ
একু ভকতি নজানা।
দাস দাস বুলি তাৰহুঃ
এহু শঙ্কৰ ভাণা।।❍

---

পা. ১। গৈয়ো ২। যোচী, যৱ ৩। বিমোহিত ৪। যৈচি

**১৫।। ৰাগঃ।। বসন্ত**

ধ্রুং– কৈছে নৰহৰি তৰণ উপায়।
নাশ সকল কৈলো বিষয় লোভাই
পদ– অথিৰ জীৱন ধন যৌৱন দেহ।
সুহৃদ সোদৰ সুত কিছু নোহে কেহ।।
পেখিতে অমিয়া ৰস বিষ পৰিণাম।
তথিয়ে মজাইলো মন মেৰি ৰাম।।
নিৰমিল বিষবিম্ব কামিনী লোহ।
তাসু পৰল মেৰি এ মন মোহ।
তাকৰ ছোড়াইতে সখ নাহি থিক।
গৰুৱা মনোৰথ বাঢ়লি ধিক।।
জনমে জনমে হামো দাসকু দাসা।।
কেশৱ অৱহু ছোড়হুঁ মোহ পাশা।
শমনক লাই জীৱ বড় ডোৰ।
শঙ্কৰ কহ হৰি সেৱক তোৰ।।❍

## ১৬।। ৰাগঃ।। শ্ৰী

ধ্ৰুং- গোপালে কি গতি কৈলেঃ

গোৱিন্দে কি মতি দিলেঃ

নাথ! বিফলে জনম সৱ গেলৰে।।

পদ- এ ভৱ গহন বন আতি মোহ পাশে ছন্ন

তাহে হামো হৰিণা বেড়াই।

ফন্দিলো মায়াৰ পাশে কাল ব্যাধে ধায়া আসে

কাম ক্ৰোধ কুত্তা খেদি খাই।।

হৰাইল চেতন হৰি নজানোঁ কিমতে তৰি

গুণিতে দগধ ভেল জীৱ।।

লোভ-মোহ দুহো বাঘ সততে নছাৰে লাগ

ৰাখু ৰাখু এ সদাশিৱ।।

পলাইতে নেদেখোঁ সন্ধি দিনে দিনে দৃঢ় বন্দী

ভৈলো মন্দ মনৰ যুগুতি।

তুৱা হৰি লাগোঁ গোড় মোৰ মায়া পাস ছোড়

শঙ্কৰ কৰয় কাকূতি।।❍

**১৭।। ৰাগঃ।। কেদাৰ**

ধ্রুং- পাৱে পৰি হৰি কৰোহোঁ কাতৰি

প্ৰাণ ৰাখবি মোৰ।

বিষয় বিষধৰ বিষে জৰ জৰ

জীৱন নাৰহে থোৰ।।

পদ- অথিৰ ধন-জন জীৱন যৌৱন

অথিৰ এহু সংসাৰ।

পুত্ৰ পৰিবাৰ সৱহি অসাৰ

কৰবোঁ কাহেৰি সাৰ।।

কমল দল জল চিত্ত চঞ্চল

থিৰ নোহে তিল এক।

নাহি ভয়ো ভৱ ভোগে হৰি হৰি

পৰমপদ পৰতেক।।

কহতু শঙ্কৰ এ ভৱ সাগৰ

পাৰ কৰা হৃষীকেশ।

তুহুঁ গতিমতি দেহু ছিৰিপতি

তত্ব পন্থ উপদেশ।।❍

## ১৮।। ৰাগঃ।। ধনশ্ৰী

ধ্রুং– মন মেৰি ৰাম চৰণহি লাগু।

তঞি দেখ না অন্তক আগু।।

পদ– মন আয়ু ক্ষেণে ক্ষেণে টুটে।

দেখো প্ৰাণ কোন দিনে ছুটে।।

মন কাল অজগৰে গিলে।

জান তিলেকে মৰণ মিলে।।

মন নিশ্চয় পতন কায়া।

তঞি ৰাম ভজ তেজি মায়া।।

ৰে মন ইসব বিষয় ধান্ধা।

কেনে দেখি নাদেখয় আন্ধা।।

মন সুখে পায় কৈচে নিন্দ।

তঞি চেতিয়া চিন্ত গোৱিন্দ।।

মন জানিয়া শঙ্কৰে কহে।

দেখ ৰাম বিনে গতি নহে।।❍

## ১৯।। ৰাগঃ।। ধনশ্ৰী

ধ্ৰুং- পামৰু মনঃ ৰাম চৰণে চিত্ত দেহু।
অথিৰ জীৱন ৰামঃ মাধৱকেৰি নামঃ
মৰণক সম্বল লেহু।।

পদ- ৰয়নী দিৱসে দূৰ আৱি যাৱত
আৱত অন্তক গৰজি।
কতি তনু-পাত মিলত মতি মানি
ৰাম ভজহু সৱ বৰজি।।

আশা পাশ পৰশি মানস পশু
পড়লি বন্দী বেৰি বেৰি।
ভৱ কাৰাগাৰ তাৰক নাহি আৰ
বিনে ভকতি ৰতি তেৰি।।

অৱনিশি সেৱহুঁ ৰাম পৰম পহু
ৰহু হৃদি-পঙ্কজ মোৰা।
কৃষ্ণ কিঙ্কৰ ভাণ ৰাম পৰম ধন
মৰণহি সঙ্গ নাছোৰা।।❍

## ২০।। ৰাগঃ।। গৌৰী

ধ্রুং–   ওৰে সখি পেখোৰে   কঞ্জলোচন

চললি নন্দ–কুমাৰা।

ইন্দু বদন   কোটি মদন

ৰূপে তুল নাহি যাৰা।।

পদ–   মকৰ কুণ্ডল   মণ্ডিত গণ্ড

গলে গজমতি লুলে।

তড়িতাম্বৰ   শ্যাম সুন্দৰ

শিৰে শিখণ্ডক ডুলে।।

কৰ কঙ্কণ   কিঙ্কিণী কনক

ঝনকে চলে গোপালা।

পঞ্চম পূৰে   লম্বিত উৰে

কেলি কদম্বক মালা।।

পদ পঙ্কজে   মঞ্জীৰ ঝুৰে

হৰয় চিত্ত হামাৰু।

শঙ্কৰ কহ   ছাড় বিৰহ

ওই জগ আধাৰু।।❍

## ২১।। ৰাগঃ।। মাউৰ ধনশ্ৰী

ধ্ৰুং- গোপিনী প্ৰাণঃ

কাহেনু গেয়োৰে গোৱিন্দ।

হামু পাপিনী পুনু পেখবোঁ নাহি আৰ

সোহি বদন অৰবিন্দ।।

পদ- কমন ভাগ্যৱতী ভয়োৰে সুপৰভাত

আজু ভেটব মুখ-চান্দা।

উগত সূৰ দূৰ গেয়োৰে গোৱিন্দ

ভয়ো গোপপুৰ আন্ধা।।

আজু মথুৰাপুৰে মিলিব মহোৎসৱ

মাধৱ সাধৱ মান।

গোকুলক মঙ্গল দূৰ গেয়ো নাহি

বাজত বেণু বিষাণ।।

আজু যত নাগেৰী কৰত নয়ন ভৰি

মুখ পঙ্কজ মধুপানা।

হামাৰি বঙ্ক-বিধি হাতে হৰল নিধি

কৃষ্ণ কিঙ্কৰে ৰস ভাণা।।❍

## ২২।। ৰাগঃ।। ধনশ্ৰী

ধ্ৰুং- হেৰহু মাইঃ

চললি বিপিনে মধাই।

বেণু বিষাণে নিশানে আৱত

হৰষে হৰষে ধেনু ধাই।।

পদ- ওহি জগ-মোদন কন্ধে দধি ওদন

গোধন আগু বুলাই।

সৰোৰুহ নয়ন বঙ্কিম হাসি

হেৰইতে ভুৱন ভুলাই।।

মদন দমন ৰূপ পেখি পুনু পুনু

মুৰুছি পৰয় সুৰ নাৰী।

সোহি জগ জীৱ বিয়োগ অৱ সহবি

কৈচন চিত্ত হামাৰি।।

হৰি বিৰহানল আকুলা গোপিনী

দৰশন দিৱসে নপায়।

হৰিগুণ কহি ৰহি প্ৰেমে ঝুৰয় নীৰ

শঙ্কৰ এহু ৰস গায়।।❍

**২৩।। ৰাগঃ।। ধনশ্ৰী**

ধ্ৰুং- দেখু সখিঃ মধুৰ মূৰুতি হৰি।

ধৰি অধৰেঃ পূৰে মুৰুৰী।।

পদ- তনু অভিনৱ ঘন কালা।

উৰে লুলে কদম্বক মালা।।

পীত অম্বৰ তড়িত জ্যোতি।

জ্বলে কম্বু-গলে গজমতি।।

মণি কৌস্তুভ কণ্ঠত লুলে।

চাৰু শিৰে শিখণ্ডক ডোলে।।

নীল অলক লোলে কপোলে।

কৰ্ণত মকৰ কুণ্ডল ডোলে।।

ভূজ ৰঞ্জে কঙ্কণ কেয়ূৰে।

কটিত কনক কিঙ্কিণী ঝুৰে।

পদ পঙ্কজ মঞ্জীৰ ৰোলে।

কৃষ্ণ কিঙ্কৰ শঙ্কৰে বোলে।।❍

## ২৪।। ৰাগঃ।। আসোৱাৰী

ধ্রুং- আনন্দে গোৱিন্দেঃ বায় বৃন্দাবনে বেণু

ৰূপে ভুৱন ভুলেঃ ৰহিয়া কদম্ব তলেঃ

কালিন্দী তীৰে ৰাখে ধেনু।।

পদ- গোপ-শিশু সঙ্গে চলে শিৰে শিখণ্ডক ডোলে

কর্ণে কুণ্ডল গণ্ড লোলে।

কেয়ূৰ কঙ্কণ কৰে উৰে বনমালা লুলে

মুগুধ মধুপ মধু ভোলে।।

কটি কাঞ্চী কিঙ্কিণী বাজত ৰিণি ৰিণি

শ্যাম তনু শোহে পীতবাসে।

বাম কৰে শিঙ্গাবেত অৰুণ পঙ্কজ নেত্র

কণ্ঠে কৌস্তুভ পৰকাশে।।

ত্রিভঙ্গ ললিত হাস কৰু হৰি ভ্রূৱ ভাস

দৰশিয়া লীলা বিলাসে।

চৰণে মঞ্জীৰ ঝুৰে উচ্চায়া পঞ্চম পূৰে

শঙ্কৰ কহ অভিলাষে।।❍

## ২৫।। ৰাগঃ।। আশোৱাৰী

ধ্রং- বালেক গোপালে কৰতৰে কেলি।

উষ্চায়া পাঞ্চনি নাচে হাসে গোপ মেলি।।

পদ- নীল তনু পীত পট ধতি লটি লোৰ।

নৱ ঘন ঘন যৈচে বিজুলী উজৌৰ।।

শিৰে শিখণ্ডক ডোলে গলে গজমোতি।

কোটি মদন মন মোহন মুৰুতি।।

চৰণে মঞ্জীৰ ঝুৰে উৰে হেমহাৰু।

শঙ্কৰ কহ ওহি হৰিক বিহাৰু।।❍

## ২৬।। ৰাগঃ।। শ্রী

ধ্রুং- উদ্ধৱ চলহু গোকুল লাই।

হামু বিনে গোপীৰ তিলেকে যুগ যাই।

পদ- হামু চিত্ত বিত্ত নিত্য হামাকু ধিয়ানা.

ধৰল বিয়োগে গোপী কথমপি প্রাণা।।

হামাকেসে আশে গোপী জীয়ে সমুদাই।

বাহুড়ি আৱব কৃষ্ণ ভেটবো দুনাই।।

কহ কৃষ্ণ কিঙ্কৰ হৰিক ভজ লোই।

হৰি বিনে সুহৃদ বান্ধৱ নাহি কোই।।❍

**২৭।। ৰাগঃ।। তুৰ বসন্ত**

ধ্রুং– কহৰে উদ্ধৱ কহ প্ৰাণেৰ বান্ধৱ হে

প্ৰাণ কৃষ্ণ কবে আৱে।

পুছয় গোপী প্ৰেম আকুল ভাৱে

নাহি চেতন গাৱে।।

পদ– বাঁশৰী ধ্বনি শুনিঃ গো বৎস পেখি।

লাগে আগি গাৱে উদ্ধৱ সখি।।

কালিন্দী দেখি সখিঃ ফুটয় বুক।

এথাইয়ে খেলায়াছিলেঃ সে চান্দ মুখ।

হৰি নয়ন সুখ।।

বিৰিন্দাবন বৈৰীঃ হামাৰি ভেলি।

পেখিতে নাবিছুৰোঃ গোপাল কেলি।।

ধ্বজ বজ্র যৱঃ পঙ্কজ চাই।

তথায়ে কান্দো হামোঃ লোটায়া কায়ি।

গুণ গোৱিন্দ গায়।

কৃষ্ণ সূৰ্য্য বিনেঃ ব্ৰজ আন্ধাৰ।

নেদেখো এ দুঃখ অৱধি পাৰ।।

আৰ কি পেখবোঃ গোপাল প্ৰাণ।

কৃষ্ণ কিঙ্কৰঃ শঙ্কৰ ভাণ।

হৰিক হৃদয়ে জান।।❍

**২৮।। ৰাগঃ।। কল্যাণ**

ধ্রুং- উদ্ধৱ বন্ধু মধুপুৰ ৰহল মুৰাৰু।

কাহে না হেৰি ৰহব অৱ জীৱন

বন ভয়ো ভৱন হামাৰু।।

পাদ- যাহে বিয়োগ আগি অঙ্গয় তাৱয়

তিল একু ৰহয়ে নপাৰি।

সোহি ব্ৰজ সূৰ দূৰ গয়ো গোৱিন্দ

দিশ দশ দিৱসে আন্ধাৰি।।

ভয়ো মৰণ ওহি সোহি হৰি চৰণকু

বিছুৰিয়া ৰহয়ে নপাই।

দেখত কালিন্দী গিৰি বিৰিন্দাবন

তনুমন দহৱে সদাই।।

ব্ৰজ জন জীৱন বাহুড়ি নাহি আৱত

হামাকু কৰত অনথা।

গোপিনী প্ৰেম পৰশি নীৰ ঝুৰয়

শঙ্কৰ কহ গুণ গাথা।।❍

**২৯।। ৰাগঃ।। ধনশ্ৰী**

ধ্ৰুং- ৰাম মেৰি হৃদয় পঙ্কজে ৰৈছে।

ভাই চিত্ত না চিন্তস কৈছে।।

পদ- জগ তাড়ক যাকেৰি নাম।

দেখো সো পুনু আপুন ঠাম।।

ৰাম সুহৃদ সোদৰ মাতা।

জান ৰামেসে অভয় দাতা।।

ৰাম ভকত পৰম নিধি।

ৰাম বিনে নাহি একো সিদ্ধি।।

ৰাম ইহ পৰলোক গতি।

তাহে দেখো নাহি মন্দমতি।।

কৃষ্ণ কিঙ্কৰ শঙ্কৰ ভাণ।
ৰাম বিনে নাহি গতি আন।।❍

**৩০।। ৰাগঃ।। মাউৰ-ধনশ্ৰী (মতান্তৰে-ধনশ্ৰী)**

ধ্ৰুং- হৰিক বয়ন হেৰি মাই।
ফোকাৰে নিশ্বাস নীৰ নয়ন ঝুৰাই।।
পদ- আজু জনমি সুত চল পৰদেশ।
কতনো লিহিল বিহি অভাগীক ক্লেশ।।
বিনে তুহো ৰহব জীৱন নাহি মোই।
কহ শঙ্কৰ কৃষ্ণ বোল সব্ব লোই।।❍

**৩১।। ৰাগঃ।। গৌৰী**

ধ্ৰুং- জীৱতু জয় যশোৱা নন্দন আনন্দ পদ পাই।
নাচতু ছানি গোপ-গোপিনী
হাতে তালি বজাই।।
পদ- যোহি জগত জীৱন জনক
যাহে নাহি সম কোই।

সোহি পৰম পুৰুষোত্তম

ৰাখতু তনু তোই।।

বামন পহু বাহিৰে ৰহু

কৰতু বিঘিনি নাশা।

অন্তৰে তেৰি ৰাখতু হৰি

কহতু কৃষ্ণকু দাসা।।❍

**৩২।। ৰাগঃ।। ভূপালী**

ধ্রুং- বিৰহে আকুল গোপী হামাকু নিমিত্ত।

ঝৰে নয়নক নীৰ থিৰ নোহে চিত্ত।।

পদ- মাধৱ কহয় উদ্ধৱক ধৰি হাত।

কহ মোহে গোপিনীক সন্দেশ বাত।।

জানয়ে নাহি গোপি মোহো বিনে আন।

দেহু বোধ উদ্ধৱ গোপীক ৰহু প্ৰাণ।।

**ৰাগঃ।। ভূপালি।। তালঃ পৰিতাল**

ধ্রুং- নাহি সুহৃদ মোহে গোপিনী সমান।

তাহেৰি দুখ শুনি ছুটে মেৰি প্ৰাণ।।

পদ– উদ্ধৱ এ চল গোকুলক লাই।

সুমৰিতে মোহে গোপিনীক জীৱ যাই।।

হামাকু শপত শান্ত কৰু ব্ৰজনাৰী।

বোলিতে কমল নয়নে ঝুৰে বাৰি।।

**ৰাগঃ।। ভূপালি।। তালঃ খৰমান**

ধ্ৰুং– নাৰে নয়নক নিন্দ নাহি অন্ন পান।

হৰি বুলিতে তেজয় যৈচে প্ৰাণ।।

পদ– মোহে চৰণ মনে ধৰি ঝুৰে নীৰ।

তাহেৰ দুখ শুনি চিত্ত নোহে থিৰ।।

এ উদ্ধৱ শুন গোপিনীক দুখ।

তনু মন ঝামৰ মলিন ভেলি মুখ।।

কহবি বিনয় বাণী গোপিনীক আগ।

কয়লহ বশ্য মোহে প্ৰেম অনুৰাগ।।

নাহি ছাৰহোঁ সখি তাহেক সন্নিত।

তাপ তেজহু অৱ থিৰ কৰা চিত্ত।।❍

## ৩৩।। ৰাগঃ।। ধনশ্ৰী।। তালঃ একতালি

ধ্রুং– কি কহবো উদ্ধৱ কি কহবো প্ৰাণ।

গোৱিন্দ বিনে ভয়ো গোকুল উছান।।

পদ– শূন্য ভেল অঙ্গিনা বিৰিন্দা বিপিন।

না শোহে ৰজনী যৈচে চান্দবিহীন।।

নাহি চাৰব ধেনু কালিন্দী কূল।

আৰ না শুনবোঁ বেণু কদম্বক মূল।।

মথুৰা ৰহল সব্ৰ গোপিনীক পিউ।

কেশৱ বিনে কৈছে ধৰবহোঁ জীউ।।

## ৰাগঃ।। ধনশ্ৰী।। তালঃ পৰিতাল

ধ্রুং– ৰে সোই গোপাল পিয়াৰুঃ
মেৰি প্ৰাণ আধাৰু।
মধুপুৰী ৰহে দহে জীউ হামাৰু।।

পদ– গোকুলক মাণিক কানু নৱ নিধি।

হাতে হৰল নিকৰুণ বঙ্ক বিধি।

চান্দ বিনে ৰয়নি শোহনি কিছো নোহে।

হৰি বিনে বিৰিন্দা বিপিন নাহি শোহে।।

## ৰাগঃ।। ধনশ্ৰী।। তালঃ একতালি

ধ্রুং- মাই মাধৱ-বিৰহে        হৰয় চেতন তনু

জীৱন না ৰহে।

পদ- চান্দ চন্দন মন্দ মলয় সমীৰে।

কেশৱ বিনে বিষ বৰিশে শৰীৰে।।

ঘন ঘন হানয় মদন পাঞ্চবাণ।

কোকিল কুঁহু কুঁহু লেহু মেৰি প্ৰাণ।

পঙ্কজ পাত অহিত হিম বাৰি।

মধুকৰ নিকৰ কৰয় মহামাৰী।।

ঐচন সময়ে মধুপুৰী পিউ প্ৰাণ।

কৃষ্ণ কিঙ্কৰ ৰস শঙ্কৰ ভাণ।।❍

**৩৪।। ৰাগঃ।। অহিৰ।। তালঃ একতালি**

ধ্রুং- গোৱিন্দ গুণ মন লাগি।

সুমৰিতে তনু দহে আগি।।

পদ- মধুপুৰী মাধৱ পিউ।

কৈছে ধৰবোঁ অৱ জীউ।।

নিশি সৱ বঞ্চোহোঁ জাগি।

ভেলি মাধৱ বধভাগী।

**ৰাগঃ।। অহিৰ।। তালঃ জতি**

ধ্রুং- উদ্ধৱ বন্ধু মধুৰিপু প্ৰাণ হামাৰি

জীৱ হামাৰি

মধুপুৰী পাৱত পুনু নাৱতঃ

কত সহবি বিৰহ কুমাৰি।।

পদ- কৈছে কেশৱ পুনু পায়।

দুখ মেৰি মোচন ৰাজীৱ লোচন

চৰণ নাহেৰি জীৱ যায়।।

কহে মোহে কানুক বাতে।

নন্দ নন্দন পুনু পাৱব গোপপুৰী

পৰশি জীয়াৱব হাতে।।

**ৰাগঃ।। অহিৰ।। মান- চোক**

ধ্রুং- কহ উদ্ধৱ জীউ।

কৈচন ছাড়ল গোষ্ঠঃ কৃষ্ণ প্ৰাণ পিউ।

পদ- পতি সুত সুহৃদ সবহু অভিলাষা।

ছোড়ি কয়লোঁ কৃষ্ণ চৰণক আশা।।

তৱহু ৰহলি মেৰি বন্ধু মধুপুৰী।

নিকৰুণ কানু নাৱে অৱহু বহুৰি।।
ব্ৰজকু জীৱন ধন ৰে নন্দকু কুমাৰ।
বিছুড়ল পুৰুবক সুনেহা হামাৰ।।
কৈছে ধৰবো অৱ ব্ৰজ বধু প্ৰাণা।
কৃষ্ণ কিঙ্কৰ ৰস শঙ্কৰে ভাণা।।❍

**৩৫।। ৰাগঃ।। আশোৱাৰী**

ধ্ৰুং– বেসায়ো ভাৰস্ত হাটে আউৰ বেলি নাটে।
চলিতে নিকটে ভয়ো ভৰা দিয়া ঝাণ্টে।।
পদ– ভাৰত হাটত আছে অনেক দোকানী।
নিচিনি কিনিলে পুনু মিলিবে বিঘিনি।।
যাতে তাতে নথাকয় হৰিভক্তি ৰত্ন।
মহন্ত দোকানী ৰাখে কৰি মহাযত্ন।।
সাধু দোকানীৰ সঙ্গে কৰিয়া যতন.
যাৱে বেলি তাৱে লেহু ৰাম নাম ৰতন।।
ভাৰত হাটত নৰ নাৱ পচি যাই।
হুয়ো সাৱধান কৃষ্ণ কিঙ্কৰে গায়।।❍

# সমাপ্ত

**জয় গুৰু শঙ্কৰ**

মহাপুৰুষ মাধৱদেৱ প্ৰণীত

# বৰগীত

# BARGEET

(The Śaṅkarī Classical (Bhakti) songs)

composed by

## MAHĀPURUṢA MĀDHAVADEVA

## শ্ৰীকৃষ্ণায় নমঃ

### ১।। ৰাগ ।। আশোৱাৰী

ধ্ৰুং- ৰে মন সেৱহু হৰিকহুঁ চৰণা
নিকটে দেখহু নিজ মৰণা।
দেখত হৰিকহুঁ চৰণ শৰণ বিনে
নাহি নাহি ভৱ ভয় তৰণা।।

পদ- চাৰিবেদ পুৰাণ যত ভাৰত
গীতা ভাগৱত চাই।
ওহি সাৰ বিচাৰ কয় ভাসত[১]
হৰি বিনে তাৰক নাই।।
সনক সনাতন মুনি শুক নাৰদ
চতুৰ বয়ন শূলপাণি।
সহস্ৰবয়ন[২] আদি গাৱত হৰিগুণ
সকল নিগম তত্ব জানি।।
কৃষ্ণ নাম যশ পৰম অমিয়া ৰস
গাৱত[৩] মুকুত নিঃশেষং[৪]।
পৰম মুৰুখমতি কহয় মাধৱ দীন
শঙ্কৰ গুৰু উপদেশং[৫]।।

পা.- ১। ভাষত ২। সহস্রনয়ন ৩। পিৱত ৪। নিশেষ
৫। উপদেশ

**২।। ৰাগ ।। আশোৱাৰী**

ধ্রুং – হৰিপদ পঙ্কজ পঞ্জৰ মোই।
তামহ ৰহু ৰাজ হংসা হোই।।

পদ – ৰয়নী দিৱসে লিজঞু ৰাম নামা।
প্রপন্নজনাশনি পঞ্জৰ ৰামা।।

আৱত কাল ভুজঙ্গম[1] গৰজি।
হৰি পদে শৰণ লেহু সৱ বৰজি।।

মাধৱ দাস দীন হীন মতি।
কহতু ৰাম চৰণ দুহোঁ গতি।।

পা.- ১। ভুৱঙ্গম

**৩ ।। ৰাগ ।। আশোৱাৰী**

ধ্রুং – ৰাম গোসাঞি কৰহু[1] গোহাৰি।
ৰহু হৃদি পঙ্কজ ঠাম হামাৰি।।

পদ - মায়া ছোড়ি ভকতি কৰু দানা।

করোঁ তুৱা চৰণ পঙ্কজ[২] মধু পানা।

মাধৱ দাস কহয় ৰাম তেৰা।।

যাহাঁ যাহাঁ চৰণ তাহাঁ[৩] শিৰ[৪] মেৰা।

পা.-১। কৰোহোঁ ২। কৰোহো চৰণ পঙ্কজ ৩। তাহে ৪। শিৰো

**৪।। ৰাগ ।। আশোৱাৰী**

ধ্রুং – ৰামক বাণী জপহু মন ভাই।

কলিক[১] কালে আৱৰ গতি নাই।।

পদ – যাকেৰি বয়নে ৰহত[২] ৰাম বাণী।

তাকেৰি চৰণ ৰেণু লেহু জানি।।

ৰাম চৰণ যোহি কৰত উপাসা।

তাকেৰি হোঁ হামু দাসকু দাসা[৩]।

মাধৱ দাস মুৰুখমতি গাই।

ৰহু মন ভকত চৰণ ৰেণু লাই।।

পা. – ১।কলিকো ২।ৰহতু ৩। তাকেৰি হো হামু দাসা

## ৫।। ৰাগ ।। আশোৱাৰী

ধ্রুং – চিন্তহ গোৱিন্দ মন মেৰি ভাই।
হৃদয় পঙ্কজে ৰহু ৰাম গোসাঞিঁ।।

পদ – জগজন জীৱন ৰহু হৃদি ৰামা।
কোটি[১] কল্পতৰু পূৰণ কামা।।
মাধৱ দীন[২] কহয় মন মোয়ি।
ৰাম বিনে নাহি বান্ধৱ কোই।।

---

পা. – ১। কৌটি ২। দাস

## ৬।। ৰাগ ।। আশোৱাৰী

ধ্রুং – মঞিঁ সেৱোহোঁ[১] ৰাম চৰণ দুজা।
কাহে কৰোহোঁ[২] হামু আৱৰ পূজা।।

পদ – ঘটে ঘটে ৰাম বিয়াপক হোই।
আতমা ৰাম বিনে নাহি কোই।।
চৈতন্য ছোড়ি কাহে জড় সেৱা।
ৰাম বিনে নাহি আৱৰ দেৱা।।
মাধৱ কহয়[৩] শুনহ নৰ লোই।
ৰাম বিনে কতি মুকুতি নাহোই।।

পা.- ১। সেৱহুঁ ২। কৰহুঁ ৩। কহয় মাধৱ

**৭।। ৰাগ ।।ধনশ্ৰী**

ধ্ৰুং – নাৰায়ণ মায়া জানব কোই।

সুৰপতি চতুৰবয়ন মুনি শঙ্কৰঃ

চিন্তিতে আকুল হোই।

পদ – অঘট ঘটন পটু চাতুৰী যো নিত

অনিত সমান সৱ হোই[1]।

যতয়ে অনিত নিত সম ভাসত[2]

ঐচন চাতুৰী হৰি তোই।

কোই কোই সাঞ্চা[3] কোই কোই মিছা

কবহুঁ নিয়ত নাহি জানি।

সাঞ্চা[4] মিছা সমান কয় মানত[5]

মোহ কৰত বেদ বাণী।।

সাঞ্চা[6] মিছা কিছুৱে নাহি জানত

মুৰুখ পামৰ মতিহীন।

যাহা যাহা গতি মতি[7] তুহুঁ[8] কমলাপতি

কহতু মাধৱ দাস দীনা।।

---

পা.- ১। অনিত সমান জো হোই ২। ভাষত ৩,৪,৬। সঙ্কা ৫। ভাষত ৭। যাহা গতি মতি ৮। তোহে

**৮।। ৰাগ ।। ধনশ্ৰী**

ধ্রুং – নাৰায়ণ মঞিঁ তেৰি দাসকু দাসা।
ভৱভয় তাপে তাপিত মন।
তোহাৰি চৰণে কৰোহোঁ হামু আশা।।

পদ – কামিনী কনক লুবুধমতি পামৰ
ভোলে পড়ল মন[১] মেৰা।
ৰূপ ৰস পৰশ শবদ গন্ধে আকুল
কৰহুঁ[২] ভকতি নাহি তেৰা।।
ক্ষণিক জীৱন ধন যৌৱন জায়া
বিৰকতি তবহু নাহোই[৩]।
দংশিত কাল ভুজঙ্গম অঙ্গা
জানি শৰণ লেহোঁ[৪] তোই।।
বৈৰী কাম কোৰোধ মদ মৎসৰ
তা সনে ৰতি মতিহীনা।

পতিত পাৱন হৰি         তুহু[৫] বহি[৬] নাহি আৰ

কহতু মাধৱ দাস দীনা।।

---

পা.- ১। মতি ২। কবহুঁ ৩। ন হোই ৪। লেলো ৫। তোহো  ৬। বিনা

## ৯।। ৰাগ ।। ধনশ্ৰী

ধ্ৰুং – হৰি পদ পঙ্কজ মেৰি মনাই।

চিত্ত চিন্তহু হৃদি মিলাই।।

পদ – দুখ ভঞ্জন ভৱ তৰণী।

হৰি ভকতৰ এ চিন্তামণি।।

হৰি চৰণ শৰণ বিনা।

গতি নাহি নাহি মতিহীনা।।

সুৰ শংকৰ যা কুৰু সেৱা।

দেখো১ সো পুনু দেৱক দেৱা।।

দীন মাধৱ মুৰুখ মতি।

কহে হৰিসে পৰম গতি।।

---

পা.- ১। দেখস

## ১০।। ৰাগ ।। মাউৰ (মাহুৰ)

ধ্রুং – হামাৰু ৰাম চৰণে মন লাগু।
মায়াময় সয়ল দুনিয়াই
জানি ভৰম তেজি জাগু।।

পদ – ধন জন জীৱন যৌৱন জায়া
কায়া ঐ সৱ[১] ধান্ধা।
যৈচন বিজুৰী উজুৰি মিলাৱত
তাহে নাহি দেখো আন্ধা।।
হৰি পদ পঙ্কজ ভৱভয় ভঞ্জন
তাহে চিন্ত চিত্ত লাই।
হৰিকহু চৰণ পঙ্কজ ৰজ কিঙ্কৰ
মাধৱ দীন গুণ গাই।।

---

পা.– ১। এ সৱ

## ১১।। ৰাগ ।। মাউৰ (মাহুৰ)

ধ্রুং – হৰিকো[১] নাম নিগমকু সাৰ।
সুমৰি আতি অন্ত্য জাতি
পাৱত ভৱ নদী পাৰ।।

পদ– পাপী অজামিল : হৰিকো সুমৰি : নাম আভাস।

অতৱে কৰ্মক : বন্ধ ছোড়ি পাৱল[২] : বৈকুণ্ঠ বাস।।

জানি আহে লোক : হৰিক নাম[৩] : কৰু বিশোৱাস[৪]।

সকল বেদক তত্ত্ব : কহয় মূৰুখ : মাধৱ দাস।।

---

পা.- ১।হৰিকু ২।পাৱত ৩।নামে ৪। বিশ্বাস

## ১২।। ৰাগ ।। গৌৰী

ধ্রুং – কমনে বিছুড়ি মন ৰহু ৰাম ৰায়া।

ভাৰত বৰিষে মানৱী তনু পায়া।।

পদ – দেৱে নাহি তনু মানৱী পাই[১]।

জনম চিন্তামণি হাতে হৰাই[২]।।

জানি ৰাম চৰণে কৰু আশা।

কহতু মাধৱ হৰি দাসকু দাসা।।

---

পা. ১। পায় ২। হৰায়

## ১৩।। ৰাগ ।। গৌৰী

ধ্রুং – ৰাম[১] পৰম ধন চিন্তহুঁ মন ভাই।

তনু চিন্তামণি বিফল হি যাই।।

পদ – বিষয়ক[২] সুখ শূকৰকহু[৩] পাই।

হৰি পদ সেৱা মানৱী বিনে নাই।।

ঝুণ্টা ঐচন জনম গঞাঁই[৪]।

বিষয় কাচক মোলে[৫] মাণিক বিকাই।।

ওহি পৰম তত্ব বেদক বাণী।

কহয় মূৰুখমতি মাধৱ জানি।।

---

পা. ১। নাম ২। বিষয়ৰ ৩। শূকৰ সঙ্গে শূকৰী ৪। গৱাঁই; গোৱাঁই ৫। তনু

**১৪।। ৰাগ ।।ধনশ্ৰী**

ধ্ৰুং – হৰি গুণ কৈছে বিছুড়ি মন ৰে।

এ ভৱ সাগৰে তেৰি তাৰক কে[১]।।

পদ – নিগম নিগুঢ় বাণী হৰি গুণ সাৰু।

তাহে বিছুড়ি ভৱ তৰয়ে নপাৰু।।

কলি কলমস ঘোৰ পয়োধি মনাই।

বিছুড়ি গোবিন্দ গুণ তাৰেক নাই।।

কহয় মাধৱ দাস দীন হীনমতি।

ইহ পৰলোকে মেৰি গোৱিন্দ গতি।।

---

পা. ১। ৰে

## ১৫।। ৰাগ ।। আশোৱাৰী

ধ্রুং – হৰিপদ মোহোৰ পৰম ধন।

তাহে কমনে ৰহু বিছুড়ি পামৰু মন।।

পদ – হৰি পদ পঙ্কজ ভৱভয় ভঞ্জন ৰে।

ভকত জনৰ নিজ ধন মন ৰঞ্জন ৰে।।

অভয় চৰণ দুহোঁ সুৰাসুৰ বন্দন ৰে।

এতিনি[1] ভুৱনপতি গোপ নন্দ নন্দন[২] ৰে।।

অসাৰ সংসাৰ সব্ধ ধন জন জীৱন ৰে।

কহতু[৩] মাধৱ দীন ধন মোৰি নাৰায়ণ ৰে।।

---

পা. ১। ই তিন ২। ভুৱনপতি নন্দ নন্দন ৩। কহত

## ১৬।। ৰাগ ।। ধনশ্ৰী*

ধ্রুং – নাৰায়ণ কে গুণ জানব তোই।

কৰহু কৰুণা নাথ মোই[১]।।

পদ – সহস্র বয়নে গুণ গাৱত ভিনেভিন[২]

বয়নে কৰত বখানা।
তোহাৰি নামগুণ যশ মহিমাক
তবহু নাহি অন্ত[৩] জানা[৪]।।
মহামুনি চতুৰ বয়ন সুৰ শংকৰ
মোহিত যাকেৰি মায়া।
চাৰিবেদ বিচাৰ কয় আৱত
যাকেৰি অন্ত নপায়া।।
সনক সনাতন আদি যোগী জন[৫]
যাকেৰি মহিমা নজানা।
হামু মূৰুখ মতি কমনে জানবোঁ[৬] হৰি
গতি তুহু মাধৱ গানা।।

---

পা. ১। কৰহু কৰুণা নাথ অধম মোই ২। ভিন ভিন ৩। অন্ত নাহি, ৪। পানা ৫। গণ ৬। জানব
*এই গীতজনা হৰিনাৰায়ণ দত্ত বৰুৱা সম্পাদিত পুথিত পোৱা নাযায়।

**১৭।। ৰাগ ।। ধনশ্ৰী* (মতান্তৰে–আশোৱাৰী)**

ধ্ৰুং – নাৰায়ণ মাগো চৰণে ৰতি তেৰা।

এ তিনি[১] ভুৱনে তুমহি বৰ ঠাকুৰ।।

নাহি জানত মতি মেৰা।।

পদ – ভুৱনে চতুৰদশ কায়া ফিৰত মেৰি

বেৰি বেৰি অন্ত নাহোই।

তাৰু তাৰু তাৰু ইবেৰি নাৰায়ণ

থোড়ে কৰুণা কৰু মোই।।

সয়ল পাপী মহ হামু অধিক তম

কমনে তৰিতে মেৰি আশা।

কহয় মাধৱ হৰি তুহোঁ[২] পতিত গতি

ওহি মৰি পৰম ভৰসা।।

---

পা. ১। ই তিনি, ২। তুহুঁ

*হৰিনাৰায়ণ দত্ত বৰুৱা সম্পাদিত পুথিত এই গীতজনা ৩৫ সংখ্যক বুলি চিহ্নিত।

## ১৮।। ৰাগ ।। ভাটিয়ালী*

ধ্রুং – মঞি[১] পাপী কমনে তৰিবোঁ হৰি ৰে

তুমি কৰুণা না কৰ মোৰে।

পাপমতি মন বাসনা নছাড়ে

মজিলোঁ সংসাৰ ঘোৰে।।

পদ – নয়না[২] কামিনী ৰূপ নছাড়য়

ৰসনা এ ষড়ৰস।

গীত মধুৰ ধ্বনি শ্ৰৱণে[৩] নছাড়য়

চৰমে সুখ পৰশ।।

সুগন্ধ শীতল নাসায়ে নছাড়য়

কনক কামিনী মনে।

লোভ মোহ কাম ক্ৰোধ মন মান

ন ছাড়ে এ সৰ্ব্বক্ষণে।।

ইৰিষা অসূয়া হিংসা পৈশুন্য

না গুচে এ তিলে তিলে।

তনুক বেঢ়ি[৪] তিলে তিলে ধৰি

কাল অজগৰে গিলে।।

ভৈলোঁ অচেতন তোহ্মাৰ চৰণ

বিনে নাহি আন গতি।

শীতল চৰণে পশিলোঁ শৰণে

মাধৱ মূৰুখমতি।।

---

*হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত পুথিত 'ৰাগ-শ্ৰী' বুলি উল্লেখিত।

পা. ১। মই ২। নয়ন ৩। শ্ৰৱণ ৪। বেঢ়িয়া

## **১৯।। ৰাগ ।। ভাটিয়ালী** (মতান্তৰে ধনশ্ৰী)

ধ্রুং কিৰিষি কৰ আলো মনাই

হৰি চৰণ সেৱা পৰম সুখে।

যতন কৰিয়াঃ হৰিৰ নাম

সদায় ভাৱিও সুখে১

পদ – অৰুণ বৰণঃ হৰিৰ চৰণঃ

সদায় চিন্ত মনে।

খৰে নামাৰেঃ বানে নেনেঃ

ফলে ছনেবনে।।

হেন কিৰিষিঃ তেজিয়া মনাইঃ

কোন কিৰিষি কৰ।

খৰে মাৰিবেঃ বানে নিবেঃ

দুখ পায়া কেনে মৰ।।

ভাল খেত থানিঃ হৰিৰ চৰণঃ

বতৰ বান্ধিয়া লৈয়ো।

যেমনে বুলিঃ তেমনে হয়ঃ

যতন কৰিয়া বৈয়ো।।

হৰিৰ চৰণেঃ যি শষ্য বুলিঃ

সকলে অৱিনাশী।

যত খুজিঃ তত পাইঃ

এ বৰ কিৰিষি।।

সৱ তেজিয়াঃ লৈয়ো মনাইঃ

সন্তেৰ সঙ্গতি।

তেৱেসে কিৰিষিঃ ফলে কহয়ঃ

মাধৱ মূৰুখমতি।।

---

পা. ১। ভাষিও মুখে

## ২০।। ৰাগ ।। ধনশ্ৰী

ধ্রুং – হৰি গুণ গাৱত মেৰি মনাই।
সুখে ভকত সঙ্গ মিলাই।।

পদ – পতিত পাৱন হৰিৰ নাম।

তাহে লেহু মুহে[১] অৱিৰাম।।

হৰি গুণ অমিয়া মাধুৰী ঝুড়ে।

ভকতজন মনোৰথ পূৰে।।

সকল নিগম বিচাৰি বিধি।

কহল হৰি বিনে নাহি সিদ্ধি।।

কহে[2] মাধৱ মূৰুখ দীনা।

গতি নাহি নাহি হৰি বিনা।।

---

পা. ১। মুহে লেহু ২। কহয়

## ২১।। ৰাগ ।। ধনশ্ৰী

ধ্রুং – পামৰু মনাই কমনে হৰিৰ নাম ৰহলি বিছুড়ি।

কবহু চলিতে ৰে লাগয় যম পুৰী।।

পদ – কাহাঁ গয়ো মাতা পিতা কাহাঁ গয়ো ভাই।

ধন জন কাহাঁ গয়ো সুহৃদ মনাই।।

কমনে নাপেখো মন আপুনি মৰণা।

নিশ্চয়ে চলিতে লাগে যমৰ কৰণা।।

ৰাম[১] সুমৰিতে ছুটে অন্তকেৰি দায়।

উত্তম অমৰু[২] পদ ঠামহি মিলায়।।

কহয় মাধৱ দাস দীন মতিহীনা।

এ ভৱ তৰণী নাহি ৰাম নাম বিনা।।

---

পা. ১। নাম ২। অমৰ

## ২২।। ৰাগ ।। ভাটিয়ালী

ধ্রুং – ব্যৱসা কৰিয়ো ভাই হৰিৰ চৰণ ধন সাৰ।

করুণ চৰণ বিনে ধন নাহি আৰ।।

পদ – ব্যৱসা কৰিতে পাইলা নৰতনু নাৱ।

যাৱে নাই পচে নাৱ মাণিক বেসাৱ।।

ৰত্নেৰ পাইলা দ্বীপ ভাৰতে আসিয়া।

লৈয়ো ৰাম নাম ভাই মাণিক বাছিয়া।।

কৰিও ব্যৱসা হৰি ভকতৰ কাছে।

ৰাম নাম ৰত্নেৰ ভাণ্ডাৰ মেলি আছে।।

যতন কৰিয়া লৈয়ো ভাই[১] যাৰ[২] যত লাগে।

শীঘিৰ কৰিয়া ভাৱ ৰাম[৩] ভৰা হাট ভাগে।।

সংসাৰ তৰিতে লাগে নাৱ পচে ঘাটে।

চলিতে নিকট ভেল[৪] ভৰা দিয়ো ঝাণ্টে।।

যি নৰ চতুৰ মুখে ৰাম নাম ধৰ।

মূল ৰাখি লাভ কৰি ভৱ নদী তৰ।।

ৰাম নাম লৈয়া আন আশা কৰ দূৰ।

মিছা দিয়া[৫] সাঞ্চা[৬] লৈয়া তেৱেঁসে চতুৰ।।

ৰাম নাম ৰত্নে ভৰা দিয়ো তনু নাৱ।

হৰি গুণ গায়া যমেৰ ঘাটি মাৰি যাৱ।।

ভকতৰ ধন হৰি নাম নৱনিধি।

চাৰি বেদ বিচাৰিয়া কৈয়া আছা[৭] বিধি।।

কহয় মাধৱ দাস দীন মতিহীনা।

আন ধন অকাৰণ ৰাম নাম বিনা।।

---

পদ. ১। 'ভাই' অনুপস্থিত ২। যাক ৩। 'ৰাম' অনুপস্থিত
৪। ভয়ো ৫। দিয়ো ৬। সঞ্চা ৭।আছে

## ২৩।। ৰাগ ।। ভাটিয়ালী

ধ্রুং – মোকে দিখিয়া না কেন আহে[১] জগন্নাথ
মঞি[২] বৰ পাপেৰ পাপী।
সংসাৰ কূপত পৰিয়া তোহ্মাৰ
চৰণে নধৰোঁ চাপি।।

পদ – কত তপসাই নৰ তনু পাই
গোঁৱাইলো[৩] বিষয় ভোলে।
যেন চিন্তামণি অনূল্য ৰতন
বিকাইলোঁ কাচেৰ মোলে।।
দেৱে নাহি পায় মানৱী হুইবাৰ[৪]
মঞিঁ[৫] পাপী আসিয়া পাইলোঁ।
তোহ্মাৰ ভকতি অমিয়া তেজিয়া
বিষয় গৰল খাইলোঁ।।
লোভ মোহ কাম ক্ৰোধ মদ মান
ঐ[৬] সব বৈৰীৰ সঙ্গে।
আপুনি[৭] ইচ্ছায় পাপ আচৰিয়া
বেড়াইলোঁ মনত ৰঙ্গে।।

পৰ তিৰী পৰ ধনেৰ আশায়
সদায় আকুল ভৈলোঁ।
তুমি মহা ধন তোমক নাসেৱি
জনম বিফল কৈলোঁ।।
আয়ু[৮] আলে জালে গৈল পাইলে কালে
প্ৰাণ কোন দিন পড়ে।
যমেৰ যাতনা শুনিয়া হৃদয়
কম্পিত হইলোঁ বড়ে।।
তোহ্মাৰ অভয় চৰণে শৰণ
বিনে নাহি আন গতি
তুমি দায়াময় জানিয়া কহয়
মাধৱ মূৰখ মতি।

---

পা. ১। ওহে ২। মই ৩। গঁঞাইলো; গৱাইলো ৪। হইবাৰ
৫। মই ৬। ই ৭। আপুন ৮। দেহা

## ২৪।। ৰাগ ।। ভাটিয়ালী

ধ্ৰুং – মোৰ পতিত পাৱন প্ৰভুহৰি হেৰো ৰে বাপ
কিনো গতি হইল[১] আহ্মাৰে।[২]

দুৰ্ল্লভ লভিয়া পুনু ভাৰতে মানৱী তনু[৩]

নাম লৈতে নপাৰোঁ তোহ্মাৰে[৪]।।

পদ– স্থাৱৰ জঙ্গম যত কীট পশু পতঙ্গত

জনমিলোঁ কত নাহি সীমা।

চতুৰাশী নৰকত পাইলোঁ দুখ নানামত

নজানিয়া তোহ্মাৰ মহিমা।।

জানো ভৈল তুৱা দায়া তাতেসে মানৱী কায়া

পাইলোঁ তাৰে বিড়ম্বিল বিধি।

কিনা মঞি বুদ্ধিনাশা বিষয়ে কাঁচেৰ আশা

হাতৰে[৫] হৰাইলোঁ নৱনিধি।।

কিনা ভৈলোঁ বিয়ামোহ আচৰিলোঁ তুৱা দ্ৰোহ

ইসে মোৰে পাইল[৬] বৰ দুখে।

তুৱা ভকতৰ পদ ৰেণু সেৱা নাকইলোঁ[৭]

তুৱা নাম নলৈলোহোঁ মুখে।।

বয়স গোৱাইলোঁ হেলে তুৱা ভকতৰ মেলে

তুৱা কথা নুশুনিলোঁ কাণে।

ওহি অপৰাধে জানো[৮] নিয়া মোৰে যমৰাই

বড় ৰাগে মাৰিবে পৰাণে।।

শুনিতে শুনিতে চিত্ত কৰিতে নপাৰোঁ থিৰ[৯]

কিনা গতি হইবেক মৰণে।

তুৱা ভকতৰ বাণী শুনি মনে অনুমানি

তুৱা পদে পশিলোঁ শৰণে।।

কৰা কৃপা কৃপাময় সদায়ে যিমতে ৰয়

তুৱা নাম সন্তেৰ সঙ্গতি

নাকৰিও মোৰে নাশ ভৈলোহোঁ দাসেৰ[১০] দাস

কহয় মাধৱ মূঢ়মতি।।

---

পা. ১। ভৈল, ২। আমাৰে, হামাৰে, ৩। দুৰ্ল্লভ মানৱী/মনুষ্য তনু ভাৰতে লভিয়া পুনু, ৪।তোমাৰে, ৫। হাততে, ৬। পাইলে, ৭। নকৰিলোঁ, ৮। ধৰি, ৯। থিত, ১০। দাসৰ, দাসৰো।

## ২৫।। ৰাগ ।। তুড়-ভাটিয়ালী

ধ্রুং- তাৰিয়ো তাৰিয়ো তাৰিয়ো যদুমণি।[১]
মজিলোঁ এভৱ[২] সিন্ধু তোহ্মাক[৩] নজানি।।

পদ- এভৱ সাগৰ মাঝে পৰি হামু ভাসি।

কাম ক্রোধ কুম্ভীৰ মগৰে গিলে আসি।।

শোক মোহ ভয় মহাপাকে[৪] তল কৰে।

তৃষ্ণা তৰঙ্গে পায়া সৱশ্ৰুতি হৰে।।

চিন্তা নাম বাড়ৱ আগনি শোষে প্ৰাণ।

নাহিকে তৰণি তুৱা পদ বিনে আন।।

জানিয়া তোহ্মাৰ[৫] পাৱে পশিলো শৰণে।

কহয় মাধৱ গতি অৰুণ চৰণে।।

---

পা. ১। এ নাথ তাৰিয়ো তাৰিয়ো যদুমণি ২। মজিলোহো ভৱ ৩। তোমাক ৪। মহাপঙ্কে ৫। তোমাৰ

**২৬।। ৰাগ ।। তুড়-ভাটিয়ালী**

ধ্ৰুং- কেমনে[১] পাইবোঁ হৰি চৰণ তোৰে।

এ দুখ সাগৰে উদ্ধৰ[২] মোৰে।।

পদ- এ ভৱ আটোপ অৰণ্য মাঝে।[৩]

কাল ব্যাধে মৃগ মাৰিতে সাজে।।

হামু পশু মায়া জালত বন্দী।

নাহি দেখোঁ হাম্মি[৪] পলাইতে সন্ধি।।

কাম ক্ৰোধ কুত্তা কামুৰি খায়।

বিষয় বিষ লাগি এ জীৱ যায়।।

ৰূপ ৰস আদি এ পঞ্চ বাণে।

হৃদয় মাজে হমু ফুটালোঁ[৫] টানে।।

পাপ পূণ্য ভৈল এ বড় ডোড়া।[৬]

গলাৰ মাঝে ছান্দি বান্ধিল মোৰ।।[৭]

কাল ব্যাধে ধৰি লৈ যাই টানি।।

ৰাখু ৰাখু মোকে[৮] সাৰঙ্গপাণি।

কালেৰ কাল তুমি সায়েব[৯] হৰি।

নাহি নাহি আৰ[১০] তোহ্মাত[১১] সৰি।।

জানিয়া শৰণ লৈলোঁ তোহ্মাৰ[১২] পায়[১৩]।

দীন মাধৱ দাসে এ ৰস গায়।।[১৪]

---

পা. ১। কমনে ২। উদ্ধাৰা, উদ্ধাৰ ৩। মাজে ৪। নাহি নাহি দেখাঁ ৫। ফুটলোঁ, ফুটলি ৬। ডোড়ে ৭। মোৰে ৮। মোৰে ৯।চাহেব ১০।আন ১১। তোমাত ১২।তোমৰা ১৩।পাৱে ১৪।গাৱে।

**২৭।। ৰাগ ।। বসন্ত**

ধ্রুং- গোপীনাথ জগজীৱ স্বামী ৰাম সেৱহুঁ[১] তোই

হৰি কৰহু কৰুণা নাথ মোই।।

পদ- কলিযুগে নৰতনু ভাৰতে পায়া পুনু

তুৱা গুণ নাম নাহি লিঞো।[২]

পৰম অমিয়া ৰস তেজি তুৱা নাম যশ

বিষয় গৰল হামু পীঞো।।[৩]

দুৰ্জ্জন মনেৰ সঙ্গে পাপচয় কৈলোঁ ৰঙ্গে

নাকইলো[৪] তোহ্মাৰ[৫] ভকতি।

লোভ মোহ কাম ক্ৰোধ মদ মান ৰিপু সঙ্গে

মজিলোঁ সংসাৰে মূঢ়মতি।।

পতিত পাৱন প্ৰভু তুৱা পদ পঙ্কজ

তাহে শৰণ লেহোঁ[৬] জানি।

তুৱাজন সঙ্গে নাম ৰহু মুহে অৱিৰাম

কহতু[৭] মাধৱ পৰমাণি।।

---

পা. ১।সেৱহোঁ ২।লিজোঁ, লিঞু ৩। পিয়ো ৪।নকৰিলো ৫। তোমাৰ, তোমাত ৬। লেহু ৭। কহত, কহয়।

## ২৮।। ৰাগ ।। বসন্ত

ধ্ৰুং- কা কৰু মনুৱা বিষয় বিলাস।

দুৰ্ল্লভ মানৱী[১] তনু পুনহু[২] নাপাস।।

পদ- ভাৰতে মানৱী তনু তৰণী উপাম।

দেহু[৩] ভৰা কলিকো ধৰম হৰি নাম।।

গুৰু কেৰুৱালি[৪] ৰাম অনুকূল বাৱ।
হৰি গুণ গায়া ভৱ সাগৰ কুলাৱ।।
আশা সকল গৰল কৰু[৫] দূৰ।
নাম অমিয়া পানে মন কৰু[৬] পূৰ।।
কহয় মাধৱ দাস গতি নাহি আন।
সজ্জন জনেৰ সঙ্গ লেহু অগিয়ান।।

পা. ১।মনুষ্য ২।পুনুহো ৩।দেহ ৪। কেৰোৱালী ৫।কৰো, কয় ৬। কৰো।

## ২৯।। ৰাগ ।। বসন্ত

ধ্রুং– মন ভজহু কমলাপতি গতি কোই আন।
হৰি পদ সেৱা নিগম পৰমাণ।।
পদ– হৰি পদ যুগ সেৱা ভকতি নিশ্চয়।
ওহি মুকুতি হৰিপদকো লঙ্ঘয়।।
কমন মুৰুখে দাস ভাৱক তেজয়।
হৰি পদ লঙ্ঘি সুখ মুকুতি ইচ্ছয়[১]।।
জানি হামাৰি মন কৰু হৰি সেৱা।
নিত্য নিৰঞ্জন হৰি দেৱকু দেৱা।।

একান্তিক সুখ হৰি চৰণ উপাসা।
কহয় মাধৱ হৰি দাসকু দাসা।।

---

পা. ১। বাঞ্ছায়।

## ৩০।। ৰাগ ।। ভাটিয়ালী

ধ্রুং– মোকে কিনা মতি দিলে[১] গোপাল
তুমি অগতিৰ গতি।
এভৱ ভঞ্জন তোহ্মাৰ চৰণ
সেৱিতে নকৰোঁ ৰতি।।

পদ– আগম পুৰাণ শুনি যতমান
তুমি বিনে নাহি কয়।
তোহ্মাৰ চৰণ কৈলে সুমৰণ
ভৱ নিৱাৰণ হয়।।
এতেক জানিয়া মঞি মতি পামৰ
নাসেৱোঁ তোহ্মাৰ[২] পাৱ।
এভৱ সাগৰে মজিলোঁ পামৰে
ভষায়া[৩] শালেৰ নাৱ।।
দুৰিত সঞ্চিলোঁ[৪] আপুন[৫] বঞ্চিলোঁ

পশিলোঁ মনেৰ সঙ্গে।

অমিয়া বুলিয়া বিষয় গৰল

মঞি[৬] পাপী ভক্ষিলোঁ ৰঙ্গে।।

তোহ্মাৰ ভকতি অমিয়া মাধুৰী

তাৰে না কৈলোঁ আশা।

জানিলোঁ যমেৰ যাতনা ভুঞ্জিয়া

নাশিলোঁ এ বুদ্ধিনাশা।।

তুমি প্ৰিয়তম আতমা পৰম

সুহৃদ এ নিজ দেৱ।

শাসন নাশন কাৰণ আৱৰ

তুমি বিনে নাহি কেৱ।।

জানিয়া তোহ্মাৰ[৭] অভয় অৰুণ

চৰণে শৰণ লৈলোঁ।

কহয় মাধৱ তোহ্মাৰ[৮] দাসেৰ

দাস অনুদাস ভৈলোঁ।।

---

পা. ১।দিলা ২।তোমাৰ ৩।ভাৰায়া ৪।সাঙ্গিলো ৫।আপুনি
৬।মই ৭,৮।তোমাৰ।

## ৩১।। ৰাগ।। ধনশ্ৰী

ধ্ৰুং– নাৰায়ণ সেৱহোঁ[১] চৰণ তোহাৰি।

তুহুঁ বহি[২] আৱৰি সুহৃদ নাহি হেৰহোঁ[৩]

দায়া কৰৱ[৪] হামাৰি।।

পদ– তুহুঁ কৃপাল কৰুণাময় মানস

দায়া কৰু একুবাৰা।[৫]

নিগম নিগূঢ় সাৰ তেৰি নামা

ৰহু ভৰি বয়নে হামাৰা।।

ভকতি আনন্দ বিন্দু কৰু দানা

মোৰ[৬] যতনে তেজি আশা।

পয়ৰহি লাগি[৭] শৰণ একু মাগোঁ

দীন মাধৱ মতি নাশা।।

---

পা. ১।সেৱোহোঁ ২।বিন ৩।হেৰোহোঁ ৪।কৰহি, কৰহু
৫।একবাৰা ৬।মেৰি ৭।লাগোঁ।

## ৩২।। ৰাগ ।। শ্ৰী (মতান্তৰে–ধনশ্ৰী)

ধ্ৰুং– হৰি পদ কমনে বিছুড়ি ৰহু এ মন পামৰা।

হৰি বিনে ঝুণ্টা ওহি সয়ল সংসাৰা।।

পদ– হৰিসে আতমা নিজ বন্ধু মোই।
হৰি বিনে সুহৃদ আৱৰি[১] নাহি কোই।।
হৰি পদ সেৱা বিনে তেজু সৱ[২] কাম।
নিগম নিগূঢ় বিত্ত জপ হৰি নাম।।
কহয় মাধৱ মন ছোড়ি ভৱ পাশা।
ভকত সম্পদ হৰি পদে কৰু আশা।।

---

পা. ১।বান্ধৱ ২।আন।

## ৩৩।। ৰাগ ।। আশোৱাৰী

ধ্ৰুং– কৈচে গোৱিন্দ সেৱহোঁ[১] তোই।
চঞ্চল মন মেৰি থিৰ নাহি হোই।।
পদ– যৈচে পঙ্কজদলগত নীৰ।
বিষয় লুবুধ মন তৈচে অথিৰ।।
ছোড়ি পামৰু[২] মতি ৰতি তুৱা পায়।
ৰূপ ৰস পৰশ শবদ গন্ধে ধায়।।
কহয় মাধৱ হৰি কৰু মেৰি দায়া।
চৰণে শৰণ লেহোঁ[৩] ছোড়হ[৪] মায়া।।

---

পা. ১। সেৱহু ২।পামৰ ৩।লেহু ৪।ছাড়হ।

## ৩৪।। ৰাগ ।। মাউৰ (মাহুৰ)

ধ্রুং–    ৰে মন ৰাম চৰণ ৰতি লাৱত।

ঝুণ্টা বাত বিষয় বিষ ছোড়ি

ৰাম অমিয়া গুণ গাৱত।।

পদ– দুখ ইন্ধন মহ    বিষয় আমিষ ৰহ[১]

ওহি ভৱ গহন অনলা।

তেজু তথিয়ে আগ    কৈচন লালস

মানস মুগুধ বিড়লা।।

শুন পামৰু মন    মজি ৰহতু ঘন

হৰিৰস আনন্দ সিন্ধু।

কহয় মাধৱ ৰাম[২]    তেজু সকল কাম[৩]

ৰাম ভকত জন বন্ধু।।

---

পা. ১।ৰস ২।দাস ৩।আশ।

## ৩৫।। ৰাগ ।। আশোৱাৰী

ধ্রুং–    মজি ৰহু মেৰি মন হৰিগুণ আপাৰ[১]

আনন্দ সিন্ধু ৰস মাজে।

হৰি বিনে আন আশা কৰসি কমন কাজে।।

পদ- যোহি তনু আপুন মানসি[২] মন ভাই।

অন্তকালে সোহি সঙ্গহি নাযায়।।

সব্ৰ বাটোআৰা[৩] সুহৃদ নাম হোই।

ইহ পৰলোকৰ[৪] হৰত বিত্ত সোই।।

যত দেখ[৫] আৱৰি তনয় বিত্ত জায়া।

আৱা[৬] গমন কাৰণ সব্ৰ মায়া।।

কহয় মাধৱ শুন মেৰি মন আন্ধা।

হৰি বিনে আৱৰি[৭] ছোড়হু[৮] সব্ৰ ধান্ধা।

---

পা. ১।অপাৰ ২।মানস ৩।বাটোৱাৰী ৪।পৰলোক ৫।দেকু, দেখা ৬। আয়া ৭। আৱৰ ৮। ছোড়হ।

## ৩৬।। ৰাগ ।। আশোৱাৰী

ধ্রুং – গোপাল কৃপাল ৰাম কৰুণা সাগৰ স্বামী।

তুৱা পদ মকৰন্দ বিন্দু আশা কৰোঁ[১] আমি।।

পদ- ওহি ভৱ তাপে তাপিত মেৰি মন মন্দা।

মাগোঁহো শীকৰ তুৱা পদ মকৰন্দা।।

জনমে জনমে প্ৰভু[২] ওহি মেৰি মন আশা।

কহয় মাধৱ হৰি চৰণ[৩] কমল[৪] দাসা।

পা. ১।কৰি আছোঁ ২।‘প্ৰভু’ অনুপস্থিত ৩।চৰণকু
৪।‘কমল’ অনুপস্থিত।

## ৩৭।। ৰাগ ।। সুহাই

ধ্ৰুং– মঞিঁ[১] তেৰি দাসকু দাসাঃ কৰু কৰুণা মুৰাৰি

এ ভৱ সাগৰ মহ তাৰহু[২] তুৱা চৰণে হামাৰি।।

পদ– নজানো ভকতি হামু[৩] পামৰ

মতি পাপকু জাই[৪]।

পতিত পাৱন তুহুঁ মাধৱ

দেহুঁ চৰণহি ঠাই।।

ভকত বৎসল দীন বান্ধৱ

গুণ বেদ বখানি।

তুহঁ বিনে গতি মেৰি নাহি আৱৰ

কহয় মাধৱ জানি।।

পা. ১।মই ২।তাৰক ৩।হামো ৪। যাই, ধাই।

## ৩৮।। ৰাগ ।। শ্যাম গোড়া (মতান্তৰে–আশোৱাৰী)

ধ্রুং– শুন লো পণ্ডিত
হৰি পদ সেৱা ৰসে থিৰ কৰু[১] চিত্ত।

পদ– অনন্ত নিগম বন গহন আপাৰ।[২]

ভৈলা ক্ষীণ নিতে[৩] অৰ্থ কৰিতে বিচাৰ।।

তাৰে দেখি মনে দুখ লাগয় আহ্মাৰ[৪]।

কৰিও সাদৰ ইটো উপদেশ সাৰ।

তিনি গুণময় বেদবন পৰিহৰা।

গোৱালীৰ ঘৰে গৈয়া ব্রহ্ম চিনি ধৰা।।

উড়ুখলে যাৰে বান্ধি থৈয়া আছে টানি।

সোহি বেদ শিৰোৰত্ন অৰ্থ আছে জানি।।

যদি হৰি অনন্ত ব্রহ্মাণ্ড অধিকাৰী।

তথাপি ভক্তৰ বশ্য হোৱন্ত মুৰাৰি।।

তাতেসে বন্ধন হৰি লৈলা যশোদাৰ।

নিৰন্তৰে নিগমৰ এ তত্ব বিচাৰ।।

যাৰ মায়া পাশে বন্দী ব্রহ্মা আদি কৰি।
গোৱালীৰ হাতে বন্দী ভৈলা হেন হৰি।।
ভকতি সমান বলী নাহি নাহি আৰ।

কহয় মাধৱ গতি নন্দেৰ কুমাৰ।।

---

পা. ১।কৰা ২।অপাৰ ৩।বুদ্ধি ৪।হামাৰ।

## ৩৯।। ৰাগ ।। ভাটিয়ালী

ধ্রুং- মোকে ইবাৰ কৰুণা কৰা নাৰায়ণ
কৰুণা সাগৰ স্বামী।
তোহ্মাৰ অভয় চৰণে শৰণ
আশা কৰি আছোঁ আমি।।

পদ- সনত কুমাৰ নাৰদ অনন্ত
শঙ্কৰ শুক সনন্দে।
তোহ্মাৰ অৰুণ চৰণ পঙ্কজে
সেৱন্ত কত প্রবন্ধে।।
তাসম্বাক দেখি তোহ্মাৰ চৰণ
সেৱিবাক কৰোঁ আশা।
সিংহৰ গতিক ক্ষুদ্র মূষ হুয়া
ইচ্ছা কৰোঁ মতিনাশা।।
মোৰ দুৰাচাৰ ভকতৰো নষ্ট
নাহি বুলি আছা বাণী।
মঞি দুৰাচাৰ তোহ্মাক ভজিতে

আশা কৰোঁ তাকে জানি।।

তুমি সত্য ব্ৰত আপুনাৰ নিজ

বচনক সত্য কৰা।

তোহ্মাৰ দাসৰো দাসৰ কিঙ্কৰ

বুলি মোক প্ৰভু ধৰা।।

তোহ্মাৰ অনাদি অবিদ্যা তিমিৰে

অন্ধ কৰি আছে মোৰে।

তোহ্মাক নজানি দেহক মঞি বুলি

মজিলোঁ এ দুখ ঘোৰে।।

সন্তেৰ সঙ্গতি তযু গুণ নাম[১]

পৰম প্ৰসাদ দিয়া।

কহয় মাধৱ ইবাৰ গোৱিন্দ

দাস কৰি মোক নিয়া।।

---

পা. ১।তুৱা পাৱে ৰতি।

**৪০।। ৰাগ ।। মাউৰ (মাহুৰ) ধনশ্ৰী**

ধ্ৰুং- ৰাম তেৰে চৰণ কমল ৰতি লাগোঁ

মাগোঁ ভকতি গোসাঞিঁ।

হামু অনাথ নাথ তুহুঁ গোৱিন্দ

অগতিক গতি আৱৰি কোই নাই।।

পদ– নিৰমল ভকতি ৰাজ[1] তুৱা নাম গুণ

তা বিনু[2] পতিত তাৰক[3] নাহি কোই।

হামু পতিত তুমহি একু পালক

ইৱেৰি গোসাঞি বঞ্চবি নাহি মোই।।

তুৱা নিজ দাস সঙ্গতি ৰতি ভকতি

তৃণ দশনে মাগোহোঁ প্রভু ৰাম।

তৱ নিজ দাসকু দাসক লেৱনা

মাধৱ কহয় আৱৰি নাহি কামা।।

---

পা. ১।ৰাম ২। বিনা ৩। পাৱন।

### ৪১।। ৰাগ ।। বসন্ত

ধ্রুং– হৰি হেৰো ৰে বাপ পশিলোঁ শৰণে।

নেৰিবা বান্ধৱ মোক জীৱনে মৰণে।।

পদ– সনক সনন্দ যোগী যাহাকু ধিয়ায়।

সকল নিগমে যাক[1] বিচাৰি নপায়।।

সহস্র বয়নে যাৰ নপাৱন্ত[2] সীমা।

অধমে জানিবোঁ কেনে তোহ্মাৰ মহিমা।।

আতুৰ ভৈলোহোঁ হৰি[3] বিষয় বিকলে।

করিয়ো উদ্ধাৰ মোক চৰণ কমলে।।

তোহ্মাৰ চৰণ দুই মোৰ মহাধন।

ভকত জনৰ নিজ তুমিসে জীৱন।।

কৃপাৰ সাগৰ কৃপা কৰা একবাৰ।

কাতৰ কৰিয়া লৈলোঁ[৪] শৰণ তোহ্মাৰ।।

কৃপা কৰা নাৰায়ণ ছোড় মোহপাশ।

কহয় মাধৱ হৰি দাসকু দাস।।।

---

পা. ১।নিগমগণে যাক ২।নপাইলন্ত, নপাইলেক ৩।বড়ে ৪। ভৈলো।

## ৪২।। ৰাগ ।। আশোৱাৰী

ধ্রুং– মেৰো[১] অৱ নাথ আতমা নন্দ লাল।

বড়হি ঠাকুৰ হৰি দীন দায়াল।।

পদ– আপুন হি মানি হৰিক পদ দাসা।

শিৱ চতুৰমুহ কৰত[২] উপাসা।।

শৰীৰ আতমা মানি সৱ লোই চোৰ।

জ্ঞানী আতমা আৱে[৩] হাৰামহিথোৰ।।

সেৱক সেৱহ[৪] মানি আতমা গোৱিন্দে।

ৰাখত মন হৰি পদ অৰৱিন্দে।।

মাধৱ দাসে কহয় তত্ব ওই।

হৰি বিনে হামাৰি আৱৰ নাহি কোই।।

---

পা. ১।মোৰ ২।কৰতু ৩।আপে ৪।সেৱহো, সেৱোহো।

## ৪৩।। ৰাগ ।। আশোৱাৰী

ধ্রুং– ভয়ো ভাই সাৱধান যাৱে নাহি ছুটে প্ৰাণ।

গোবিন্দেৰ[১] ফৰমান নিকটে মিলব[২] জান।।

পদ– জীৱন যৌৱন থোৰ।

সৱে মায়াময় ছোড়।।

দুখ সৱ কৰু মোড়।[৩]

হৰি পদে মন জোড়।।

তেজু সৱ অভিলাষ।

দূৰ কৰু মোহ[৪] পাশ।।

হৰি পদে কৰু আশ।

কহয় মাধৱ দাস।।

---

পা. ১।গোৱিন্দৰ ২।মিলাৱে ৩।দূৰ ৪।মায়া।

## ৪৪।। ৰাগ ।। আশোৱাৰী

ধ্ৰুং– গোৱিন্দ দীন দয়াল[১] স্বামী।

তুহুঁ মেৰি সায়েব[২] চাকৰ হামি।।

পদ– কাকু কৰিয়া[৩] তুৱা চৰণে লাগোঁ।

অৰুণ চৰণে চাকেৰি[৪] মাগোঁ।।

তেৰি চৰণে মেৰি পৰণাম।

চাকেৰি মাগোঁ নাহি আন কাম।।

আপুন কৰমে জনম যাহাঁ হোই।

তাহা[৫] তুৱা চৰণে চাকেৰি ৰহু মোই।।

মাধৱ দাস কহয় মতি হীনা।

গতি মেৰি নাহি তুৱা পদ বিনা।।

---

পা. ১।দয়াশীল ২।চাহেব ৩।কাকুতি কৰিয়ে ৪।চাকৰি ৫।তাহে।

## ৪৫।। ৰাগ ।। সিন্ধুড়া

ধ্ৰুং– জয় জয় নন্দ নন্দন পৰমানন্দ

বন্দো বাল গোপাল[১]।

যো পদ পঙ্কজ ৰজ অজ বন্দয়

সকল ভুৱন একু পাল[২]।।

পদ- ৰোম বিৱৰ মহ কৌটি কৌটি অণ্ড

যৈচন অণু পৰমাণি।

নন্দ নন্দন কতি নাম ধৰত সোহি

তহি[৩] লীলা কোই জানি।।

দীন দায়াল জগত জন তাৰণ

কাৰণ ওহি অৱতাৰা।

পৰম মূৰুখ মতি কহয় মাধৱ দীন

গতি মেৰি নন্দ কুমাৰা।।

---

পা. ১।গোপালং, গোপালম্ ২।পালং ৩। ওহি।

**৪৬।। ৰাগ ।। গৌৰী**

ধ্রুং- সেৱহু মন মাধৱ অৱ বিছুড়ি বিষয় পাশা।

ভাৰতে পুনু মানৱী তনু আৱৰি নাহি আশা।।

পদ- দেখত দিন জীৱন থীন নিকত ভয়ো মৰণা।

গোৱিন্দ পদ পঙ্কজ বিনু তাৰেক নাহি আনা।।

মাধৱ দাস কহয় শুন পামৰু মন আন্ধা।

ৰামক নাম লেহু সদায় ছাড়হু সব ধান্ধা।।

## ৪৭।। ৰাগ ।। ধনশ্ৰী

ধ্ৰুং– ৰে মন ৰাম চৰণ ধন সেৱনা।
বেদ বচন শুনি ৰাম নাম বিনি
নাহি নাহি ভৱকু তৰণা।।

পদ– বিষয় বিলাস পাশে বন্দী পৰণা
ধৰণা হৰিকু চৰণা।
মানৱী দেহ নিত নাহি দেখো ৰে
আপুন নিকট ভয়ো মৰণা।।
যাৱে নাহি জীৱ আপুনকেৰি ছুটে ৰে
ৰাম চৰণে লেহু শৰণা।
মাধৱ দাস মুৰুখমতি কহয়ে[১]
গতি গোৱিন্দ দুহু[২] চৰণা।।

---

পা. ১।কহয় ২।দোহো।

## ৪৮।। ৰাগ ।। ধনশ্ৰী

ধ্ৰুং– শঙ্খ চকৰ[১] গদা পঙ্কজপাণি
গৰুড় আসন বনমালী গোপাল।
পীতাম্বৰধৰ শ্যাম সুন্দৰ হৰি

ভকত জনৰ ভয়হাৰী দায়াল।।

পদ- পৰমানন্দ পৰম পুৰুষোত্তম

পৰম কৰুণা ৰস সিন্ধু গোপাল।

কমলাকান্ত কমলদললোচন

ভকতজনৰ নিজ বন্ধু দায়াল।।

জগদানন্দ জগত জন জীৱন

যদুকুল কুমুদিনী ইন্দু গোপাল।

মাধৱ দীন[২] মূৰুখ মতি মাগয়

ভকতি ৰতি একু বিন্দু দায়াল।।

---

পা. ১।চক্র ২।মাধৱ দাস দীন।

**৪৯।। ৰাগ ।। মাউৰ (মাহুৰ)**

ধ্রুং- মন মেৰো[১] হৰি সঙ্গে মিতু[২] বন্ধায়ো।

ঐচন যতন কিয়ো সৱ ছোড়ি

সন্ত সঙ্গতি ৰতি লায়ো।।

পদ- সজ্জন সাথহি[৩] একু মিলন কিয়ে

অৱনিশি হৰিগুণ গায়ো।

তেজিয়[৪] সয়ল মনোৰথ আৱৰি

হৰিপদে প্ৰেম মিলায়ো।।

পুনু পুনু আৱা[৫] গমন এড়ায়ো

মায়া তৰস বাহুৰায়ো।

কহয় মাধৱ তৱ হৰিপদ সেৱা[৬]

পৰমানন্দ সুখ পায়ো।।

---

পা. ১।মেৰি ২।মিত ৩।সাতাই ৪।তেজিয়ো ৫।আয়া ৬।হৰি পদ কৰু সেৱা।

**৫০।। ৰাগ ।। ভাটিয়ালী**

ধ্রুং- হৰি এ কৰুণাময়

মই পাপী কিনা কাম কৈলোঁ।

এ ভৱ সাগৰে মজি মৈলোঁ।

অভয় চৰণ নাসেৱিলোঁ।।

পদ - শৱ সম তনু আপুন মানিলোঁ।

তুমি আতমা হৰি তোহ্মাক নজানিলোঁ।।

কিনা মঞি ছাড় বড় অগিয়ান।

তোহ্মাক তেজিয়া কৈলোঁ ধনেৰ ধিয়ান।।

মঞি বৰ পাপীৰ পুনু আগে।

দ্বিজ অজামিল কেবা গুণ লাগে।।
আৱৰ পাপীক কেবা গণে।
অধমেৰ মেৰি[১] কি হৈৱে মৰণে।।
আপুনাৰে মঞি নাশিলোঁ আপুনে।
পতিত পাৱন নাহি তুমি বিনে।।
আন কিছু মোৰ নাহিকে ভাৰসা।[২]
কহয় মাধৱ মতি নাশা।।[৩]

---

পা. ১।অধমৰ মোৰ ২।ভৰসা ৩।কহয় মাধৱ মূঢ় মতিনাশা।

## ৫১।। ৰাগ ।। ভাটিয়ালী

ধ্রুং- দায়াৰ[১] ঠাকুৰ হৰি যদুমণি ও[২] ৰাম
অধমে তোহ্মাৰ নাম ডাকে।
কৃপা কৰা নাৰায়ণ আহ্মাৰ চঞ্চল মন
তোহ্মাৰ চৰণে যেন থাকে।।
পদ- এক বিপ্র অজামিল মন্দমতি পাপশীল
পুত্ৰভাৱে সুমৰি তোহ্মাৰে।
কৰ্ম্মবন্ধ কৰি[৩] নাশ বৈকুণ্ঠ পাইলে[৪] বাস

ইটো আতি বিদিত সৱাৰে[৫]।।

তাতো কৌটি কৌটি গুণ পাপমতি নিদাৰুণ

তোহ্মাৰ নামক[৬] কৈলো আশা।

পৰম পতিত আমি পতিত পাৱন তুমি

ইজানিয়া কৰিছো[৭] ভাৰসা।।

ধন্য ধন্য কলি কাল ধন্য নৰ তনু ভাল

ধন্য ধন্য ভাৰত বৰিষে।

তপ জপ যজ্ঞ তেজি তোহ্মাৰ চৰণে ভজি

তুৱা নাম ঘুষিবো[৮] হৰিষে।।

সকল নিগমে কয় অতয়ে তোহ্মাক পায়

আক ভালে[৯] জানি নাৰায়ণ।

মাধৱ মুৰুখ মতি তুৱা পাৱে যদুপতি

সত্যে সত্যে পশিলোঁ শৰণ।।

---

পা. ১।দয়াৰ ২।ঐ ৩।ভৈল ৪।পাইলেক ৫।সংসাৰে
৬।নামৰে ৭।কৰিলোঁ ৮।ঘোষিয়ো ৯।ভাল।

## ৫২।। ৰাগ ।। বড়াৰি

ধ্ৰুং- হৰি কমলাকান্ত কমলদল লোচন[১]

চৰণ[২] সেৱিত সুৰ শিৰং।

আদি পৰম কাৰণ পৰমানন্দ

পৰম পুৰুষ জগজীৱং।।

পদ- মাধৱ মধুৰ মুৰুতি মধুসূদন

দনুজ দমন বলশালী।

কঙ্কণ হাৰ ৰঞ্জিত মণি কুণ্ডল

পীত বসন বনমালী।।

কুৱলয় কংস কেশী মল্ল মোড়ল

অঘ বক ধেনুকনাশী।

হৰি পদ কমল অমল মকৰন্দ ৰস

মাধৱ দীন অভিলাষী।।

---

পা. ১।লোচনম্ ২।কমল চৰণ।

## ৫৩।। ৰাগ ।। ভাটিয়ালী

ধ্রুং- গোপাল ভাৱিয়ো মন সকল যতনে।

হৰি বিনে কেনে আন চিন্তা অকাৰণে।।

পদ- অথিৰ জীৱন ধন যৌৱন সকল।

কমল পত্ৰৰ নীৰ যৈচন চঞ্চল।।

জানিয়া ভজিয়ো মন ইসব্ৰ তেজিয়া।
সংসাৰ সাগৰে মন মনৰ মজিয়া।।
হৰিৰ মায়াৰ ফান্দে জীৱ ভৈল[১] বন্দী।
এ[২] তিনি ভুৱনে পলাইবাৰ নাহি[৩] সন্ধি।।
গুণি চাৱা[৪] মন তুমি এৰাইবা কমনে
ফান্দোৱাল গোবিন্দৰ ধৰিয়ো চৰণে।।
নিজ প্ৰিয়তম হৰি জগত নিবাস।
ভজিয়ো চঞ্চল মন তেজিয়া[৫] আলাস।।
কহয় মাধৱ হৰি অগতিৰ গতি।
মায়াৰ ফান্দ এৰাই পাইবা যদুপতি[৬]।।

---

পা. ১।হৈল ২।ই ৩।নাই ৪।চোৱা,চাৱ ৫।তেজিও, তেজিয়ো
৬। মায়াৰ ফান্দ এৰাই মন পাইবা যদুপতি।।

**৫৪।। ৰাগ ।। নাট-মল্লাৰ**

ধ্ৰুং- যাদু ভাল নাচতু[১] নন্দ নন্দন গোৱিন্দ নাচতু[২]
ব্ৰজ নায়ক নাগৰ নাচতু[৩] পৰমানন্দ ৰসে ৰে।
সুৰাসুৰে যাৰ চৰণ পঙ্কজ ৰেণু শিৰে পৰশে ৰে।
পদ- লাৱণ্য সুন্দৰ কটি ধৰিয়া এ বাম হাতে ৰে।

দক্ষিণ কোমল কৰ থাপিয়া এ প্ৰভু মাথে ৰে।
কটিত কিঙ্কিণী বাজে নূপুৰ ঝৰয়[৪] পাৱে ৰে।
ঈষত কটাক্ষ হাঁসি সুন্দৰ ভ্ৰুৱ চলাৱে ৰে।।
নাটেৰ মাধুৰী গোপীমোহন ফান্দে ৰে।
যশোমতী নন্দ নয়ন[৫] চকোৰ শ্যাম সুন্দৰ চন্দ[৬] ৰে।।
চৌভিতি গোপিনী বেঢ়ি হাতে তালি বজাৱে ৰে।।
কহয় মাধৱ হৰি ভুৱন মন ভুলাৱে ৰে।।

---

পা. ১,২,৩।নাচত ৪।ঝুৰয় ৫।'নয়ন' অনুপস্থিত ৬।চান্দে।

**৫৫।। ৰাগ ।। বড়াৰি**

ধ্রুং- সোই সোই শ্যাম মনোহৰ দেখিয়ো নয়ন ভৰি।
ব্ৰজেৰ প্ৰজাৰ ভাগ্য ফলগোটে আছেয় মূৰুতি ধৰি।।

পদ- শ্যাম নাম নৱ অমৃত ৰসেৰ
এ ৰূপে ভৈল ভাণ্ডাৰ
গোকুল বাসীৰ নয়ন উৎসৱ
আনন্দ কুসুম সাৰ।।
যোহি অঙ্গে গৈয়া দৃষ্টিপাত হয়
তথায়ে তম্ভিয়া ৰয়।

কতনা নয়নে পান কৰিবেক
যতেক মাধুৰী বয়।।
দেখিতে দেখিতে নৱীন নৱীন
ৰূপেৰ লাৱণ্য বলে।
এ ৰূপ তেজিয়া আৱৰ দেখিয়া
নয়ন মৰে বিকলে।।
লাজে মনমথে মূৰুতি নধৰে
ৰূপেৰ দেখি মাধুৰী।
লাৱণ্য দেখিয়া সৱ চুৰ ভৈল
বিধিৰ যত চাতুৰী।।
কত জনমৰ ভাগে মিলি আছে
গোকুলেৰ সুমঙ্গল।
এ ৰূপ লাৱণ্য সি জনে দেখয়
তাৰেসে জন্ম সাফল[১]।।
এ ৰূপ মাধুৰী তেজিয়া আৱৰ
দেখিতে মন না ধাৱে।
মোৰ নিজ গতি নন্দেৰ নন্দন

মূৰুখ মাধৱ গাৱে।।

---

পা. ১।সম্ফল।

**৫৬।। ৰাগ ।। বেলোৱাৰ**

ধ্রুং– বিৰিন্দাবনে ভেটলোহোঁ এ
হৰি এ গুণেৰ নিধি এ।
অপৰূপ ৰূপে নয়ন দুহোঁ পুৰলোঁ[১]
হামাৰি সুপ্ৰসন বিধি এ।।

পদ– সতড়িত নীল নৱীন মেঘ জিনি এ
তনু শোভিত পীত বাসা[২]।
নিৰমল গগণে তাৰেক[৩] ঝিকি জিনিয়ে
ৰতন ভূষণ পৰকাশা[৪]।।
সুন্দৰ কেশ সুৱেশ ভাল বনিয়ে
শোভয়[৫] কুসুম অপাৰা।
প্রফুল্লিত জৈচে নীল গিৰি শিখৰ
পেখি মন মোহিত হামাৰা।।
ব্রজৰ বালক মাজে বিনোদ নাগৰ গুৰু
খেলত বহু ৰসভাৱে।

ৰসেৰ মাধুৰী হৰি ত্ৰিভুৱন মোহয়

দীন মাধৱ দাসে গাৱে।।

---

পা. ১।পূৰল ২।বাসে ৩।তাৰক ৪।পৰকাশে ৫।শোহয়।

## ৫৭।। ৰাগ ।। শ্ৰীগান্ধাৰ

ধ্ৰুং- ৰূপে ভুলে গোৱালী সুন্দৰ বনমালী
মোহন বনমালী।
কহ কৈচন স্বামী হে হৰি হৰি মিলৱ হামাৰি।।
পদ- এ শ্যাম সুন্দৰ তনু হৰি হৰি এ পীতবসনা।
এ ৰূপে ভুলল মন হে হৰি হৰি কোটি মদনা[১]।।

এ জগ ভুলল হাসি হে হৰি হৰি বয়স নৱীনা।

কৈচন ধৰবো চিত্ত হে হৰি হৰি নন্দ সূত বিনা।।

কমলা নয়না স্বামী হে হৰি হৰি সুচান্দ বয়না।

কহয় মাধৱ গতি হে হৰি হৰি নন্দকু নন্দনা।।

---

পা. ১। ময়না।

## ৫৮।। ৰাগ ।। আশোৱাৰী

ধ্ৰুং- আৱত ব্ৰজেৰ জীৱন ৰে হৰি।
ত্ৰিভুৱন মোহন মধুৰ ৰূপ ধৰি।।

পদ- বিৰাজিত শ্যাম তনু ধেনু পদ ৰেণু।
অৰুণ অধৰে পূৰে সুললিত[১] বেণু।।
বনজ কুসুমকেৰি মালা উজ্জ্বলিত।
শৰীৰকু কান্তি সৱ দিশ প্ৰজ্জ্বলিত।।
ভ্ৰমেৰ ৰঞ্জিত উৰে লোলে[২] বনমালা।
ৰতন ভূষণ সৱ শৰীৰ উজ্জ্বলা[৩]।।
চৰণ পঙ্কজে মণি মঞ্জীৰকু ধ্বনি।
কহয় মাধৱ মেৰি গতি যদুমণি।।

---

পা. ১। সুমধুৰ ২। লুলে ৩। উজ্জ্বালা, উজালা।

## ৫৯।। ৰাগ ।। আশোৱাৰী

ধ্ৰুং- মোহন বাৱত মুৰুৰী[১] ৰে কাণু।
শুনি ব্ৰজ ৰমণীক নৰহে[২] পৰাণু।।
পদ- মধুৰ বাঁশীৰ সুৰে[৩] অমিয়া ঝুৰয়।
পাষাণ দ্ৰৱয় মৃত[৪] তৰু মঞ্জৰয়।।
সচেতন সৱ থিক অচেতন হোই।
তৰঙ্গীনি সৱ ৰহু অচলিত তোই।।
সচৰ অচৰ হয় আচৰে চৰ গতি।

ঐচন মোহন বেণু পূৰে যদুপতি।।

ত্ৰিভুৱন বিমোহন গোবিন্দক বেণু।

কহয় মাধৱ গতি কানু পদৰেণু।।

---

পা. ১।মুৰৰী, মুৰাৰী ২।নধৰে, নসহে ৩।স্বৰে ৪।মৰা।

**৬০।। ৰাগ ।। কামোদ**

ধ্ৰুং- আজু গোপীনাথ পেখলোঁ আঁখি।

যমুনা তীৰে ফিৰে ধেনু ৰাখি।

পদ- শ্যাম শৰীৰে পীতাম্বৰ শোহে।

লাৱণ্য কৌটি মনমথ মোহে।।

সুচান্দ[১] বয়নে ঈষৎ হাসি।

নয়ন ৰাতা উতপল পাসি।।

কপোলে চন্দন তিলক সাজে।

শোভন অলকা পান্তি বিৰাজে।।

মাথে ঝলমল ময়ূৰ চূড়া।

কুসুমে ৰঞ্জয় মোহন জুড়া।।

কদম্ব কুসুম শ্ৰৱণ মূলে।

কম্বু কণ্ঠে মণি কৌস্তভ লোলে।।[২]

গলে গুঞ্জামণি মুকুতা মালা।
কনক ভূষণে ভূষিত কালা।।
গোপদ ৰেণু বিৰাজিত অঙ্গে।
বেণু বজাৱত অঙ্গ ত্রিভঙ্গে।।
সুস্বৰ উচ্চায়া পঞ্চম[৩] গাৱে।
বঙ্কিম নয়নে ভ্রূৱ দোলাৱে।।[৪]
নৱীন পীত ধটি কটি মাজে।
কনক মেখলা কিঙ্কিণী বাজে।।
নূপূৰ ঝুৰে[৫] পদ অৰৱিন্দে।
কহয় মাধৱ গতি গোৱিন্দে।।

---

পা. ১।সুচন্দ্র, সুচন্দ ২।লুলে ৩।পঞ্চমে ৪। নয়নে ভুৱন ভুলাৱে ৫। বাজে।

## ৬১।। ৰাগ ।। ভাটিয়ালী

ধ্রুং- গোপাল পলায়া আছে মাৱ মাৰিবাৰ ডৰে।
ভূষণ হৰায়া হৰি ভয়ে নাইসা[১] ঘৰে।
পদ- কদম্ব তলে ছৱাল কানাই একা শুতিয়া আছে।
পানী গৈয়া ৰাধা দেখি আইলা সখী কাছে[২]।।

চোঙ্গা নিৱে অলঙ্কাৰ মাৰিয়া সমূলি।

ভূষণ খসায়া ৰাধা লৈলা এহি বুলি।।

আঁৰ কৰিয়া থৈয়া ৰাধা জগাইলা হৰিৰে।

পুছে অলঙ্কাৰ কেনে নাহিকে শৰীৰে।।

ভূষণ হৰায়া আছা শুতিয়া একলে।

যশোদা শুনিলে আজি মাৰিব[৩] বিকলে।।

নমাতিয়া আছা হৰি নপায়া উত্তৰ।

পানী লৈয়া বাহুৰিয়া ৰাধা আইলা ঘৰ।।
যশোদাৰ হাতে নিয়া অলঙ্কাৰ দিয়া।
সকল বৃত্তান্ত ৰাধা কৈলা প্ৰপঞ্চিয়া।।
ইসৱ জানিয়া হৰি ঘৰে নাইসা[৪] ভয়।
যশোদা পুছিতে হৰি সৱাৰে বাধয়।।
কহয় মাধৱ ঘৰে যাৱা নাৰায়ণ।
ৰাধাই মাৱৰ হাতে দিয়াছে ভূষণ।।

---

পা. ১।নাইসে, ২।পানীক গৈয়া ৰাধা দেখিয়া আইলা হৰিৰ কাছে ৩।মৰিব ৪।নাইসে

## ৬২।। ৰাগ ।। শ্ৰী

ধ্ৰুং- মাই ভূষণ হৰাৱে হামাৰি[১]।
যবহু সৰোত্তৰ[২] পুছত নাহি

পাৱত[৩] দোষ বিচাৰি।।

পদ– এক গোৱাৰিণী মাতিয়া হামাকু
দেলহ বুলি মিঠাই।

তাহে[৪] ভোজন কৰিয়ে শয়নকহুঁ
চেতন হৰাৱলোঁ[৫] মাই।।

শিৰ ফিৰাৱত নয়ন দুলাৱত
ঘন ঘন আৱত হামি।

জ্ঞান বিৰহিত হুই কদম্ব তলে
একা শুতাৱলোঁ আমি।।

ৰাধা ভূষণ চোড়ি কৰিয়েকহু
পুছত বাত হামাৰি।

হামু থিক অচেতন হোই
কি কহবোঁ বচন বিচাৰি।।

কহতু মাধৱ দাস নাৰায়ণ
তুৱা পাৱে শৰণ গোসাঞি।

তুমহি অখণ্ডিত জ্ঞান নিৰন্তৰ[৬]
ঝুণ্টা কহিতে নুযুৱাই।।

---

পা. ১।মাই মাই ভূষণ কৰাৱ হামাৰি ২।সৰোত্তৰ, সৱত্তৰ ৩।পাৱৰি ৪।তাহেক ৫।হৰাৱল ৬।নিৰঞ্জন।

## ৬৩।। ৰাগ ।। গৌৰী

ধ্ৰুং- ৰাধাকু আগু[১] গোৱিন্দ[২] বোলত চাতুৰী।
তুমহি ৰাধে হামাকেৰি কৈচন[৩]
ভূষণ কয়লি চুৰি।।

পদ- হামাৰি ওহি নগৰ গোকুল মহ
ৰাধা বাঢ়লি চোৰ।
একা হামু শুতিয়ে ৰহলছি[৪]
ভূষণ কয়লি চুৰি মোৰ।।
দিৱস সময়েকহুঁ ৰাজ বাট মহ
সাহস ঐচন তোই।
ৰয়নী সময়েকহুঁ তোহাৰি ৰাধে
চুৰি কৰিতে কোন হোই।
হামু বিচাৰ কয় দেখলোঁ আৱৰি
চোৰ ৰাধা বিনু[৫] নাই।
ঘৰহি ঘৰহি সৱ ফিৰত চকোৱা

ঐচন বাত জনাই।।

গোপয়ে নাহি পাৰি মেৰি ভূষণ

দেলহ মাৰক ঠাই।

নন্দ নন্দনকহুঁ ঐচন খেলনা

দীন মাধৱ দাসে গায়।।

---

পা. ১।আগুহাৰি ২।হৰি ৩।কৈচে ৪।ৰহলহি ৫।বিনে।

## ৬৪।। ৰাগ ।। আশোৱাৰী

ধ্রুং– গোৱিন্দকু ৰাধা বোলত বাণী।

খায়া লাগি গোৱাৰীক ঠামে হামাকু দোষ বখানি।।

পদ– হোই অচেতন থিক কদম্ব তলে

হামু পাৱলোঁ লাগ।

চোঙ্গা মাৰি ভূষণ নাহি লেলহ থিক

তোহাকেৰি[১] ভাগ।।

ভূষণ প্ৰাণ হামু তেৰি ৰাখলোঁ

হামাৰি ঐচন দোষ।

হামু বাত পুছিতে নাহি উত্তৰ

ৰহলি কয় থোস মোস।।[২]

জননীক ভয়ে লুকি দিয়া ফিৰত
গোৱাৰীক ডৰা[৩] সোমাই।
হামাকু আগু খেলাৱত ঐচন
চাতুৰী ভূষণ পাই।।
হামু যৱ চোৰ হঞো কতি দেলহোঁ
তোহাৰি জননীক আগ।
কহতু মাধৱ ৰাধা গোৱিন্দক
প্ৰেম চাতুৰী অনুৰাগ।।

---

পা. ১।তোমাকেসি, ২।থোষ মোষ ৩। ডেৰ।

**৬৫।। ৰাগ ।। ধনশ্ৰী**

ধ্ৰুং- মাৱক আগু গোৱিন্দ কৰত গোহাৰি।
দেখত কৈচন ওহি গোৱাৰিণী
হামাকু পাৰত গাৰি।
পদ- হামু বালক চয় খেড়ি খেলাৱত
ভণ্টা কয়লি চুৰি মোৰা।
তাহেক হামু মিনতি বুলি মাগো
হামাকু বোলত দূৰ ছোড়া।।

পুছত ঐচন বাত হুই নুই
ওহি বালকসৱ সাথী।
হামাৰি ঐচন কলঙ্ক গোকুল মহ
আৱৰি কমন আছোঁ ৰাখি।।
তুহুঁ যৱ মাই উচিত বুজত নাহি
কবহোঁ পিতাকেৰি ঠাই।
গোৱাৰীক যশোৱা গাৰি দিয়ে খেদল
মাধৱ এহু ৰস গায়।।

**৬৬।। ৰাগ ।। ভাটিয়ালী**

ধ্রুং- আলো শুনা গোৱালেৰ জায়া বোলয় গোপালে।[১]
আহ্মাৰ[২] গাৱে ধূলা দিলে[৩] তোহ্মাৰ[৪] ছৱালে।।[৫]
পদ- কোনো কালে কাৰো আমি বোলা নাই তগ্রি[৬]।
এতখানি বস্তু পাইলে বান্টিয়া খাওঁ মগ্রি[৭]।।
মাগিয়া আনো দধি দুগ্ধ তাৰো বান্টা[৮] খায়।
তথাপি তোহ্মাৰ[৯] ছৱা ধূলা দিলে[১০] গায়।।
তোহ্মাৰ[১১] ছৱা লৈয়া আমি মাৱৰ আগে যাইবোঁ।

পৰৰ দোষে কেনে আমি আপুনি মাৰণ খাইবোঁ।।

তুমি সব জানা ভালে আহ্মাৰ[১২] মাৱৰ কথা।

শুনিয়া গোপীৰ বড় লাগিয়া গৈল বেথা।।

ধূলা ঝাড়ি ঝুড়িয়া[১৩] বুলিলা প্ৰিয় বাণী।

দধি দুধ লৱণু খাইবাৰ দিলা আনি।।

বুন্দা কৰি আনন্দে ভুঞ্জিলা পেট ভৰি।[১৪]

কহয় মাধৱ ওহি হৰিৰ চাতুৰী।।

---

পা. ১।গোপাল ২।আমাৰ, হামাৰি ৩।দিলা ৪।তোমাৰ ৫।ছৱাল ৬।তই ৭।মই ৮।বণ্টা ৯।তোমাৰ ১০।দিলা ১১।তোমাৰ ১২।আমাৰ ১৩। তুলিয়া ১৪।পূৰি।

**৬৭।। ৰাগ ।। কামোদ**

ধ্ৰুং- নন্দেৰ নন্দন গোপিনী আগে।

কৰ পাতি হৰি[১] লৱণু মাগে।।

পদ- বোলাত বাণী গোৱাৰীক চায়া।

নৱীন লৱণু দেহু গোপ জায়া।।

যো হৰি দাতা পদাৰথ চাৰি।

মাঁগত লৱণু সোহি মুৰাৰি।।

শিৱ বিৰিঞ্চি কৰু যাক সেৱা।
লৱণু মাগি ফিৰয়[১] সোহি দেৱা।।
সনক সনাতন যাকু ধিয়াই।
লৱণু মাগে গোৱাৰীক[৩] ঠাই।।
অভয় দান কৰু যোহি হাতে।
গোপিনীক আগে সোহি কৰ পাতে।
মুকুতি মিলাৱত যাকেৰি নামে।
মাগয় লৱণু গোৱাৰীক ঠামে।।
যোহি[৪] থিক নিজানন্দ সুখে।
সো হৰি লৱণু মাগয় কোন দুখে।।
কৰত ভকতি হৰিকু অধীনা।
ওহি ৰস গাৱত মাধৱ দীনা।।

---

পা. ১।পাতি ২।ফুৰত ৩।গোপিনীক ৪। যো হৰি।

## ৬৮।। ৰাগ ।। সিন্ধুৰা

ধ্ৰুং- কেলি কৰে বিৰিন্দা বনে মোহন গোপাল।
খেলে সঙ্গে ৰঙ্গে ঢঙ্গে ব্ৰজেৰ ছৱাল।।
পদ- বনমালা গান্থি[১] পিন্ধে মাথে মৈৰা পাখি।

আনন্দে হৰিৰ সঙ্গে ফিৰে ধেনু ৰাখি।।

কেহোঁ নাচে কেহোঁ হাঁসে কেহোঁ বাৱে বেণু[২]।

বাঁশীৰ স্বৰে নাম ধৰিয়া ডাকিয়া আনে ধেনু।।

পঞ্চম উচ্চায়া বেণু বায় যদুমণি।

মদন শৰে মুৰুচি পড়ে দেৱৰ ৰমণী।।

গোপৰ সঙ্গে ধেনু চৰাৱে হৰি[৩] জগতৰে পতি।

গগণে দেৱতাগণে কৰে তুতি নতি।।

অন্যো অন্যে ডাকিয়া বোলে দেখ অমৰগণ।

ত্ৰিভুৱন জিনি শোভা কৰে বৃন্দাবন।।

কহয় মাধৱ দাস কৰিয়া নিশ্চয়।

জনমে জনমে গতি নন্দেৰ তনয়।

---

পা. ১।বনেৰ মালা গান্হি ২।কেহোঁ কেহোঁ নাচে হাসে কেহোঁ বায়     বেণু ৩।'হৰি' অনুপস্থিত।

## ৬৯।। ৰাগ ।। ভাটিয়ালী

ধ্রুং– আগো[১] মাই তোহাৰি তনয় যদুমণি।

বকাসুৰ বধি হৰি            পৰম আনন্দ কৰি

আইসে শুনা বংশীৰ ধ্বনি।।

পদ- ভয়ঙ্কৰ বক গোট বজ্ৰেৰ সমান ঠোঁঠ

চুম্পি ৰহি আছে সাৱধানে।

বায়ু বেগে আসি ধাই গিলিলে কৃষ্ণক পাই

দেখি আমি মৰিলোঁ পৰাণে।।

তালুত লাগিলা হৰি পেলাইল বাহিৰ কৰি

সকল বালকে আছোঁ চাই।

পুনু আসে গিলিবাক ঠোঁঠত ধৰিয়া তাক

চিৰিয়া মাৰিলা যদুৰাই।।

খানিকো নভৈল ঘাৱ কৃষ্ণৰ নিৰুজ গাৱ

দেখিয়া কৌতুক পাইলোঁ বড়ে।

ধেনু বৎস আগ কৰি আনন্দে আসন্ত হৰি

আমি সৱে আসিলোঁ লৱৰে।।

ব্ৰজত পৰিল জান কৃষ্ণেসে সৱাৰ প্ৰাণ

নন্দ ঘৰে আসিল হৰিষে।

কৃষ্ণ মুখ পদ্ম মধু নেত্ৰে পিয়ে ব্ৰজ বধু

কৃষ্ণ শিৰে কুসুম বৰিষে।।

দেখি নন্দ যশোদাৰ আনন্দৰ নাহি পাৰ

কৃষ্ণক কোলাত লৈলা তুলি।

মৰি যেন আইল প্ৰাণ        কৰে পুত্ৰ শিৰে ঘ্ৰাণ

প্ৰেম ৰঙ্গে মজিল সমূলি।।

নিজ বৈৰী মাৰি হৰি        আসিলা কৌতুক কৰি

দেখি সৱে ভৈলা আনন্দিত।

মাধৱ মূৰুখমতি        কহে মেৰি হৰি গতি

হৰি পদে[২] নিমজোক চিত্ত[৩]।।

---

পা. ১।আলো ২।পাৱে ৩।চিত

**৭০।। ৰাগ ।। মাউৰ (মাহুৰ)**

ধ্ৰুং- মেৰো মাই ওহো যশোৱা
আজু হামু বড়হি ভুখাৰি।[১]
যো কিছু লৱণু হামাক দেলহ
নাহি খাৱলোঁ সোহি ৰুখাৰি।।

পদ- হামু বিহানত        খেড়ি খেলাৱত
আজু কিছুৱে নাহি খাৱতৰি।

তুমহি হামাকু        নাহি ডাকল মাই
ভুখহি বৰ দুখ পাৱতৰি।।

খালি উদৰে হৰি        হাত নিৱেশিয়ে
দেখত বোলত বাণী।

আপুন তনয়কহুঁ দুখ দেখিয়ে মাই
নয়নে ঝৰাৱত পানী।।
পুত পুত বুলি আঙোৰে[২] মুচল
শ্যাম শৰীৰক ধূলি।
মেৰা বাপু বুলি ক্ষীৰ পিয়াৱত
বাহু মেলি কোলে তুলি।।
যোহি নিজানন্দ সুখহি সম্পন্ন
সো হৰি মানুস ভাৱতৰি।।
যশোৱাক তন পানহি সন্তোষ
দীন মাধৱ ৰস[৩] গাৱতৰি।

---

পা. ১।আজু হামু হি বড়ি ভুখাৰি ২।আঙোলে, আঙ্গুলে ৩।গুণ।

## ৭১।। ৰাগ ।। বড়াৰি

ধ্রুং– যশোৱাকু আগু বোলত হৰি ভাৱ।
আজু চিনান কৰবোঁ নাহি মাৱ।।

পদ– ফিৰলোঁ বনে বনে ধেনু বিচাৰি।
তৃণে কাটল সৱ শৰীৰ হামাৰি।।
স্নান কৰিতে লাগিয়ে তথি নীৰ।
পোড়ব হামাকেৰি সকল শৰীৰ।।
কাকু কৰিয়ে বোলহোঁ শুন মাই।

শুতিয়ে ৰহবোঁ আজু কিছুৱে নখাই।।

তনয়কু বাণী শুনিয়ে বৰ নাৰী।

প্ৰেম পৰশি নয়নে ঝৰে[১] বাৰি।।

কৰতহু স্নান শুনহ মেৰি বাপ।

দুখিনীক পুত কৰবি নাহি তাপ।।
কোমল লৱণু মাখবোঁ গাৱে আনি।
কৰাৱবোঁ[২] স্নান সুশীতল পানী।।
পোড়ব নাহি জড়ব সব্ব গাৱ।
স্নান কৰিয়ে অমৃত অন্ন খাৱ।।
মাধৱ কহ হৰি গোচৰ হামাৰি।
কাটল কতি ব্ৰহ্ম শৰীৰ তোহাৰি।।

---

পা. ১।ঝুৰে ২।কৰাবহু।

**৭২।। ৰাগ ।। আশোৱাৰী**

ধ্রুং- আজু সুপৰভাতে পেখলোঁ মাই।

নয়নক আনন্দ কুসুম কানাই।।

পদ- নৱ ঘনশ্যাম পীতাম্বৰ জ্যোতি।

কৌস্তুভ কণ্ঠে হাৰ গজমতি।।

শাৰদ চান্দ কৌটি বয়ন বিকাশে।

মদন চাপ জিনি ভ্রুৱ পৰকাশে।।

চান্দ জ্যোতি জিনি তিলক কপোলে।

কুণ্ডল জলমল অলক বিলোলে।।

উতপল ৰাতা নয়ন যুগ শোহে।

ঈষৎ হাঁসি ৰসে জগজন মোহে।।

সুললিত চান্দ ময়ূৰ পুচ্ছ শিৰে।

গঞ্জয় গজৰাজ গমন গম্ভীৰে।।

ৰতন মঞ্জীৰ ঝুৰয় দুহো[১] পাৱে।

নন্দ নন্দন গতি মাধৱ গাৱে।।

---

পা. ১।দুহো ঝুৰয়, দুহো=দোহো।

**৭৩।। ৰাগ ।। গৌৰী**

ধ্রুং– ব্রজ জীৱন[১] দয়াল দীন দয়ালু

এ নন্দ কুমাৰ মনোমোহনু।

কোমল কেলি কলাৰস নাগৰ

মনোহৰ শ্যাম কাম দহনু।।

পদ– নীল মৃণাল ললিত ভুজ কোমল

কঙ্কণ কনক ভূষণ ৰঞ্জনু।

শৰত সুজাত কমলকোষ গঞ্জনু

পদযুগ ভকত ভীতি ভঞ্জনু।।

শাৰদ ইন্দু কৌটি ৰুচিৰানন

সুন্দৰ তিলক ৰাজীৱ লোচনু।

মঞ্জুল মধুৰ মূৰুতি সুখ সাগৰ

মাধৱ কহ প্ৰভু ভৱ মোচনু।

হৰি দুখ মোচনু।।

---

পা. ১। জন।

**৭৪।। ৰাগ ।। ভাটিয়ালী**

ধ্ৰুং– আলো ভাই চল আইস যাই বৃন্দাবনে[১]।

দেখো গৈয়া আনন্দ নয়নে।।

পদ– সকল বিৰিন্দাবনে[২] ছানি।

জয় জয় ৰাম কৃষ্ণ ধ্বনি।।

সুৰভি তেজয় হাম্বাৰাৱে।

বিনোদ মিলিছে ঠাৱে ঠাৱে।।

ৰঙ্গে বায় শিঙ্গা শঙ্খ বেণু।

নাচে হাসে গাৱে চাৰে ধেনু।।[৩]

যি ৰস মিলিছে বৃন্দাৱনে।
এ সুখ নাহিকে ত্ৰিভুৱনে।।
ৰাম কৃষ্ণ নোহয়[৪] মানুষ।
আৰা দুয়ো[৫] পৰম পুৰুষ।।
ব্ৰজেৰ প্ৰজাৰ ভাগ্য বড়ে।
কহয় মাধৱ ওহি দঢ়ে।।

---

পা. ১।আলোভাই চল আইস বৃন্দাৱনে ২।বিৰিন্দাবন ৩।নাচে গাৱে হাসে চাৰে ধেনু ৪। নোহন্ত ৫।দুই।

## ৭৫।। ৰাগ ।। তুৰ ধনশ্ৰী (মতান্তৰে–ধনশ্ৰী আৰু মাহুৰ)

ধ্ৰুং– ৰাজতু নন্দ ৰাজকু নন্দন।
যাকেৰি চৰণ ৰেণু জগবন্দন।।

পদ– শুদ্ধ পৰম ব্ৰহ্ম গোপ কুমাৰা।
ত্ৰিভুৱন তাৰণ হেতু অৱতাৰা।।
কাৰ্ত্তিক ময়ূৰ পুচ্ছ শোহে[১] শিৰে।
মণি গিৰি গৈৰিক ৰঞ্জে শৰীৰে।।
কুন্তল কুটিল অলকৰাজি[২] মণ্ডন।

নখ মণি চন্দ্ৰ তাপ তিনি খণ্ডন।।
নৱীন গুঞ্জামণি হাৰ বিৰাজিত
স্তৱক ৰাজ দুহোঁ শ্ৰৱণে বিভূষিত।।
নানা ৰতন জড়িত অঙ্গ ভূষণ।
লাৱণ্য ধান শ্যাম তনু শোভন।।
মুকুতি বিড়ম্বন লীলা যাহাৰু।
মাধৱ কহ গতি নন্দ কুমাৰু।।

---

পা. ১।শোভে ২।ৰাজ।

**৭৬।। ৰাগ ।। সিন্ধুৰা**

ধ্ৰুং– ঐ মন মোহন[১] বাল গোপালা।
কমল নয়ন[২] স্বামী এ পীত বসন
গলে গজমতি মালা।।
পদ– মধুৰ মধুৰ ধ্বনি মুৰুৰী[৩] বাৱত
পঞ্চম গাৱত ৰঙ্গে।
ত্ৰিভঙ্গ ললিত অঙ্গ বেণু কৰতাল[৪]
খেলায় বালক সঙ্গে।।
চঞ্চৰ চিকুৰ মাথে ময়ূৰেৰ

পুচ্ছ পৰিধান ভালা।

ঝলমল মণি মকৰ কুণ্ডল

শোহে তনু ঘন কালা।।

হঁসিত সুন্দৰ চাৰু অৰুণ অধৰ

মঞ্জীৰ পদ কমলে।

কৌটি মদন মন মোহন[৫] মধুৰ

মূৰুতি সুন্দৰ জ্বলে।।

সিদ্ধ মুনি সুৰ শঙ্কৰ যাকেৰি

চৰণ ৰেণু ধিয়াই।

কহয় মাধৱ দীন সো হৰি খেলাৱত[৬]

বালক সঙ্গে মিলাই।।

---

পা. ১।ঐচন মোহন ২।লোচন ৩।মুৰৰী ৪।কৰতল, কৰতলে ৫।মনোমোহন ৬।খেলাত।

**৭৭।। ৰাগ ।। বসন্ত**

ধ্রুং- কৰু হৰি বিৰিন্দা বিপিন বিহাৰা।

সকল সুৰাসুৰ মুণিগণ চাৰণ

চৰণ ধিয়াৱত যাৰা।।

পদ- আভীৰ বালক মেলে গোসাঞিঁ খেলনা[১] খেলে

কালিন্দী পুলিন নিকুঞ্জে।

শ্যামল সুন্দৰ তনু ৰঞ্জিত কৰবেণু[২]

কৰ্ণ বিভুষিত গুঞ্জে।।

কুন্দ মুকুদ কেলি কদম্ব কুসুম লতি

মালতী মালী তমালে।

কৰু অংগ ভূষিত চুম্বিত মধুকৰ

সুন্দৰ মদন গোপালে।।

গোধূৰি ধূসৰ গাৱ[৩] কঞ্জ নয়নে চায়

চান্দ বয়নে বেণু বায়।

উৰে হীৰ হেম হাৰ ৰঞ্জিত বনমালা

লহু লহু পঞ্চম গায়।।

মৃদুপদে মঞ্জীৰ ঝুৰয়[৪] গম্ভীৰ

ধীৰ গমন গতি ধায়।

গোপী কুচ কুঙ্কুম ৰঞ্জিত পদযুগ

ৰাজীৱ অধিক সুহায়।।

সকল কলাৰস নাগৰ সাগৰ

সুৰ শেখৰ যদুৰায়।

তাকু[৫] পদ পঙ্কজ মধুকৰ মতিহীন

দীন মাধৱে গুণ গায়।।

---

পা. ১।খেলান ২। কৰে বেণু ৩।কায়, গায় ৪। ঝুৰে আতি; ঝুৰিয়া গম্ভীৰ ৫।তযু।

## ৭৮।। ৰাগ ।। শ্ৰী

ধ্রুং- গোধন সঙ্গে ধায়ঃ ৰঙ্গে পঞ্চম গায়ঃ
ঝনকে মঞ্জীৰ পায়ঃ লহু লহু বেণু বায়ঃ
ব্ৰজকুল কমল মধাই ৰে।।

পদ- তনু নৱ জলধৰ পীত অম্বৰ বৰ

মনোহৰ অধৰ সুহায় ৰে।

পীতধটি কটি মাজে ঝনকে কিঙ্কিণী বাজে

ৰাজীৱ লোচন কানাই ৰে।।

এ নদী যমুনা কুলে খেলায় কদম্ব মূলে

মনমথ মোহন মূৰাৰু ৰে।।

কহয় মাধৱ হৰি লীলা নৰ তনু ধৰি

ভকতি নিদান অৱতাৰু ৰে।।

## ৭৯।। ৰাগ ।। গৌৰী

ধ্রুং– ৰে ৰে বিৰিন্দাবনে মন[১] মোহন গোৱিন্দ

বিজয় নন্দকু লাল[২] ৰে।

শিঙা শঙ্খ বেণু বায় ধায় ধেনু

সঙ্গে ৰঙ্গে ব্ৰজবালা ৰে।।

পদ– কনক কিঙ্কনী ঝনকে বাজত

চৰণে মঞ্জীৰ ৰোল।

কোটি মনমথ মোহন মূৰুতি

হেৰয়ে[৩] সুৰ নৰ ভোল।।

অঙ্গি[৪] ভঙ্গি দুহোঁ চৰণ পল্লব

চলায়ে গোপিনী পীউ।

তা ধিকা দিঙ্গী থোগা মৃদঙ্গ বাজত

নাচে[৫] এ জগ জীউ।।

চৌভিতি বালক[৬] বেঢ়ি জয় জয়

কৰত[৭] হৰি হৰি ৰোল।

হৃদয়ে হেম হীৰ হাৰ গজমতি[৮]

মূৰুখ মাধৱে বোল।।[৯]

---

পা. ১।'মন' অনুপস্থিত ২।নন্দ-দুলাল ৩।হেৰিয়ে ৪।অঙ্গ
৫।নাচত ৬।বালকে ৭।কৰতু ৮।গজ-মতি
৯।পদৰ প্ৰতি চৰণৰ অন্তত 'ৰে' আছে।

## ৮০।। ৰাগ ।। মাউৰ ধনশ্ৰী (মতান্তৰে-ধনশ্ৰী)

ধ্ৰুং- মোহে ৰে মদন গোপাল[১]।

হৃদয়ে হেমহাৰ বনমাল[২]।।

পদ- মোহন কদম্ব তলে মোহন কানাই।

মোহন মধুৰ বেণু পঞ্চম[৩] গাই।।

মোহন বিৰিন্দাবনে মোহন কালিন্দী[৪]।

পেখি মোহন কানু ভুলল গোপিনী।।

বেদ শিৰোমণি যাৰ চৰণ বিকাশে।

সো হৰি গোকুল মহ পৰকাশে।।

হৰিকু চৰণ ৰেণু অভিলাষা।

কহতু মাধৱ হৰি দাসকু দাসা।।

---

পা. ১।গোপালা ২। বনমালা ৩।পঞ্চমে ৪।কালিনী।

## ৮১।। ৰাগ ।। ধনশ্ৰী

ধ্ৰুং- কানাই খেলানে যাই মোহন মুৰুৰী[১] বাই

গজেন্দ্ৰ গমন জিনি ধায়ে[২] না লো।
পীত ধটি কটি লুলে হাস্থিতে আঞ্চোল ডুলে
ৰতন মঞ্জীৰ ঝুৰে পায়ে না লো।।

পদ- কনক কন্দুক হাতে খেলায়ে গোপিনী নাথে

নৱ ঘন জিনি তনু ৰাজে।

চন্দনে লেপিত অঙ্গ মনোহৰ ভ্ৰুৱ ভঙ্গ

পেখিতে মদন কৌটি লাজে।।

উৰে লুলে গজমতি মানিক মুখেৰ জৌতি

জিনে কৌটি পূৰ্ণিমাক ইন্দু।

হাসিতে অমিয়া ঝুৰে উষ্চায়া পঞ্চম পূৰে[৩]

প্ৰেমেৰ মূৰুতি সুধা সিন্ধু।।

সুষম কপোল মাঝে মলয় তিলক সাজে

চান্দেৰ উৱৰে[৪] যেন চান্দ।

নয়ন পঙ্কজ জোড়[৫] দশন কুন্দেৰ কোড়

কানু মুখ ঐচন সুচান্দ।।

ব্ৰজেৰ জীৱন ধন গোকুল কামিনী মন

মোহন মূৰুতি মদন।

ভকতি মিনতিহীন কহয় মাধৱ দীন

গতি মেৰি নন্দেৰ নন্দন।।

---

পা. ১।মুৰুলী ২।যায় ৩।সুৰে ৪।উপৰে ৫।যোৰ

**৮২।। ৰাগ ।। ধনশ্ৰী**

ধ্রুং– পৰভাতে বিহাৰে চলে মুৰাৰি।
মধুৰ নটবৰ বেশধাৰী।।

পদ– শিৰে ময়ূৰৰ পুচ্ছ লুলে।
কুসুম কৰ্ণিকাৰ কৰ্ণমূলে।।
কনক পিশঙ্গ বসনা ভালা।
উৰে লুলে বৈজয়ন্তী মালা।।
অধৰ সুধা বেণু ৰন্ধ্ৰ পূৰে।
সৰস[১] পঞ্চম অমিয়া ঝুৰে।।
সঙ্গে অলেখ গোৱালগণে।
দিশ দশ পূৰয় হৰি কীৰ্ত্তনে।।
নিজ পদ ৰঞ্জিত বিৰিন্দাবনে।
হৰি প্ৰৱেশিলা ৰঙ্গমনে।।
কহে মূৰুখ মাধৱ দাসে।
হৰি পাদপদ্ম মকৰন্দ আশে।।

পা. ১। সুৰস।

## ৮৩।। ৰাগ ।। সিন্ধুৰা

ধ্রুং- দেখো পৰমানন্দ পৰম সাদৰে[১]।
বৈকুণ্ঠৰ পতি বৃন্দাবনে কেলি কৰে।।

পদ- কহিতে বিস্ময় বিপৰীত শুনিবাৰ।
কোথা[২] শুনি আছ ভাই ব্রহ্মেৰ বিহাৰ।।
অনুমানে কহে যাক সকল নিগমে।
সোহি হৰি কেলি কৰে গোপশিশু সমে।।
নিত্য শুদ্ধ বুদ্ধ নিৰঞ্জন নিৰাকাৰ।
শুনিতে কৌতুক ভাই[৩] ব্রহ্মেৰ বিহাৰ।।
যিটো জগতৰ অন্তৰ্য্যামী সৰ্ব্ব সাখী।
তাহেৰ ভূষণ গুঞ্জা গেৰু মৈৰা পাখি।।
যাহাৰ প্রকাশে চৰাচৰ প্রকাশয়।
গোপ বেশে কাছে দেখো সেহি কৃপাময়।।
আত্মাৰ বিনোদ শুনিবাৰ বিপৰীত।
হৰিপদে মজি ৰহু মাধৱৰ চিত্ত।।

পা. ১।ভাই দেখো পৰমানন্দ পৰম সাদৰে ২।কথা
৩।বৰ,বড়

**৮৪।। ৰাগ ।। ভাটিয়ালী**

ধ্রুং– আলো ভাই গোকুলে আনন্দ জয় জয়।
মিলিছে পৰম মহোদয়।।

পদ– যিটো নিগমৰ গুপ্ত বিত্ত।
হেন হৰি গোকুলে বিদিত।।
শুনিতে কৌতুক অনুপাম।
ব্রহ্মেৰ বৰণ ঘনশ্যাম।।
পৰামাত্মা যিটো লক্ষ্মীপতি।
হুয়া আছে গোপৰ সঙ্গতি।।
মিলিছে বৈকুণ্ঠ মহোৎসৱ।
সদায়ে আনন্দ হৰি ৰৱ।।
গোকুলেৰ ভাগেৰ মহিমা।
কোনে কহি কৰিবেক সীমা।।
কহয় মাধৱ মূঢ়মতি।
হৰি পাদপদ্মে মোৰ গতি।।

## ৮৫।। ৰাগ ।। সিন্ধুৰা

ধ্রুং– গোধূলি গোধন বান্ধি নাৰায়ণ

স্নানিয়া শীতল জলে।

ক্ষীৰ দধি অন্ন কৰিয়া ভোজন

অঙ্গ ৰঞ্জি[১] পৰিমলে।।

পদ– কৰ্পূৰ তাম্বুল ভুঞ্জি[২] সুৰভি ফুল[৩]

মালতী বকুল মালা।

সুৰঙ্গ বসন ৰতন ভূষণ

ভূষিত কৰিয়া[৪] কালা।।

কেশ মনোহৰ মঞ্জীৰ ৰত্নৰ

চৰণ পঙ্কজে শোহে।

বাইৰ হুয়া পাড়া বহু ৰসে খেড়া

খেলাইতে ভুৱন মোহে।।

ৰুদ্রকবিলাস বিপঞ্চী ৰবাব

সাৰোদ স্বৰমণ্ডলে।

মধুৰ মৃদঙ্গ মন্দিৰা উপাঙ্গ

বহু বাদ্য সুমঙ্গলে।।

নানা ৰসে লাসে কেহোঁ নাচে হাসে

কেহোঁ বায় কেহোঁ গায়[৫]।

ৰাম নাৰায়ণ সঙ্গে শিশুগণ

শোহে বিদ্যাধৰ প্ৰায়।।

নগৰে নগৰে ৰাম দামোদৰে[৬]

ফিৰে আনন্দিত মনে।

হুয়া বিমোহিত তেজি গৃহকৃত্য

চাহে গোপ গোপীগণে।।

শ্যাম শৰীৰৰ কান্তি মনোহৰ

গোপ পূৰ পৰকাশে।

অনন্ত ৰসেৰ ঠাকুৰ খেলায়

কহয় মাধৱ দাসে।।

---

পা. ১।ৰঞ্জে ২।ভুঞ্জিত ৩।ফল ৪।হইয়া ৫। কেহোঁ গায় কেহো বায় ৬। ৰাম নাৰায়ণে।

**৮৬।। ৰাগ ।। শ্ৰী**

ধ্ৰুং- যাদৱ লীলা তোহাৰি।

নিজ সুখ তেজি ভৈলা কেনে

বিপিন বিহাৰী।।

পদ– গৰুড়েৰ কান্ধে[1] যোহি চৰণ বিৰাজে।

সোহি পদে ফুৰা কেনে বিজুবন মাজে।।

প্ৰবন্ধে চিন্তিয়া নপাৰয় যোগী যত।

সোহি পদ শোহে পুতনাৰ হৃদয়ত।।

লক্ষ্মীদেৱী সেৱে যাক সুকোমল হাতে।

সোহি পদ বিৰাজয় কালি সৰ্প মাথে।।

কৌটি কৌটি ব্ৰহ্মা হৰ যাহেৰ দুৱাৰে।

সোহি মহেশ্বৰ কেনে বনে ধেনু চাৰে।।

সকল নিগমগণে যাক নজানয়।

গোৱাৰী যশোৱা কেনে তাহাঙ্ক বান্ধয়।।

বিপৰীত লীলা তেৰি জানন নযায়।

কহয় মাধৱ হৰি গতি তুৱা পায়।।

---

পা. ১। স্কন্ধে।

### ৮৭।। ৰাগ ।। শ্ৰী

ধ্ৰুং– কানু ভাল মূৰুতি মাধুৰী।

এক অঙ্গে চূড় কৰে বিধিৰ চাতুৰী।।

পদ- শ্যাম তনু শোহে চাৰু কাঁচ ঢল ঢল।
দেখিয়া মুদিত ভয়ো নীল উতপল।।
গগণে অথিৰ চান্দ কানু মুখ দেখি।
পঙ্কজ ৰহিল জলে নয়ন নিৰেখি।।
পীত বসন শ্যাম শৰীৰ বিৰাজে।
বিজুৰী চঞ্চৰ ভয়ো নীল মেঘ মাজে।।[১]
সুৰলিত ভুজ যুগ দেখি লাজ পায়া।
পাতাল ভিতৰে ৰৈল বাসুকী লুকায়া।।
ৰূপেৰ মাধুৰী ত্ৰিভুৱন শান্ত কৰে।
অমৃত লুকাইল লাজে দুগ্ধ সাগৰে।।[২]
কানুৰ উপমা দিতে পাৰে কোন[৩] জন।
কহয় মাধৱ গতি নন্দেৰ নন্দন।।

---

পা.১।বিজুলী চঞ্চল ভয়ো নীল মেঘ মাজে/সাজে ২।অমৃত লুকাই ৰৈল দুৰ্গম সাগৰে ৩। কেবা।

## ৮৮।।ৰাগ।।ভাটিয়ালী

ধ্ৰুং- হৰি মোৰ এ দীন দয়াল।
কে জানিতে পাৰয় তোহ্মাৰ[১] ঠাকুৰাল।।

পদ- নাহি জন্ম তোহ্মাৰ[২] তথাপি জন্ম ধৰা।
সোহি জন্মে জীৱৰ জনম দূৰ কৰা।।
সহজে অকৰ্ত্তা কৰ্ম্ম কৰা অপৰ্যন্ত।
সোহি কৰ্ম্মে জীৱৰ কৰ্ম্মৰ কৰা অন্ত।।
তুমি প্ৰভু নিৰ্গুণ গুণেৰ সীমা নাই।
নিৰ্গুণ হোৱয় জীৱ সোহি গুণ গাই।।
কহয় মাধৱ মেৰি ওহি আশা মনে।
সহজ পীৰিত মাগোঁ তোহ্মাৰ[৩] চৰণে।।

---

পা. ১,২,৩।তোমাৰ।

**৮৯।।ৰাগ।। বড়াৰি**

ধ্ৰুং- ব্ৰজেৰ বালেক[১] সঙ্গে ৰঙ্গমনে
নাচতু এ সদাশিৱ।
ওহি অৱতাৰে নিজ যশচয়
প্ৰচাৰি তাৰিলা জীৱ।।
পদ- ওহি যৱ নোহে নিজানন্দ সুখে
সদায়ে ৰমণ যাৰ।
সে সুখ তেজিয়া কমন আনন্দে[২]

করতু নৃত্য[৩] বিহাৰ।।

বেদ শিৰভাগে ৰন্ত্ৰ[৪] মন্ত্ৰ মাজে

যাহেৰ পদ বিৰাজে।

সোহি মহেশ্বৰ বনৰ ভিতৰ

নাচতু কমন কাজে।

অৱিদ্যা মোহিত হুয়া জীৱ যত

তৰিতে পন্থ[৫] নপাৱে।

মোৰ যশ শুনি সুখে নিস্তৰোক

নাচতু এ মন ভাৱে।।

জীৱৰ তৰণ হেতু নাৰায়ণ

বৈকুণ্ঠ তেজিয়া আসি।

কহয় মাধৱ নানা বিধ ৰসে

প্ৰচাৰিলা যশ ৰাশি।।

---

পা. ১।বালক ২।কাৰণে ৩।নিত্য ৪।যন্ত্ৰ ৫।পথ।

**৯০।।ৰাগ।।বড়াৰি**

ধ্ৰুং- হৰিৰ বাংশীৰ ভাই শুনিয়ো কাৰণ।

যিহেতু বাংশীৰ স্বৰে মোহে ত্ৰিভুৱন।.

পদ- নিজ বাংশী ভৈল মূল প্ৰকৃতি প্ৰথম।
সাতগুটি ৰন্ধ্ৰে সাত প্ৰকৃতি নিয়ম।।
হৰিৰ অধৰে ফুঙ্গে পুৰুষ চৈতন্য।[১]
জড় বাংশী প্ৰকৃতি কৰাৱে প্ৰৱৰ্ত্তন।।[২]
কোমল আঙ্গুলিচয় ৰন্ধ্ৰমধে চালি।
বহু ৰসে বাংশীটি বজান্ত বনমালী।।
যিটো নিজ মায়া মোহি আছে চৰাচৰে।
হৰিৰ বাংশীয়ে ত্ৰিভুৱন মোহ কৰে।।[৩]
এহি হেতু বাংশী নিজ মায়া ভগৱন্ত।
ত্ৰিভুৱন মোহি নিৰবধি বজাৱন্ত।
মোহন বাংশীৰ নিজ কৈলোঁ প্ৰয়োজন।
কহয় মাধৱ মেৰি গতি নাৰায়ণ।।

---

পা.১।চেতন ২।সচেতন ৩।'যিটো নিজ মায়া.... ত্ৰিভুৱন মোহকৰে' পদ ফাকি কোনো কোনো পুথিত পোৱা নাযায়।

## ৯১।।ৰাগ।।শ্যামগোড়া

ধ্ৰুং- সোই[১] বনে বনমালী বেণু বজাৱত
ধেনু চৰাৱত ৰঙ্গে।
শৰীৰ নিৰ্ম্মল ভুৱন উজ্জ্বল

কৈল কানু কালা অঙ্গে।।

পদ- নয়ম কমল বয়ন উজ্জ্বল
জিনি কৌটি এক শশী।

সুৱলিত ভুজ দেখিয়া মৃণাল

ৰহিল পঙ্কত পশি।।

এমন সুচান্দ জুড়াৰ টালনি

দেখি নাহি কোনো কালে।

বঙ্কিম ললিত ভ্রূৱ সুৱলিত

দেখিয়া পৰাণ হালে।।

নটবৰ জিনি সুৱেশ সাজনি

ৰূপে কৌটি কাম জিনে।

হৰি পদ কম- লৰ মধুকৰ
কহয় মাধৱ দীনে।।

---

পা. ১।মই।

**৯২।।ৰাগ।।মল্লাৰ**

ধ্রুং- বাহৰ হুয়া আছে দেখো সোই[১]

সুন্দৰ নন্দেৰ বালা।

হাতে বাঁশী মুখে হাঁসি গলে কদম্বের মালা।।

পদ- দেখি নাই শুনি নাই এমন বৰণ কালা।

শ্যাম কটি পীট ধটি উৰৰে মেখলা।।

খেড়ি খেলাইতে চলিয়া আছে মোহন কদম্বতলা।

ধায়া ধায়া মাৰে কানু গোপ ছৱালক ঠেলা।।

কদম্ব তলে দেখো সোই[২] সব ছৱালেৰ মেলা।

নানান বিনোদ ৰসে পাতিয়া আছে খেলা।।

হৰিৰ সঙ্গে খেলান খেলে পুণ্য কৰিছে ভালা।

কহয় মাধৱ গতি এ বাল গোপালা।।

---

পা. ১,২। সই।

**৯৩।।ৰাগ।।নাট মল্লাৰ**

ধ্রুং- অৱ সখি পেখো মদন গোপাল[১]

হাৰ কিৰীটি কুণ্ডল মণি শোহে

কণ্ঠে কদম্বকু মাল[২]।।

পদ- কৰতলে বেণু ধেনু আগু চলয়ে

বাছৰু পাছু পাছু ধায়।

শঙ্কৰ সুৰ চতুৰ মুহ নমিয়ে

ওহি চৰণ গুণ গায়।।

দাম সুদাম বালেক সব্ব ধাব্বয়ে

সঙ্গে ৰঙ্গে খেলে দিনা।

কৃষ্ণক দাস দাস দীন মাধৱ

কহয়ে ভকতি মতি হীনা।।

---

পা. ১।গোপালা ২।মালা।

**৯৪।।ৰাগ।।মল্লাৰ**

ধ্রুং-আলো সই দেখো সই

বিহাৰে চলিয়া আছে কানু।

শ্যাম তনু শোহে জিনি

কৌটি কৌটি ভানু।

পদ আভীৰ বালেক পাছে আগে চলে ধেনু।

সুচান্দ বয়নে বায় সুমধুৰ বেণু।।[১]

অৰুণ অপাঙ্গে চায় মধুৰ হাসিয়া।

বাঁশীৰ স্বৰে ঝুৰে ধাৰে সুৰস অমিয়া।।

কোটি গজৰাজ জিনি চলে ধীৰে ধীৰে।

কতনা মাধুৰী আছে কলীয়া শৰীৰে।

চৌভিতি বালেক চলে জয় জয় ৰোলে।

কানাইৰ কৌতুক ৰঙ্গে হৃদয় হিন্দোলে।।

শ্যাম সুমধুৰ কোন বিধি নিৰমিল।

দেখি লাজে হৃদি মাঝে কাম লুকি দিল।।

কহয় মাধৱ শুন গোৱালৰ জীউ।[২]

ওহি শ্যাম গুণনিধি জগতৰে জীউ[৩]।।

---

পা. ১।'আভীৰ বালেক... বেণু' পদফাকি কোনো কোনো পুথিত নাই ২।জীৱ, ঝীউ ৩।জীৱ।

**৯৫।।ৰাগ।।নাট (মতান্তৰে ধনশ্ৰী)**

ধ্রুং– হৰি হাঁসি বাঁশী বায় : বঙ্কিম নয়নে চায়।

শিথিল গমনে ধায় : ঝুৰয় নূপুৰ পায়।।

পদ– ৰূপে ভুৱন মোহে : গলে গজমতি লোহে।

অলক তিলক শোহে : বাছৰু চাহিতে ৰোহে।।

ইসত মধুৰ হাস : শোহে তনু পীত বাস।

কহয় মাধৱ দাস : ছোড় প্ৰভু মোহ পাশ।।

## ৯৬।।ৰাগ।।বেলোৱাৰ

ধ্রুং- দেখো ৰে নয়ন দুহোঁ ভৰিয়ে।

আৱত কানু মধুৰ ৰূপ ধৰিয়ে।।

পদ- উজ্জ্বৰিত[১] ৰতন ভূষণ অঙ্গ ভঙ্গিয়া।

নটবৰ নাগৰ সাগৰ ৰস ৰঙ্গিয়া।

ষড়ৰস পঞ্চম ঝুড়ত বেণু ধৰিয়া।[২]

ত্রিভুৱন মোহন সুন্দৰ শিখা মণিয়া।।

আৰকত অধৰ মাণিক নীক[৩] দশনা।

শ্যাম শৰীৰ পৰিত পীত বসনা।।

কুন্তল কুটিল অলক ঝমলমীয়া।

সুন্দৰ কপোল তিলক ভালি বনিয়া।।

কুণ্ডল ডগমগী লম্বিত অংশা।

মানস চাৰু সৰোবৰ হংসা।।

সুন্দৰ থিৰ ললিত গজ গমনা।

মাধৱ কহ গতি গোপিনী ৰমণা।।

---

পা. ১।উজ্জ্বলিত ২।সুৰস পঞ্চম পূৰত বেণু ধ্বনিয়া
৩।নিক, নিন্দি, জিনি ৪।বুলীয়া ৫।গোপ গোপী।

## ৯৭।। ৰাগ ।। বেলোৱাৰ

ধ্রুং– বিৰিন্দা বনে খেলে যশোৱা নন্দ লালনা।
যো হৰি সকল ভুৱন একু পালক
সো হৰি বনে বৎস পালনা।।

পদ– কৌটি মদন জিনি ৰাজত যদুমণি
নৱ জলধৰ তনু শোহনা।
ত্রিৱলি বলিত অঙ্গ ভঙ্গ ৰুচিৰ ৰঙ্গ
ৰসিক ভুৱন মন মোহনা।।
বাম ললিত ভুজ মূলে মিলিত বাম
কপোল ভঙ্গুৰ[১] ভ্রূৱ চালনা।
ঈষত ঈষত হাঁসি বাঁশীৰ মধুৰ ধ্বনি
মণিময় জুড়া ভালি টালনা।।
নৱীন গুঞ্জাৰ হাৰ গলে গজমুকুতাৰ
মালা কদম্বকেৰি দোলনা।
ৰতন মঞ্জিৰ মণি ঝুৰয় চৰণ মহ
মাধৱ কহ ভৱ ভুলনা।।

---

পা. ১। ভঙ্গুৰা।

**৯৮।। ৰাগ ।। বেলোৱাৰ**

ধ্ৰুং- হেৰহু মাই মধুৰ ৰঙ্গ বনাই।

যমুনা পুলিন বনে সুৰভি চৰাই।।

পদ- মদন দমন মনোমোহন মাধৱ

শ্যাম ৰুচিৰ তনু শোহে।

শশধৰ কোটি কান্তি ৰুচিৰানন

পেখি ভুৱন মন মোহে।।

ত্ৰিৱলীত অঙ্গ ভঙ্গ ভ্ৰুৱ সুৱলিত

নয়ন কমল দল গঞ্জে।

কহতু দীন মুৰুখমতি মাধৱ

ওহি ভকত ভয় ভঞ্জে।।

**৯৯।। ৰাগ ।। বেলোৱাৰ**

ধ্ৰুং- মাই হেৰ গোকূল চান্দ আৱে।

সকল বালেক মাঝে জিনি নট বপু সাজে

হাঁসি ৰসে ভুৱন ভুলাৱে।।

পদ- শ্যাম শৰীৰ পীত পট পৰিলম্বিত

কণ্ঠে কদম্ব মালা লুলে ৰে।

ৰূপে কৌটি মদন মন মোহন

শিৰে শিখণ্ডক ডুলেৰে।।

ধেনুপদ ৰেণু তনু কৰে কনক বেণু

লহু লহু পঞ্চম গায় ৰে।

কটিত[২] কিঙ্কিণী পাৱে নূপুৰ ধ্বনি

হৰখে হৰখে[৩] ধেনু ধায়ৰে।।

কানুক চান্দ বয়ন ঘন হেৰত[৪]

গোপিনী দৰশন পায়া ৰে।

কহয় মাধৱ হৰি চৰণ শিৰে ধৰি

দীন বৎসল কৰু দায়া ৰে।।

---

পা. ১।বৰ ২।কটিতট ৩।হৰষে হৰষে ৪।কানুক চন্দ বয়ন/ঘন ঘন হেৰত।

**১০০।। ৰাগ ।। মাউৰ (মাহুৰ)**

ধ্রুং- শ্যাম চান্দ মুখ পেখলোঁ মাই।

কদম্ব কন্ধে ৰহি[১] ফিৰি ফিৰি চাই।।

পদ- কদম্ব মালা গলে শোভিত ভালি।

এ তিনি ভুৱন মোহন বনমালী।।

কুণ্ডল ডগমগি ঝলমল মোৰা।

ইষত হাসি ৰসে মানস চোৰা।।

অমল কমল দল লোচন ৰাতা।

অপৰূপ নিৰমিল কমন বিধাতা।।

সকল কলাৰস সিন্ধু নাগৰা।[২]

মাধৱ কহ গতি গোৱিন্দ মেৰা[৩]।।

---

পা. ১।কান্ধে বৈয়া ২।নাগেৰা ৩।মোৰা।

**১০১।। ৰাগ ।।মাউৰ-ধনশ্ৰী (মতান্তৰে ধনশ্ৰী)**

ধ্ৰুং- সাজেৰে সখি নন্দকু বালা।

নৱ ঘন জিনি শোহে তনু কালা।।

পদ- অধৰ সুধাকৰ পূৰিত বেণু।

অঙ্গ বিভূষিত গোপদ ৰেণু।।

ঝলমল ময়ূৰ[১] পুচ্ছ শোহে মাথে।

কৌটি মদন জিনি গোপিনী নাথে।।

নিন্দি ইন্দু কোটি হৰি সাজে।

ঝনকিত[২] কিঙ্কিণী মঞ্জীৰ বাজে।।

কণ্ঠে কেলি কদম্বকু মাল।[৩]

কহতু মাধৱ গতি বাল গোপাল।।[৪]

---

পা. ১।মউৰ ২।ঝনকত ৩।মালা ৪।গোপালা।

**১০২ ।। ৰাগ ।। বড়াৰি**

ধ্রুং- কানাই কিনা ৰূপসিয়া।

গোপীৰ হৰিল প্ৰাণ মুচুকি হাসিয়া।।

পদ- কানাইৰ দেখিয়া ৰূপ হৰিল সুৰুতি।

অপমানে মনমথে মধৰে মূৰুতি।।

কানাইৰ দেখিয়া মুখ মনত বিকলে।

পূৰ্ণ শশী থিৰ নোহে গগণ মণ্ডলে।।

কানাইৰ দেখিয়া দুই নয়ন উজ্জ্বল।

ঝাম্প দিয়া জলমাঝে ৰহিল কমল।।

কানাইৰ দেখিয়া ৰূপ আতি মন[১] লাজে।

মদন লুকাইয়া ৰৈল হৃদয়ৰ মাজে।।

কানাইৰ ৰূপেৰ উপমাক[২] কেবা ক্ষেম[৩]।

এক পুঞ্জ হুয়া আছে গোপিনীৰ প্ৰেম।।

সকল জগতে বোলে কানাই কালিয়া[৪]।

কালা নহে শ্যামৰূপে ধৰিছে অমিয়া।।

অনেক যতনে বিধি চাইল মনে গুণি।

আপুন ৰূপেৰ কানু উপমা আপুনি।।

কানাইৰ দেখিয়া ৰূপ মোহে ত্ৰিভুৱন।

কহয় মাধৱ গতি নন্দেৰ নন্দন।।

---

পা. ১।বৰ ২।উপমাৰ ৩।থেম ৪।কলীয়া।

**১০৩ ।।ৰাগ ।। মাউৰ (মাহুৰ)**

ধ্ৰুং- দেখত নাগৰ নট বিলসিয়া

বালক মহ কানু সাজতৰি।

ভুৱন সুন্দৰ বৰ শ্যাম মনোহৰ

চান্দ কৌটি জিনি ৰাজতৰি।।

পদ- ৰতন ভূষণ চাৰু অঙ্গ বিৰাজিত

চৰণ মঞ্জীৰ মণি ৰাজতৰি।

ভ্ৰূৱ সুৱলিত চাৰু বঙ্কিম লোচন

পেখি মদন কৌটি লাজতৰি।।

ঈষত মধুৰ হাঁসি বাঁসী বিনোদিত

মোদিত পঞ্চম গাৱতৰি।

নন্দ কুমাৰ চৰণ যুগ ৰাজীৱ

মাধৱ মন ৰহু ভাৱতৰি।।

**১০৪।। ৰাগ ।। মাউৰ (মাহুৰ)**

ধ্রুং– দেখো মাই আৱত নন্দকু লাল[১]।

নিন্দি নটৱৰ মূৰুতি মনোহৰ

শ্যাম মদন গোপাল।।

পদ– বাম বাহুত মিলিত মনোৰম

ললিত বাম কপোল।

অধৰে অৰ্পিত কনক বিৰচিত

মধুৰ মুৰুৰী অমোল।।

অধৰ শোণিমা চিবুক শ্যামিমা

বংশী শোভিত ভাল।

প্রৱাল মৰকত জড়িত যৈচন

হেম পঙ্কজ নাল।।

ভ্রুৱ উন্নত চাপ মনমথ

নয়ন তচু[২] পঞ্চবাণ।

কহয় মাধৱ মৰম হানি হৰি

হৰল গোপীক[৩] পাণ।।

---

পা. ১।নন্দ দুলাল ২।তসু ৩।গোপিনীক।

**১০৫।। ৰাগ ।। ভাটিয়ালী**

ধ্ৰুং– গোপাল খেলায় কদম্ব তলে।

ভুৱন মোহন মুৰুতি মধুৰ

মদন জিনিয়া জ্বলে।।

পদ– তনু নৱ ঘন দলিত অঞ্জন

জিনিয়া আতি বিৰাজে।

ৰতন ভূষণ কেয়ূৰ কঙ্কণ

কটিত কিঙ্কিণী বাজে।।

কৰিয়া সুৱেশ বান্ধি আছে কেশ

টালনি[১] কৰিয়া জুড়া।

চৌভিতি বেঢ়িয়া মণি মুকুতাৰ

মালা মউৰেৰ[২] চূড়া।।

হাসিয়া খেলায় বোলান বোলায়

অমিয়া যেন বৰিষে।

নূপুৰ ঝমকে বাজয় ঠমকে

চলয় মন হৰিষে।।

নেতেৰ আঞ্চল[৩] কৰে ঝলমল

গাৱে মৰিমল বাসে।

ওহি ৰূপে মন মজোক হামাৰ

কহয় মাধৱ দাসে।।

---

পা. ১।চালনি ২। ময়ূৰেৰ ৩।নেতৰ আঞ্চোল।

**১০৬।। ৰাগ ।। ভাটিয়ালী**

ধ্রুং– হৰি তেৰি লীলা বিপৰীত।
সুমৰিতে হামাৰ আকুল কৰে চিত্ত।।[১]

পদ– অনন্ত ব্ৰহ্মাণ্ড পতি হইয়া আপুনে।
ধৰিলা লৱণুচোৰা নাম কিবা[২] গুণে।।

ব্ৰহ্মা হৰে আৰাধে যাহাৰ দুই পাৱ।

সে তুমি লৱণু মাগা গোৱাৰীক ঠাৱ।।

কাল মায়া কাম্পে যাৰ নাম সুমৰণে।

যশোদাৰ ভয়ে তুমি কাম্পা[৩] কি কাৰণে।।

যাৰ মায়া পাশে বন্দী সকলে সংসাৰ।
সে তুমি বন্ধন কেনে লৈলা যশোদাৰ।
যাৰ আজ্ঞা পালে চৰাচৰ নিৰন্তৰে।
কেনে ধেনু ৰাখা তুমি গোৱালীৰ ঘৰে।।
গৰুড় বাহনে গতি সদায় যাহাৰ।
সে তুমি গোপীক বহা এ কোন বেহাৰ।।[৪]
জানিলোঁ কেৱলে তুমি ভকতিৰ বশ্য।
সকল নিগমে প্ৰভু এ বৰ ৰহস্য।।
কহয় মাধৱ দাস কঠিন পামৰ।
তোহ্মাৰ দাসেৰ দাস ভৈলো দামোদৰ।।

---

পা. ১।চিত ২।কেবা ৩।কম্পা ৪।বিহাৰ।

## ১০৭।। ৰাগ ।। ভাটিয়ালী

ধ্রুং- ভাল কালিয়া[১] কানু খেলান খেলায়।
খেড়াৰ[২] মাধুৰী হৰি ভুৱন ভুলায়।।
পদ- লয়লাসে ৰঙ্গা দুই চৰণ চলায়।
ৰুণঝুণ কৰিয়া নূপুৰ বাজে পায়।।
আভীৰ বালকে বেঢ়ি চাপৰি বজায়।

পাক ফিৰি ফিৰিয়া নাচয় যদুৰায়।।

চন্দনে লেপিত ভুজ[৩] দোলাৱে গোপাল।

উৰে ঝলমল কেলি কদম্বেৰ মাল।।

গজ মুকুতাৰ হাৰ গান্থি গলে লুলে।

পিন্ধন নেতেৰ ধড়া কটি বেঢ়ি দুলে।।

মোহন কনক বেণু উড়িয়া[৪] ধৰে হাতে।

ময়ূৰেৰ চুড়া ঝলমল কৰে মাথে।।

নেতেৰ আঞ্চল থানি হালয় বতাসে।

সুহৃদ গোপেৰ মুখ চায়া চায়া হাঁসে।।

মাণিক জিনিয়া জ্বলে দন্ত দুই পান্তি।

দিশ পাশ শোহে শ্যাম শৰীৰেৰ কান্তি।

বঙ্কিম নয়নে চাহে অমিয়া বৰিষে।

মাধৱেৰ মন ৰহু এৰূপ হৰিষে।।

---

পা. ১।কলীয়া ২।খেলাৰ ৩।অঙ্গ ৪।উৰি।

**১০৮।। ৰাগ ।। শ্ৰী**

ধ্ৰুং– এ হৰি[১] জয়তি পৰমানন্দ এ নন্দ কুমাৰ।

নিগম নিগূঢ় হৰি ভয়ো অৱতাৰ

পদ- তেজিয়া বৈকুণ্ঠ পুৰী এ চিদলিস।
কি লাগি কমলাপতি ব্ৰজে কৈলা বাস।।
শঙ্খ চক্ৰ গদা পদ্ম তেজি অস্ত্ৰ চাৰি।
কি লাগি হইলা[২] শিঙ্গা বেত বেণুধাৰী।।
কৌটি কৌটি ব্ৰহ্মাণ্ডেৰ তেজিয়া বিভুতি।
কি লাগি হইলা প্ৰভু গোপেৰ মূৰুতি।।
যাৰ আজ্ঞা বাণী ব্ৰহ্মা হৰে শিৰে ধৰে।
সোহি আজ্ঞা পালা কেনে গোৱালীৰ ঘৰে।।
যাৰ পদৰেণু শিৰে ধৰে দিগপাল।
সোহি প্ৰভু ভৈলা কেনে ব্ৰজে ৰাখোৱাল।।
কহয় মাধৱ দাস দীন মতিহীনা।
সহজে দয়ালু হৰি ভকতি অধীনা।।

---

পা. ১।কোনো কোনো পুথিত 'এ হৰি' অংশ নাই।
২।ভৈলাহা।

**১০৯।। ৰাগ ।। শ্ৰী**

ধ্ৰুং- প্ৰাণ পীতাম্বৰ বজাই আৱত বেণু।
বালেক বেঢ়ি খেড়ি কেলি কৌতুক[১]

শোহে তনু ধেনু ৰেণু।।

পদ- চন্দন তিলক অলক চাৰু সুন্দৰ

ভ্ৰূৱ সুৱলিত ৰুচি হাঁসে।

থিৰ বিজুৰী উজ্জ্বৰ ঘন যৈচন

শ্যাম শোভিত পীতবাসে।।

বেণু বিষাণ নিসান শত বাজত

ধেনু চৰাৱত ৰঙ্গে।

নিৰমল গগনে তাৰক জৈছে ঝলকে

ৰতন ভূষণ কালা অঙ্গে।।

কুন্দ কুসুম কেশ ভূষিত সুন্দৰ বেশ

বিনোদ বিমল ৰস সিন্ধু।

কহয় মাধৱ ওহি জগজন বন্দন

ভকত জনেৰ নিজ বন্ধু।।

---

পা. ১।বেঢ়ি খেড়ি কৌতুক, বেঢ়ি খেলই কৌতুক

**১১০।। ৰাগ ।। নাট (মতান্তৰে নাটমল্লাৰ)**

ধ্ৰুং- কানু ৰায় নাচতু ৰঙ্গে সঙ্গে ব্ৰজ ছৱাল ৰে।

গগনে গন্ধৰ্ব্বগণে গাৱত বাৱত তাল ৰে।।

পদ- ঝনকে[১] কিঙ্গিনী বাজে সাজে নট বিলাসে ৰে।
ঠমকে ঠমকে চলে অমিয়া মাধুৰী হাঁসে ৰে।।
চৰণে মঞ্জীৰ ঝুৰে উৰে হাৰ দোলনা ৰে।
চন্দনে লেপিত ভুজ দোলত ভ্ৰূৱ চালনা ৰে।
ৰতন ভূষণ চাৰু শ্যামল অঙ্গে২ শোহাৱে ৰে।
কহয় মাধৱ গতি নন্দ নন্দন পাৱে ৰে।।

---

পা.১।ঝমকে ২।শ্যাম তনু অঙ্গ।

**১১১।। ৰাগ ।। শ্ৰী গৌৰী**

ধ্ৰুং- ভালি নাচে মদন গোপালা।[১]
বজায় মোহন বেণু গলে বনমালা[২]।।
পদ- অৰুণ চৰণ দুহোঁ ঠমকে চলায়।
ঈষত ঈষত হাঁসি পঞ্চম গায়।।
শ্যামল সুন্দৰ চান্দ বয়ন বিকাশ।
কহয় মাধৱ দীন হৰি পদ দাস।।

---

পা. ১।গোপালা ২।বজাৱে মোহন বেণু গলে বনমালা।

**১১২।। ৰাগ ।। বসন্ত (মতান্তৰে–তুৰ/তুড় বসন্ত)**

ধ্রুং– সই দেখো দেখো দেখো সুন্দৰ কানু
খেলায় কদম্ব তলে।
কোটি কাম জিনি মধুৰ সাজনি
চান্দ কোটি জিনি জ্বলে।।

পদ– গলে গুঞ্জামণি ভ্রূৱেৰ চালনি
টালনি জুড়াৰ ছান্দে।
হৰিল গিয়ান ধিয়ানে ৰহলোঁ
বাজিয়া কানাইৰ ফান্দে।।
হাঁসি আখি ভঙ্গে বাঁশী বায় ৰঙ্গে
ত্রিৱলি বলিত অঙ্গে।
ব্রজেৰ বালেক সমান সাজনি
খেলায় কানাইৰ সঙ্গে।।
এমন মোহন মধুৰ মূৰুতি
স্রজিল কমন বিধি।
কতনা পুণ্যেৰ ফলে ব্রজমাজে
মিলিছে গুণেৰ নিধি।।

সকল সুখেৰ মাথে[১] ছাৰ দেঞ
কানাইৰ নেছনি[২] দিয়া।
কহয় মাধৱ নন্দ সুত পাৱে
মজিয়া ৰহোক হিয়া।।

---

পা. ১।মুখে ২।নিছনি, নিচনি।

### ১১৩।। ৰাগ ।। ভাটিয়ালী

ধ্রুং– কদম্ব তলে সই শ্যাম[১] সাজে।
বয়ন হেৰি চান্দ সূৰুজ লাজে।।

পদ– নীল কুন্তলে বান্ধিছে জুড়া।
চৌভিতি লুলে ময়ূৰ পুচ্ছেৰ চূড়া।।
মালতী মালা চাৰু শোভিত[২] মাথে।
গেণ্ডুৱা লুম্ফি লুম্ফি ধৰয় হাতে।।
বলাইৰ হাতেৰ খসি গেণ্ডুৱা পড়ে।
হাঁসিৰ খলখলি অধিকে চড়ে।।
পানীৰে যাইতে সোই দেখিলোঁ গিয়া।
কৌতুকে হিন্দোল পাড়ে হামাৰ হিয়া।।
অমিয়া ঝুৰে ধাৰে কানাইৰ ভাৱে।[৩]

কতনা মধু[4] আছে কালিয়া[5] গাৱে।।

হামাৰ কৰম ফলে মিলাইলা বিধি।

কহয় মাধৱ হৰি প্ৰেমেৰ নিধি।।

---

পা. ১।শ্যামল ২।চৌভিতি ৩।পাৱে ৪।মাধুৰী ৫।কলীয়া, কলীয়াৰ।

**১১৪।। ৰাগ ।। ধনশ্ৰী**

ধ্ৰুং- গোৱিন্দ আৱে ভুৱন ভুলাই।

বালেক সঙ্গে ৰঙ্গে যদু নন্দন

গোধন আগু বুলাই[1]।।

পদ- গোধূৰি ধূসৰ তনু শ্যাম সুন্দৰ বৰ

চঞ্চৰ নয়ন ভুলাৱে[2]।

শাৰদ চান্দ কৌটি বয়ন বিৰাজিত

সুমধুৰ মুৰুৰী বোলাৱে।।

অঙ্গে পৰিমল গেৰুৱা চৰাৱে

ময়ূৰ মুকুট শিৰে বনিয়ে।

বনজ কুসুমকহোঁ মালা ডোলত

ব্ৰজ ভুলত বেণু ধনিয়ে।।

শিৱ চতুৰমুহ যো পদ সেৱত

যোগী যাকু ধিয়াই।

সোহি কৃপাল ব্রজহি ৰাখোৱাল

দীন মাধৱে গুণ গায়।।

---

পা. ১।চলাই ২।ডুলাৱে, ডোলাৱে।

**১১৫।। ৰাগ ।। (বসন্ত (মতান্তৰে তুৰ/তুড় বসন্ত)**

ধ্রুং- তোহ্মাৰ[১] বিনোদ হৰি জানিব কমনে।

বৈকুণ্ঠ তেজিয়া কেলি কৰা বৃন্দাবনে প্ৰাণ গোপাল[২]।।

পদ- সদায় ৰমণ যাৰ নিজানন্দ সুখে।

সো হৰি বিৰিন্দাৱনে ফুৰা কোন দুঃখে।।

ব্রহ্মা হৰে সেৱে যাৰ চৰণৰ ৰেণু।

কোন সুখে তুমি প্রভু চাৰি ফুৰা ধেনু।

যো তুমি অনন্ত কোটি ব্রহ্মাণ্ডেৰ পতি।

কোন লাভে লৈলা গোপ শিশুৰ সঙ্গতি।।

সৃষ্টি স্থিতি প্রলয় কটাক্ষে মিলে যাৰ।

ই কোন বড়াই তুমি হৰা ভূমি ভাৰ।।

তপ জপ যাগ যোগে যি গতি নপাৱে।

সি গতি লভিল সুখে কাম দ্বেষ ভাৱে।।

কৃপাৰ সাগৰ প্ৰভু তুমি হৃষীকেশ।

মাগয় মাধৱে তুৱা পাৱে কৃপালেশ।।

---

পা. ১।তোমাৰ ২।'প্ৰাণ গোপাল' অংশ গীতৰ প্ৰাৰম্ভতে আছে।

**১১৬।। ৰাগ ।। ভাটিয়ালী**

ধ্ৰুং- শুন লো যশোৱা মাই বচন হামাৰি।

কি পুণ্য কৰিয়া পাইলা তনয় মুহাৰি।।

পদ- সুৰাসুৰ মুনি যাৰ চৰণ ধিয়ায়।

সহস্ৰ বয়নে প্ৰভু যাৰ গুণ গায়।।

চাৰি বেদ বিচাৰি নপাৱে যাৰ অন্ত।

তোৰ ঘৰে ধেনু ৰাখে সোহি[১] ভগৱন্ত।।

নিত্য নিৰঞ্জন শিৱ[২] পুৰুষ পুৰাণ।

এ তিনি ভুৱনে যাৰ নাহিকে সমান।।

কৌটি ব্ৰহ্মাণ্ডেৰ পতি নাথ নাৰায়ণ।

সো হৰি বয়নে তুহু কয়লি চুম্বন।।

তিনি গুণ হীন প্ৰভু যোহি দামোদৰ।

কৌটি ব্ৰহ্মাণ্ড বৈঠে[৩] যাহেৰ উদৰ।।
যাৰ মায়া পাশে বন্দী ই তিনি ভুৱন।
সো হৰি উড়লে[৪] তোহোঁ[৫] কয়লি বন্ধন।।
যাৰ নাম লৈয়া সুখে তৰে পাপী জন।
সোহি প্ৰভু তোৰ কোলে চৰি খাইলে তন।।
কহয় মাধৱ দীন শুন হেৰ মাই।
তুহোঁ সম ভাগ্যৱতী আৰ কেহোঁ নাই।।

পা. ১।হেন ২।দেৱ ৩।বসে ৪।উদৰে ৫। তুমি।

**১১৭।। ৰাগ ।। ভাটিয়ালী**

ধ্ৰুং- গোপাল পলায়া আছা ক্ষীৰ লৱণু খায়া।
পাছে পাছে যশোৱা মাৰিতে ফুৰে ধায়া।।
পদ- আৱৰ নযায়ো পুতা লাগল পাইলোঁ তোৰে।
কত বৰিষেৰ মথনি মাঠি ভাঙ্গিয়া আছ মোৰে।।
খায়া দায়া সিঙ্কিয়া লৱনি কৈলি নাশ।
মাৰিয়া শিখাইবো আজি আৱৰ[১] নেড়াস।।
চৰাচৰ গুৰু হৰি দেৱ[২] শিৰোমণি।
তাৰে মাৰিবাৰে খেদে নন্দেৰ ঘৰিণী।।

জননীৰে ভয়ে কান্দি ৰহিলা মুৰাৰি।
খেদিয়া ধৰিলা হাতে যশোৱা গোৱাৰী।।
যাৰ নামে কম্পিয়া অন্তক দূৰ হয়।
সো প্ৰভু বেপিত[৩] ভৈলা যশোৱাৰ ভয়।
ঘৰে আনি ধৰিয়া গোৱালি বড় ৰাগে।
জগতেৰ প্ৰভুক[৪] বান্ধিতে লৈলা পাগে।।
বান্ধিতে যশোৱা গালি পাৰে গোপালৰে।
কাৰে নাদিয়া[৫] আছ দুখ ওহি গোকুলৰে।।
সে দুখ কৰিবোঁ দূৰ বান্ধি থৈয়া তোৰে।
কত অপযশ পুতা মনে আছে মোৰে।।
শুনিয়া কৌতুক বড় মিলিব সৱাৰে।
বান্ধি থৈয়া আছৈ আজি লৱণু চোৰাৰে।।
ওহি বুলি যশোৱা গাৱৰ বলে আটে।
সকল গোৱাৰি হাঁসে[৬] জড়ি যত নাটে।।
সকল নিগমে যাৰ মহিমা নজানে।
তাৰে গোপী যশোৱা তনয় বুলি মানে।।
যাৰ সুমৰণে ভৱ বন্ধ দূৰ হয়।

ভকতিৰ বলে দেখো সেহো বান্ধ লয়।।

সুৰাসুৰে যাৰ পদ ৰেণু সেৱা কৰে।

পাপী অন্ত্য জাতি যাৰ নাম লৈয়া তৰে।।

কহয় মাধৱ মাই নাবান্ধিয়ো তাৰে।

জগতেৰ গতি হেতু তনয়[৭] তোহ্মাৰে।।

---

পা. ১।সেন্তৰে ২।বেদ ৩।কম্পিত ৪।গুৰুক ৫।নেদি ৬।দেশে
৭।নিয়ন্তা।

**১১৮ ।। ৰাগ ।। ধনশ্ৰী**

ধ্ৰুং- কানাইৰ কমল মুখ পেখিতে নয়ন সুখ

কৌটি ইন্দু জিনি পৰকাশে।

শ্যামল সুন্দৰ বৰ নৱ নীল জলধৰ

তনু ভাল শোহে পীতবাসে।।

পদ- আভীৰ বালক[১] সঙ্গে খেলান খেলায় ৰঙ্গে

ৰহিয়া কদম্ব তৰু তলে।

হাঁসি হাঁসি বংশী বায় বঙ্কিম নয়নে চায়

কদম্বেৰ মালা লুলে গলে।।

অৰুণ চৰণ মাঝে মঞ্জীৰ ঝনকে[২] বাজে

সাজে কৌটি মনমথ জিনি।

যমুনা পুলিন বনে ধায়া ধায়া ৰঙ্গ মনে

গেণ্ডুৱা খেলায় যদুমণি।।

তেজিয়া বৈকুণ্ঠ সুখ লীলায়ে গোপেৰ ৰূপ

ধৰি হৰি গোধন চৰায়।

ভকত বসল দেৱ নাহি হৰি সম কেৱ

মাধৱ দীন গুণ গায়।।

---

পা. ১।বালেক ২। ঝমকে।

## ১১৯।। ৰাগ ।। গৌৰী

ধ্রুং- অৱহু মাঞ্চি[১] দেখত মিলল আনন্দা[২]।

বালেক সতে[৩] উগত ভয়ো হামাৰি।।

নয়ন চকোৰ শ্যাম চান্দা[৪]।।

পদ- দিৱস সৱহু মাই মাধু বিৰহ তাপ

তপন[৫] তাপিন তনু মোৰা।

অৱ যশোমতী সুত চান্দ শীতল দূৰ[৬]

কয়ল সয়ল তাপ থোৰা।।

কমন চতুৰ বিধি মাধু মধুৰ ৰূপ

নিৰমিল কতহু সানন্দা।

জনমে জনমে গতি ওহি কমল পদ[7]

কহয় মাধৱ মতি মন্দা।।

---

পা. ১।মাই ২।আনন্দ ৩।মাথে ৪।চান্দ ৫। তপনু ৬।দেহ ৭।কমলাপতি।

## ১২০।। ৰাগ ।। গৌৰী

ধ্রুং- কমল নয়নকে[১] আজু পেখলোঁ মাই

গোৱিন্দ পেখিতে নয়ন জুড়াই।

শ্যামল অঙ্গে পিশঙ্গ পিচোৰা

ময়ূৰ মুকুট বনাই।।

পদ- মৃগমদ মলয়জ মিলিত বহু ভাজিত

চন্দন অঙ্গে চড়াই।

হেম জড়িত বহু ৰতন বিভূষিত

হৰষে চলয় যদুৰাই।।

পঙ্কজ বয়ন স্মিত অৱলোকন

অলক তিলক মুহ শোহে।

সৱ জগ বন্দন নন্দকু নন্দন

কহয় মাধৱ গতি মোহে।।

পা.১। নয়নকু।

**১২১।। ৰাগ ।। শ্ৰী**

ধ্ৰুং- শ্যাম মনোহৰ হৰয়ে নাগৰ জনে[১]।

হামাৰি জীৱন কানু হাঁসি হৰল ৰে

কালা অঙ্গেৰ তিনি ঠানে[২]।।

পদ- ভ্ৰূৱ মদন ধনু তথিয়ে নিৱেশিত

বঙ্কিম নয়ন পঞ্চবাণ।

অমিয়া মধুৰ বাণী মোহ মন্তৰ জপি

ঘনে ঘনে কৰতু সন্ধান।।

মোহন বংশীৰ সানে হৰল চেতন মন

মৰম ভেদল বৰ টানে।

কহয় মাধৱ মাঞি[৩] কানাই জীৱন বিনে

কভু নাহি ৰহতু পৰাণে।।

পা. ১।জানে, জানেলো ২।ঠানেলো ৩। মাই।

## ১২২।। ৰাগ ।। শ্ৰী*

ধ্ৰুং– গোকুলে আজু গোপাল বিনে ভয়ো আন্ধিয়াৰি।
উগত সূৰ দূৰ গয়ো ৰে মুৰাৰি।।

পদ– হামাৰি জীৱন দূৰ গয়ো ৰে গোৱিন্দ।
নয়নে নেদেখোঁ আৰ পদ অৰৱিন্দ।।
ৰবি বিনে দিন নোহে জল বিনে মীন।
হৰি বিনে গোপীৰ জীৱন ভেল থীণ।।
ধৰণী লুটিয়া গোপী ফোকাৰে সঘন।
কহয় মাধৱ গতি নন্দেৰ নন্দন।।

---

* কামৰূপ অনুসন্ধান সমিতিৰ পুথিত ৰাগৰ উল্লেখ নাই।

## ১২৩।। ৰাগ ।। কৌ

ধ্ৰুং– প্ৰাণনাথ নকৰা বঞ্চিত।
তোহাৰি বিয়োগ আগি দহে মেৰি[১] চিত্ত।
এ[২] বন্ধু মাধৱ হে।।

পদ– পতি সুত সুহৃদ সোদৰ বন্ধুজন।
সৱ সুখ তেজি তেৰি ভজিলোঁ চৰণ।।[৩]
সোহি প্ৰাণনাথ তোহোঁ যাহা কাহাঁ লাগি।

নৰহে হৃদয়[৪] মেৰি[৫] তেৰি লাগি আগি।।

সব্ব তেজি তোহাৰি চৰণে কৈলোঁ আশ।

ভকত বসল স্বামী নকৰা নৈৰাশ।।

বিনে তোহোঁ ৰহব জীৱন নাহি মোই।

তোহোঁ বিনে হামাৰি বান্ধৱ নাহি কোই।।

হাস্য নিৰীক্ষণ তেৰি মধুৰ আলাপ।

সুমৰি সুমৰি মেৰি মিলে হৃদি তাপ।।

ধৰণী লুটিয়া গোপী কৰত ক্ৰন্দন।

কহয় মাধৱ গতি নন্দেৰ নন্দন।।

---

পা. ১।মোৰ ২।ঐ ৩।সব্ব সুখ তেজি ভজো তোহাৰি চৰণ ৪।জীৱন ৫। মোৰ।

**১২৪।। ৰাগ ।। কৌ**

ধ্রুং- চল ৰে চল বন্ধু উদ্ধৱ হে

সুমৰি গোকুল মন দহে।[১]

গোপী আকুল হামু বিৰহে।।

পদ- সুমৰি সুমৰি মন ঝুড়য় ঘনে ঘন

ধৰিতে নপাৰোঁ হিয়।

হামাতে নিতে নিত সুম্পি প্ৰাণচিত্ত[২]

সয়ল গোপিনী ধৰে জীৱ।।

পুত্ৰ পৰিবাৰ ছাড়ল নিৰন্তৰ

হামাতে কয়ে পতি আশা[৩]।

মাধৱ দাস দীন কহয় ভকতি হীন

হোঁ হৰি দাসকু দাসা[৪]।।

---

পা. ১।মেৰি সুমৰি গোকুল মন দহে ২। প্ৰাণচিত ৩।আশ ৪।দাস।

**১২৫।। ৰাগ ।। ভাটিয়ালী**

ধ্ৰুং– আলো মঞি কি কহবোঁ দুঃখ।

পৰাণ নিগড়ে নাদেখিয়া চান্দ মুখ।।

পদ– কত পুণ্যে লভিলোঁ গুণেৰ নিধি শ্যাম।

বঞ্চিয়া নিলেক নিকৰুণ বিধি বাম।।

শ্যাম কানু বিনে মোৰ নৰহে জীৱন।

হা শ্যাম বুলিতে আকুল[১] কৰে মন।।

দিৱস নযায় সুখে নযায় ৰয়নী।

চান্দ চন্দন মন্দ পৱন বৈৰিণী[২]।

কোথা যাঞোঁ কোথা থাকোঁ[৩] কিবা কৰে মন।
কানাইৰ নেচনি[৪] দেঞো সব্ৰ বন্ধু জন।।
শ্যাম কানু বিনে জীৱনেৰ কিবা কাজ।
বিৰহ অনল জ্বলে হৃদয়ৰ মাজ।।
নজানো দাৰুণ বিধি কি কৰে বিপত্তি।
কহয় মাধৱ ৰাঙ্গা[৫] পদে মোৰ গতি।।

---

পা. ১।দগধ ২।বৈৰণী ৩।কথা জাঞু কথা থাকো
৪।নেওচনি ৫।ৰঙা, ৰঙ্গা।

## ১২৬।। ৰাগ ।। সুহাই

ধ্ৰুং– সখি হে! চলে কানু বিৰিন্দাবনে।
বয়ন চান্দেৰ সুধা নয়ন চকোৰ দুহোঁ
পিয়া থাকোঁ হেন লয় মনে।।
পদ– বংশী অধৰে ধৰি নয়ন আঞোৰ ভৰি
প্ৰেম ৰসে বৰিষে অমিয়া।
মাণিক মুখেৰ কান্তি দশন মোতিম পান্তি
প্ৰাণ মেৰি হৰত হাঁসিয়া।।
ভূৱন মোহন ৰূপ পেখিতে মদন চুপ

হামু সখি বিৰহিণী নাৰী।

নাদেখিতে তনু ক্ষীণ কহয় মাধৱ দীন

গতি মতি মুকুতি মুৰাৰি।।

**১২৭।। ৰাগ ।। কেদাৰ**

ধ্রুং- কদম্ব তৰু তলে নৱীন নীৰদ

ৰুচিৰ সুন্দৰ শ্যাম।

ভুৱন মোহন মূৰুতি মনোহৰ

কতিহো নাহি উপাম।।

পদ- ভ্রূৱ মনোহৰ নয়ন চঞ্চৰ

বয়ন চান্দ উজোৰ।

হাঁসিতে অমিয়া বৰিষে পেখি সখি

জীৱন নাৰহে মোৰ।।

কতনা যতনে বিধি নিৰমিল

সুন্দৰ কানুক ৰূপ।

পেখিতে লাৱণ্য লাজে ভয়ো পুনু

কৌটি মনমথ চুপ।।

ৰতন ভূষণ যৈচে নিৰমল
গগণে তাৰা শুহায়[১]।
কহয় মাধৱ হামাৰি মজো মন
নন্দ নন্দন পায়।।

---

পা. ১। সুহায়

**১২৮।। ৰাগ ।। কৌ**

ধ্রুং– উঠ উঠ[১] বাপু গোপাল হে
নিশি পৰভাত ভৈল।
কমল নয়ন বুলি ঘনে ঘন
যশোৱা ডাকিবে লৈল।।

পদ– মোৰ প্ৰাণধন সুচান্দ বয়ন
গাৱ চাল তেজি[২] নিন্দ।
সৱ পুৰুষেৰ শিৰৰ ভূষণ
তুমিসে বাপু[৩] গোৱিন্দ।।
মোৰ পুত্ৰ বুলি যশোৱা গোৱালী
বুকে বান্ধি কোলে লৈল।
বয়ন চুম্বন কয়ে[৪] ঘনে ঘন

আনন্দে গমন ভৈল।।

সিদ্ধ মুনিগণে চিন্তিয়া নপাৰে

সো হৰি যশোৱা কোলে।

ত্ৰিজগত পতি ভকতি মিলল

মূৰুখ মাধৱে বোলে।।

---

পা. ১।উঠ ৰে উঠ ২। গাৱ চালি তেজ ৩। উঠহে বাপু ৪। কৰি।

**১২৯।। ৰাগ ।। অহিৰ**

ধ্রুং- উঠ উঠ বাপু[১] চান্দ বয়ন।

যশোৱা মাৱে ডাকে ঘনে ঘন।।

পদ- লহু লহু বহে মলয়া বাৱ।

কোকিলে তেজে সুললিত ৰাৱ।।

ৰৱি পৰশল[২] তিমিৰ নাশি।

সঙ্গহি বালেক সৱ মিলিল আসি।।

দধি দুগ্ধ ঘৃত ব্যঞ্জন ভাতে।

পাঞ্চনি শিঙ্গা বেত বেণু হাতে।।

গোবৎস পাল লেহু সঙ্গ কৰি।

উঠ গোষ্ঠে চল ঠাকুৰ মেৰি।।

যশোৱাক বাণী শুনি হৃষীকেশ।

বালেক সঙ্গে গোষ্ঠে পৰৱেশ।।

দীন মাধৱে কহয় পৰমাণ।

হৰি বিনে নাহি তাৰেক আন।।

---

পা. ১।উঠা উঠা বাপু ২।পৰশন, পৰশনে।

**১৩০।। ৰাগ ।। শ্যাম**

ধ্রুং– তেজ ৰে কমলাপতি পৰভাতে নিন্দ।

তেৰি চান্দ মুখ পেখোঁ উঠ ৰে গোৱিন্দ।।

পদ– ৰজনী[১] বিদূৰ দিশ ধৱলী বৰণ।

তিমিৰ ফাড়িয়া[২] বাজ ৰবিৰ কিৰণ।।

শতপত্র বিকশিত ভ্রমৰা উড়াই।

ব্রজবধু দধি মথে তুৱা গুণ গাই।।

দাম সুদামে ডাকে তেৰি লৈয়া নাম।

হেৰ দেখ উঠিয়া আসিল বলোৰাম।।

নন্দ গেল বাথানে গোৱাল গেল পাল।

সুৰভী চাৰিতে লাগে উঠৰে গোপাল।।

ক্ষীৰ লৱণু লৈয়ো[৩] শিঙা বেত বেণু।
সকালে মেলিয়ো গৈয়া[৪] হাম্বালাৱে[৫] ধেনু।।
কহয় মাধৱ মাই কিনো তপসাইলা।
ত্রিজগত গুৰু[৬] হৰি ৰাখোৱাল পাইলা।।

---

পা. ১।ৰয়নি ২।ফেড়িয়া, ফিড়িয়া ৩।লৈয়া ৪।বৎস
৫।হামলাৱে ৬। পতি।

**১৩১।। ৰাগ ।। শ্যাম**

ধ্রুং– গোৱিন্দ দুধ পিউ দুধ পিউ বোলে ৰে যশোৱা।
দুধ নখায়া হৰি কান্দে ওঞা ওঞা[১]।।

পদ– অৰুণ অধৰ মুৰি কান্দে যদুমণি।
চান্দ মুখেৰ বালাই লঞু বোলে ৰে জননী।।
কান্দিতে নেত্রৰ নীৰ ধাৰে বহি পড়ে।
কমল পত্রেৰ যেন শিশিৰ নিগড়ে।।
জননীৰ মুখ চায়া কান্দে যদুপতি।
মঞি যাঞ তোমাৰ হুয়া বোলে যশোমতী।।[২]
পাৱে ধৰোঁ শিৰে কৰোঁ দুধ পিউ হৰি।
মুখে তন লৈয়া কান্দে ফোকাৰি ফোকাৰি।।

জগতেৰ গুৰু ভাৱ লৈয়া মানৱীৰে।

কান্দিতে আকুল মতি কৈলা জননীৰে।।

কহয় মাদৱ দাস বৰ অগিয়ান।

ওহি ভাৱ সুমৰি ছুটোক মেৰি প্ৰাণ।।

---

পা. ১।ওৱা ওৱা, উৱা উৱা ২। মই যাওঁ তুমি শুৱা বোলে যশোমতী।

## ১৩২।। ৰাগ ।। শ্যাম

ধ্রুং- গোৱিন্দ চলয়ে বিৰিন্দাবনে গোপ শিশু সঙ্গে।

বজাৱে মোহন বেণু ধেনু ধায় ৰঙ্গে।।

পদ- সকল বালেক মাজে কানাই সুন্দৰ।

ভুৱন মোহন শ্যাম ৰূপে মনোহৰ।।

গগন মণ্ডল পূৰে শিঙ্গা বেণু ৰোলে।

আভীৰ বালকে বেঢ়ি জয় হৰি বোলে।।

কেহোঁ বোলে ৰাম কেহোঁ বোলে জয় হৰি।

উচ্চায়া পাঞ্চনি ধায় বৎস পুচ্ছ ধৰি।।

কেহোঁ গায় কেহোঁ বায় কেহোঁ নাচে হাঁসে।

ত্ৰিভুৱন জিনি বৃন্দাৱনে পৰকাশে।।

বেদ শিৰোমণি যাৰ চৰণে বিৰাজে।
সোহি প্ৰভু গোপ ৰূপে বালেকৰ মাজে।।
ভকত বৎসল হৰি[১] বিনে নাহি কোই।
কহয় মাধৱ ৰঙ্গা পদে গতি মোই।।

---

পা. ১।প্ৰভু।

**১৩৩।। ৰাগ ।। শ্যাম (মতান্তৰেঃ শ্যাম-গেড়া)**

ধ্ৰুং- পৰভাতে শ্যাম কানু ধেনু লৈয়া সঙ্গে।
বাংশীৰ নিসানে[১] বৃন্দাবনে চলে ৰঙ্গে।।
পদ- জগতেৰ[২] গুৰু হৰি কাছি গোপ কাছে।
আভীৰ বালেকে বেঢ়ি চলে আগে পাছে।।
শিকা বান্ধি ছান্দি কান্ধে লৈয়া দধি ভাত।
মাথায়ে ছান্দনী জড়ি সাজে জগন্নাথ।।
বাম কাখে[৩] শিঙ্গা বেত নেত কৰু চেলি।
বহু ৰসে লাসে বেশে কৰিয়া[৪] চলে কেলি।।
অসংখ্য সহস্ৰ শিশু ধেনু বৎসগণ।
শিঙ্গা শঙ্খ বেণু ৰৱে পূৰয় গগন।।
নানান খেলান খেলে বহুভাৱে গাৱে।

নানান বিনোদ ৰসে ভুৱন ভুলাৱে।

বৈকুণ্ঠৰ পতি প্ৰভু বনে চাৰে ধেনু।

কহয় মাধৱ গতি কানু পদৰেণু।।

---

পা. ১।নিশ্বানে, নিস্বনে ২। জগতৰ, জগতৰে ৩। কাষে ৪। কৰি।

## ১৩৪।। ৰাগ ।। অহিৰ

ধ্ৰুং– শ্যাম কমললোচন।

শিশু সঙ্গে চলে বৃন্দাবন।।

পদ– সুৰভি চলয় আগ ধায়া ধায়া লৱে লাগ

কনক পাঞ্চনি উড়ি হাতে।

শ্ৰৱণে কুণ্ডল ডোলে কুটিল কুন্তল লোলে

ময়ূৰ পুচ্ছ ঝলমল মাথে।।

হালয় সুন্দৰ কটি বিলোলিত পীত ধতি

চৰণে মঞ্জীৰ মণি ঝুৰে।

বাম কপোল বাম বাহুমূলে আৰোপিয়া

ৰুঞ্চিত অধৰে বেণু পূৰে।।

নয়ন পঙ্কজ পাসি মুখে মনোহৰ হাঁসি

ভ্ৰূৱ যুগ মদনেৰ ধনু।

ৰতন ভূষণচয় চাৰু অঙ্গে উজ্জ্বৰিত

নৱ ঘন জিনি জ্বলে তনু।।

বৃন্দাবনে ধেনু মেলি শিশু সঙ্গে কৰে কেলি

যোগী যাৰ চৰণ ধিয়ায়।

পৰম মূৰুখমতি কহয় মাধৱ গতি

নন্দ নন্দন দুহোঁ পায়।।

**১৩৫।। ৰাগ ।। ললিত**

ধ্রুং- যশোমতী পেখিতে নয়ন জুড়ায়।

জগজন জীৱন ভকত পৰম ধন

হাঁসি হাঁসি চৰণ ঘসায়।

পদ-কৰহু বৈঠিয়েকহুঁ পেখিয়ে যশোৱা মাই

হাম্ফুলি[১] চলে ঘনে ঘন।

ভাষত মাঞি মাঞি[২] কৰি খেনবেন[৩]

যশোৱা পেখিতে ঝুৰে মন।।

যশোৱা সুন্দৰী[৪] কুচকহু ধৰি হৰি

বয়না কয়[৫] তন পান।

হাঁসিয়া[৬] যশোৱা মাই চুম্বয় ঘনে ঘন

দীন মাধৱে গুণ গান।।

---

পা. ১। হাস্ফুটি ২।মাই মাই ৩। কৰু খেনবেন, কৰি ক্ষেনলন ৪।সুন্দৰীকো ৫। বয়নে কৰত ৬। হাঁসিয়ে।

**১৩৬।। ৰাগ ।। ললিত**

ধ্রুং- মাঞ্রি খেলত গোপাল গোসাঞ্রি।[১]

কালিন্দী পুলিন বনহি যদুনন্দন[২]

ফিৰত গউৱা চৰাই।।

পদ- গজগতি গমন চলয়[৩] জগ জীৱন

গোধন আগু বুলায়।

আনন্দে নন্দ নন্দন পৰমানন্দ[৪]

মোহন বাঞ্চুৰি[৫] বজায়।।

সনক সনাতন যতহি যোগীজন

যাকেৰি চৰণ ধিয়ায়।

সোহি নন্দ নন্দন[৬] গোকুল মহ মিলল

দীন মাধৱে গুণ গায়।।

---

পা. ১। মাই মাই খেলত গোপাল গোসাই ২। কালিন্দী পুলিন বনঃ যোহি যদুনন্দন... ৩।চলে ৪।(ক) আনন্দে নন্দঃ পৰমানন্দ (খ) আনন্দে নন্দ-নন্দনঃ পৰম আনন্দ মন... ৫।বাঁশৰী, বাংশী ৬।সো হৰি নন্দ।

## ১৩৭।। ৰাগ ।। ললিত

ধ্রুং- গোপাল খেলে বালেক সঙ্গে।

মোহন বেণু পূৰে মন ৰঙ্গে।।

পদ- শ্যাম শৰীৰে শোহে পীত বাস।

ভুৱন ভুলি কয়ো পৰকাশ।।

ঠমকে চলাৱে দুহোঁ অৰুণ পাৱ।

ৰুণঝুণ কয়ো নূপুৰ ৰাৱ।।

হৃদয়ে হাৰ লোলে[১] গজমতি।

পেখি মোহ ভয়ো ব্ৰজ যুৱতী।।

মাধৱ দাস কহ[২] শুনহ মুৰাৰি।

ভকতি দান দেহু কৰোহোঁ গোহিৰি।।

---

পা. ১।লুলে ২। কহে।

**১৩৮।। ৰাগ ।। শ্যাম (মতান্তৰে-শ্যাম গেড়া)**

ধ্রুং- পৰভাতে সুমৰোঁ গোৱিন্দ হৃষীকেশ।

চিদানন্দ মূৰুতি কপট গোপ বেশ।।

পদ- সত্য সনাতন নিত্য নিৰঞ্জন দেৱ।

অনাদি অনন্ত যোহি বিনে নাহি কেৱ।।

সোহি প্ৰভু নাম ধৰু নন্দকু নন্দন।

কৰোঁ পৰভাতে তযু চৰণ বন্দন।।

সনক সনন্দ যোগী যাহাকু ধিয়ায়।

সকল নিগমে যাকু বিচাৰি নাপায়।।

চতুৰ বয়ন ভৱ কৰু যাক সেৱা।

গোপ নন্দ ভৱনে বেকত সোহি দেৱা।।

অৰুণ নয়ন নখ অৰুণ বৰণ।

অৰুণ অধৰ চাৰু অৰুণ চৰণ।।

নীলমণি নিভ তনু এ জগ জীৱন।

কহয় মাধৱ গতি নন্দকু নন্দন।।

## ১৩৯।। ৰাগ ।। অহিৰ

ধ্রুং- গোৱিন্দ চিন্তহু[১] বাল গোপালং।

ৰতন তলপ মহ শয়নে ৰহতু হৰি

পঙ্কজ নয়ন বিশালং।।

পদ- কৰ পঙ্কজ যুগ ধৰি পদ পঙ্কজ

বয়ন পঙ্কজে নিৱেশিতং।

মুনিবৰ কৈচন ছোড়ি অমিয়া মজু[২]

পদ পঙ্কজ ৰস পীতং।।

ওহি মন ভাৱে[৩] পৰম ৰতি কৌতুক

নিজ পদ পঙ্কজ পানং।

বালেক কেলি অমিয়া ৰস সাগৰ

মাধৱ কহ পৰমাণং।।

---

পা. ১।চিন্তো ২। মধু, তযু ৩। ওহি মনে ভাবি।

## ১৪০।। ৰাগ ।। সিন্ধুৰা

ধ্রুং- কানু সাজে কানু সাজে সাজে।[১]

শিঙ্গাৰ নিসান[২] বাজে ৰে।।

পদ- নিশি অৱসানে বাংশীৰ নিসানে[৩]

ডাকয়[4] ছিৰি গোপালে।

ভোজন সম্ভাৰ লৈয়া ভাইসৱ

সাজিয়া আইস সকালে।।

আজু বন মহ কৰব ভোজন

জানিয়া শিসুসকলে।

কৰিয়া যতন সাজি দধি অন্ন

আইল সৱ কুতূহলে[5]।।

গাৱে গাৱে বৎস অনেক সহস্র

চলাৱে গোৱালগণে।

কৃষ্ণৰ অসংখ্য বৎস বান্টি লৈয়া

চলি ভৈলা[6] বৃন্দাবনে।।

শিঙ্গা বাঁশী বেত পীত ধড়া নেত

গুঞ্জা গেৰু মৈৰা পাখী।

নটবৰ জিনি সাজে যদুমণি

চলে[7] বনে বৎস ৰাখি।।

হাসিয়া মোহন বাংশীটি বজাৱে

গোৱাল বালকে সঙ্গে।

ৰূপে কৌটি কাম জিনি বহুৰসে

খেলান খেলায় ৰঙ্গে।।

যাক ব্ৰহ্মজ্ঞানী ব্ৰহ্ম বোলে দাসে

বোলয় পৰম দেৱ।

মায়া বিমোহিত বোলে নন্দ সুত

ব্ৰহ্মা কৰে যাক সেৱ।।

অনেক জনমে যোগেশ্বৰো যাৰ

নপাৱে পদ ধূলাক।

কহয় মাধৱ আখিৰ গোচৰে

ব্ৰজবাস দেখে তাক।।

---

পা. ১।কানু সাজে সাজে কানু সাজে সাজে ২।নিস্বান ৩।নিস্বানে ৪। ডাকৰে ৫। কৌতুহলে ৬। গৈলা, আইলা ৭। ফিৰে, ফুৰে।

**১৪১।। ৰাগ ।। বসন্ত**

ধ্ৰুং- কৰতু[১] গোপাল ভোজন ব্যৱহাৰা[২]।

গোপ বালক সৱ চৌভিতি বৈঠল

পঙ্কজ পত্ৰ আকাৰা।।

পদ- তাসু মাজে নন্দ সুত বিৰাজিত[৩]

পঙ্কজ কেশৰ সমানা।

কুসুম পাষাণ পত্ৰ ফল পল্লৱ[৪]

কৰু বহু পাত্ৰ বিধানা।।

তাসু উৱৰে থাপি অন্ন ব্যঞ্জন

বহু ৰসে চাৰু সুগন্ধি।

দধি দুধ লৱণু চোৰ চাতুৰী ৰসে

ভোজন কৰতু[৫] আনন্দি।।

বাম কাখে[৬] শিঙ্গা বেত বেৰটি সহ

মোহন বাঁশী[৭] বিৰাজে।

বাম পাণি তলে থাপি অন্ন ব্যঞ্জন

ভোজন কৰতু[৮] যদুৰাজে।

সুহৃদ সৱক হৰি বহুৰসে আনন্দে

ৰঞ্জত হাঁস পৰিহাঁসে।

কতিহোঁ[৯] কৰতালি বাৱত গাৱত

কতিহোঁ[১০] নাচত লয়লাসে।।

সকল যজ্ঞৰ ভাগ[১১] ভোজন কৰত বনে

তাসু করত ফল দানা।

সোহি মহেশ্বৰ ভোজন কৰত বনে

ওহি নিগম পৰমাণা।।

গগনে দেৱতাগণে ৰঙ্গে দেখত শিৰে

বৰিষত কুসুম অপাৰা।

মাধৱ মূৰুখ মতি জনমে জনমে গতি

হৰিপদ পঙ্কজ হামাৰা।।

---

পা. ১। কৰত ২। বিহাৰা ৩। বিৰাজত ৪। পত্র পল্লৱ ৫। কৰত ৬। কাযে ৭। বাংশী ৮। কৰত ৯। কতোহোঁ ১০। সকল যজ্ঞযাগ।

## ১৪২।। ৰাগ ।। তুড়-ভাটিয়ালী

### (মতান্তৰে-তুড়-বসন্ত)

ধ্রুং- দোলায়[১] গোৱিন্দ পৰম আনন্দে

ৰতন সিংহাসনে বসি।

কনক বিৰচিত দৌলেৰ মণ্ডপ

জ্বলয় যেন ৰবি শশী।।

পদ- ৰতন ভূষণ জ্বলয় শ্যাম তনু

ফাগুৱে[২] হুয়া উজ্জ্বলিত।

নৱীন মেঘে যেন বিজুলী সঞ্চাৰে[৩]

পেখিতে কাম বিমোহিত।।

ছত্ৰ চামৰে চৌভিতি ৰঞ্জিত

কনকময় ধ্বজ দণ্ড।

আকাশে দেৱতাগণে[৪] কুসুম বৰিষয়

বজায়া বহু বাদ্য ভণ্ড।।

গন্ধৰ্ব্বে গাৱয় বাৱয় বিদ্যাধৰে

নাচয় অপেশ্বৰাগণ।

সিদ্ধ মুনিগণে মহিমা তুতি কৰে

কৌতুকে দোলে নাৰায়ণ।।

পূৰ্ণ শশী জিনি জ্বলয় চন্দ্ৰাতপ[৫]

মুকুতামণি শাৰী শাৰী।

উৰ্দ্ধ দৃষ্টি কৰি পৰম আনন্দে

নিৰেখে যত নৰনাৰী।।

হৰিৰ দৌলেৰ মহিমা কৌতুক

কমনে কহি পাৱে সীমা।

আছোক মানুষ[৬] দেৱ মুনিগণ

নজানে যাৰ মহিমা।।

দৌলেৰ উপৰে[৭] মগৰ ভিতৰে

দোলয় ত্রিজগত পতি।

পৰম মূঢ়মতি কহয় মাধৱ

গোৱিন্দ পদে মোৰ গতি।।

---

পা. ১। দোলাৱে ২। ফাকুৱে, ফাঙ্কুএ ৩। সঞ্চাৰে ৪। দেৱগণে ৫। শ্যামতনু ৬। মনুষ্য ৭। উৱৰে।

**১৪৩।। ৰাগ ।। ভাটিয়ালী**

ধ্রুং- ফাগু খেলায় কৰুণাময়[১] এ নন্দ কুমাৰ।

দেৱৰ দুৰ্ল্লভ কেলি ফাগু বিহাৰ।।

পদ- ফাগু পৰি শ্যাম তনু কৰে তিৰমিৰি।

ৰৱিৰ কিৰণে যে মৰকত গিৰি।।

কৰ্পূৰ কুঙ্কুমে ফাগু আতি সুবাসিত।

গোপগোপী সমে খেলে হুয়া আনন্দিত।।

আউৰে আউৰে ফাগু মাৰে আঞ্জলি ভৰিয়া।

ফাগু[২] ৰসে নাচে হাঁসে কীৰ্ত্তন কৰিয়া।।

ফাগুৰে চৌভিতি দেখি অৰুণ বৰণ।

প্ৰভাত কালৰ যেন ৰৱিৰ কিৰণ।।

আনন্দে আকুল লোক ফাগুৰ উৎসৱে।

চৌভিতি পূৰয় হৰি কীৰ্ত্তনৰ ৰৱে।।

ত্ৰিভুৱন জিনি গোপপুৰী পৰকাশে।

কহয় মাধৱ দীন হৰিপদ দাসে।।

---

পা. ১।(ক) একান্ত খেলায় কৰুণাময় (খ) ফাগু খেলায় খেলায় কৰুণাময়...... ২। ফাগু = ফাকু।

## ১৪৪।। ৰাগ ।। সিন্ধুৰা

ধ্ৰুং- ভাই দেখো কমলাপতি দৌলৰ উপৰে।

বৈকুণ্ঠেৰ পতি[১] দৌল ৰসে কেলি কৰে।।

পদ- দিব্য সিংহাসনে প্ৰকাশয় দামোদৰে।

নৱ নীল মেঘ যেন মেৰুৰ শিখৰে।।

শ্যাম শৰীৰত ঝিকি পাৰে অলঙ্কাৰ।

নিৰ্ম্মল গগনে যেন জৌতি কৰে তাৰ।।

কিৰীটি কুণ্ডল হাৰ কেয়ূৰ কিঙ্কিণী।

ৰত্নৰ নূপুৰ পাৱে বাজে ৰিণিঝিণি।।

সিংহাসন সমে দোলে জগতেৰ পতি[২]।
যেন আকাশত ৰৱি শশী কৰে গতি।।
নন্দেৰ আনন্দ বড়ে ৰঙ্গ যশোদাৰ।
জয় হৰি বুলি গোপ গোপীৰ জোকাৰ।।
গোকুলে মিলিয়া আছে বৈকুণ্ঠ উৎসৱ।
হৰিপদে গতি মোৰ কহয় মাধৱ।।

---

পা. ১। নাথ ২। ত্ৰিজগত পতি।

## ১৪৫।। ৰাগ ।। সিন্ধুৰা

ধ্ৰুং- জয় জয় ৰাম ৰাঘৱ[১] ৰঘুকুল পঙ্কজ
দিনকৰ ৰাম মুৰাৰি।
যো পদ কমল সুৰাসুৰে সেৱত[২]
সকল ভুৱন অধিকাৰী।।
পদ- বালি ঘালি পালি সুগ্ৰীৱ কপি
বাৰিধি বান্ধল সেতু।
নিশাচৰ সাথে দশানন ঘাতন
জগজন মঙ্গল হেতু।।
জানকী লক্ষ্মণ[৩] সুগ্ৰীৱ[৪] বিভীষণ

মাৰুতি সব্ৰ সৈন্য সাথে।

পুষ্পক যানহি আসি আপোন পুৰী

ভয়ো নৰপতি ৰঘুনাথে।।

শিৰে শশী মণ্ডল ছত্ৰ সুনির্ম্মল

শ্বেত চামৰা দুহোঁ ডোলে[৫]।

মিলল মহোৎসব্ৰ পৰম কোলাহল

সব্ৰলোই মঙ্গল বোলে।।

শিঙ্গা[৬] মৃদঙ্গ মুৰুজ ধ্বনি বাজত

দুম দুম দুন্দুভি ঢোলে।

পঞ্চ শবদ শুভ মিলন মহোৎসব্ৰ

জয় জয় ৰাঘব্ৰ বোলে[৭]।।

ব্ৰহ্মা পুৰন্দৰ হৰ মুণি কিন্নৰ

চাৰণ মিলন ৰঙ্গে।

ৰতন সিংহাসনে বসি ৰঘুনন্দন

ৰাজতু জানকী সঙ্গে।।

নিত্য নিৰঞ্জন জগজন কাৰণ

ৰাম ৰূপে অব্ৰতাৰা।

রঘুপতি চৰণ কমল ভৃঙ্গ মাধৱ

কহ গতি ৰাম হামাৰা।।[৮]

---

পা. ১। অনুপস্থিত ২। সুৰাসুৰ বন্দিত ৩। জানেকী লখিমন ৪। সুগ্রীঞ ৫। দোলে ৬। শঙ্খ ৭। বোলে ৮। কহ ৰাম গতি হামাৰা।

## ১৪৬।। ৰাগ ।। বেলোৱাৰ

ধ্রুং- দেখো ৰে নয়ন ভৰি লোই।

পৰম পুৰুষ ৰাম ৰাজা হোই।।

পদ- ৰতন সিংহাসনে ৰাজত ৰাম।

তনু সুকুমাৰ দুৰ্ব্বাদলশ্যাম।।

ৰতন বিভুষিত অঙ্গ উজোৰে।

পূৰ্ণ চান্দ ৰুচি[১] ছত্ৰ উৱৰে।।

পাশ লাস শ্বেত চামৰ ডোলে।

মিলল মহোসৱ জয় ৰাম বোলে।।

চৌদিশি[২] মঙ্গল বাজন বাজে।

কৌতুক ৰঙ্গ কৰত সৱ ৰাজে।।

সিদ্ধমুনি শিৰে কুসুম বৰিষে।

চতুৰ বয়নে তুতি বোলত হৰিষে।।

ৰামক চৰণ কমল মধু আশা ।

কহত মূৰুখ মতি মাধৱ দাসা।।

---

পা. ১। পূৰ্ণ চন্দ্ৰ জ্যোতি ২।চৌভিতি।

## ১৪৭।। ৰাগ ।। বৰাড়ি

ধ্ৰুং- কোটোৰা[১] খেলায় হৰি এ ওহি বালেকৰ কেলি।

পৰম আনন্দে খেলে গোপ শিশু মেলি।।

পদ- গোটা ঝুমুৰিকা থাই আৰু মৱা লাডু।[২]

খেলাইতে ঝলমল কৰে সোণাৰ তাড় খাৰু।।

গগনে দেৱতাগণে পৰম হৰিষে।

হৰি গুণ গায়া ৰঙ্গে কুসুম বৰিষে।।

বৃন্দাবনে কৰে কেলি বৈকুণ্ঠৰ পতি।

কহয় মাধৱ হৰি পদৰেণু গতি।।

---

পা. ১।কটোৰা ২।(ক)জুমুৰিকা থাই আৰু মোৱা লাৰু
(খ) জুমুৰিকা থই আৰু মোৱা লাডু।

## ১৪৮।। ৰাগ ।। কানড়া

ধ্ৰুং- যশোৱা নন্দন বালেক মেলে।

পৰম আনন্দে কোটোৰা খেলে।।

পদ- মৱা ঝুমুড়িকা[১] আৱৰ খেই।

বস্ত্র উৱৰে সিঞ্চে হাতে লই।।

কৌটি ব্রহ্মাণ্ড ক্রীড়া ভাণ্ড যাৰ।

কোটোৰা খেলান কমন বিহাৰ।।

অনন্ত আনন্দ ৰসেৰ পতি।

তাহেৰ বালেক খেলানে ৰতি।।

ভকতি অধীন (হৰি) দীন দায়াল।

কহয় মাধৱ গতি (বাল) গোপাল।।

---

পা. ১। মোৱা জুমুৰা / জুমুৰিকা।

## ১৪৯।। ৰাগ ।। গৌৰী

ধ্রুং- মোহন মনোহৰ মুৰুতি মাধৱ

মোহন বালেক সঙ্গীয়া।

নানান ৰসে খেলে ৰসিক শিৰোমণি

মদন মোহে ভ্রুৱ ভঙ্গীয়া।।

পদ- শাৰদ নিৰমল প্রফুল্ল পঙ্কজ

বয়ন সুন্দৰ শোহেয়া।

অৰক চঞ্চৰ[১] যৈছে উড়ি পড়ে

ভ্ৰমৰকুল মধু লোহেয়া[২]।।

বিধিয়ে নিৰমিল যতনা ৰূপ গুণ

যৱহু সৱ একু ঠামুৱা।

সুন্দৰ কানুক ৰূপ একু তিল

তৱহু কৈছে উপমুৱা।।

জগত তাৰণ হেতু ভয়ো হৰি

বেকত আনন্দ সিন্ধুৱা।

দীন মাধৱে মাগে পাৱে পৰি

ভকতি ৰতি একু বিন্দুৱা।।

---

পা. ১।অলক চঞ্চৰ ২। লোভেয়া।

## ১৫০।। ৰাগ ।। শ্ৰী

ধ্ৰুং- অৱ সখি কহ কহ ৰে১ হামাৰ জীৱন ধন

কোন পন্থে গৈল মধাই।

মদন বিৰহ আগি শৰীৰ দহয় ৰে

তিলকে না দেখি জীৱ যায়।।

পদ- চান্দ বয়নে হৰি মুৰুৰী বজাৱে ৰে

মধুৰ সুস্বৰ ৰস গায়।

সুন্দৰ নয়নে হেৰি[২] নন্দ সুত চলে ৰে

হামাৰি জীৱন লেহি যায়।।

কামে চঞ্চৰ তনু মদন জিনিয়া ৰে

পঞ্চম পূৰিয়া ৰস তোলে।

প্ৰেমে আকুল সৱ ব্ৰজ ৰমণী ৰে

দীন মাধৱ দাসে বোলে।।

---

পা. ১।সখি কহ কহৰে ২।সুৰঙ্গ বয়নে হেৰি।

**১৫১।। ৰাগ ।। গৌৰী**

ধ্রুং- গোৱিন্দ মেৰি আৱত সৱ গোধন সঙ্গে ধায়।

মোহত হেৰি হাসি ৰহিসে[১] পঞ্চম পূৰিয়া গায়।।

পদ- গোৰজে বৰ শোভিত তনু উগত মুখ চান্দা।

আকুল ব্ৰজ ৰমণীক মন মিলত বহু আনন্দা।।

পৰম পুৰুষ পায় মুহ লোচন ভৰি চায়।

গোৱিন্দ পদ সেৱক দীন মাধৱ দাসে গায়।।

---

পা. ১।মোহত হাসি হৰিষে হেৰি।

**১৫২।। ৰাগ ।। বেলোৱাৰ**

ধ্রুং– বিৰিন্দা বনে খেলত মধুৰ মুৰাৰি।

মোহন মধুৰ হাঁসি মুৰুৰী বজাৱত

এ তিনি ভুৱন অধিকাৰী।।

পদ– শাৰদ ইন্দু নিন্দি আনন শোভিত

ৰঞ্জিত মধু মধু হাঁসে।

অভিনৱ জলধৰ তড়িত জড়িত যৈচে

তনু শোভিত পীত বাসে।।

নয়ন উজ্জ্বৰ কৰ কঙ্কণ কেয়ূৰ

বনমালা হৃদয় দোলাৱে।

চৈধ্যয় ভুৱন ভুলি ৰূপ মিলাৱত

মধুৰ পঞ্চম ৰস গাৱে।।

ৰতন জড়িত মণি মঞ্জীৰ ৰঞ্জিত

পদ পঙ্কজ পৰকাশা।

ভকত পৰম গতি তাহে মজোক মতি

মাধৱ এহু অভিলাষা।।

## ১৫৩।। ৰাগ ।। সুহাই

ধ্রুং- এব্রে গোপীনাথ গোহাৰি কৰোহোঁ তুৱা পায়।[১]

প্ৰাণনাথ সেৱক বুলিয়া কৰু দায়া ৰে।।[২]

পদ- মৰিএ বিষয় বিষপানে।

ভকতি অমিয়া মাগোঁ দানে।।

অজ্ঞান তিমিৰে ভৈলোঁ অন্ধ।

ছোড় প্ৰভু ওহি মোহ বন্ধ।।

কহয় মাধৱ দাস দীনে।

প্ৰেম ভকতি ৰতিহীনে।।

---

পা. ১।প্ৰাণেৰ গোপীনাথ গোহাৰি কৰোহোঁ তুৱা পাৱে। সেৱক বুলিয়া কৰু দায়া ৰে।। ২।প্ৰাণনাথ সেৱক বুলিয়া পালিয়া কৰু দায়া।।

## ১৫৪।। ৰাগ ।। ভাটিয়ালী

ধ্রুং- বুঢ়া ভাই হৰি গুণ গাই নাচা।

কোন দিনা ঢলি[১] শৰীৰ পড়য়

আৰ কি বাট চাই আছা।।

পদ- আয়ু দিলে ভাঠি[২] হাতে লৈলা লাঠি

হাণ্ঠিত নচলে পাৰ।

ভাঙ্গিল মাগুলি          আগ গৈল ঢলি[৩]

ধনু ফান্দ ভৈলা[৪] গাৱ।।

ছাল সোটাসোট          হাড় গোটাগোট

কোটৰে লুকাইল আখি।

তেজ বল মাংস          গাৱতে লুকাইল

দেখিয়া নপাৱা[৫] সাখী।।

শুখাই গৈল আন্ত          মুখে নাসে মাত

দান্তৰো নাহি অৱস্থা।

কাষে[৬] ঢুল ঢুল          সৰি গৈল চুল

লৰবৰ কৰে মাথা।।

বীভৎস শৰীৰ          আখি ঝুৰে নীৰ

তিনি থানে ভৈল বাগ।

কহয় মাধৱ          সৱেও মৰিব

তথাপি বুঢ়াসে আগ।

---

পা. ১।ইটো ২।ভাটি ৩।হালি ৪।দিলা ৫।তথাপি নোলোৱা।

## ১৫৫।। ৰাগ ।। ভাটিয়ালী

ধ্রুং গোপাল গোৱালী পাৰাতে নাচে।

চৰণ চলাই নূপুৰ বজাই

মধুৰ মধুৰ[১] হাঁসে।।

পদ– পীত ধতি কটি কাছনি কাছিয়া

আগু পাছু লাসে চাৱে।

বালকেৰ ভাৱ দেখাই[২] কানাই

গোপীৰ মন ভুলাৱে।।

দধি বিকি আসি শুনিল গোৱাৰী[৩]

হৰি নাচিবৰ[৪] কথা।

পসাৰ পেলাই লৱৰন্তে যাই

কৃষ্ণক বেঢ়িলা তথা।।

সৱ গোপী মিলি বাৱে হাত তালি

বোলে ভাল কৰি নাচা।

হাতে তাৰ খাৰু[৫] দিব চিনি লাডু

বাপু পূৰি তোৰা বাঞ্ছা।।

গোপীৰ বচনে বৰ লোভ পাই

নাচল নানান ভাৱে।

কহয় মাধৱ আন গতি নাই

ভজ গোৱিন্দৰ পাৱে।।❍

---

পা. ১।মাধুৰী মাধুৰী ২। দেখায়া ৩।গোৱালী ৪। নাচিবাৰ ৫। তোৰ থাৰু।

# সমাপ্ত

## জয় গুৰু শঙ্কৰ

